# সুৰভি

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

LIBRARY
DIBRUGARH UNIVERSITY
Call No.........

সাহিত্য-প্ৰকাশ

গুৱাহাটী

"SURABHI"—A collection of Assamese Short Stories by Sahityarathi Lakshminath Bezbaroa : Published by Sahitya Prakash, P.O. Assam Tribune. Gauhati-3 : Second Edition 1966 : Price Rs. 2.75 paise only : Printed at the Tribune Press, Gauhati-3.

**প্ৰকাশক ঃ**

সাহিত্য-প্ৰকাশ
গুৱাহাটী—৩

**প্ৰথম প্ৰকাশ ঃ**

১৮৩০ শক, মাঘ
১৯০৯ চন, জানুৱাৰী

3333/5

**দ্বিতীয় প্ৰকাশ ঃ**

১৮৮৮ শক; বহাগ
১৯৬৬ চন, এপ্ৰিল

**শ্ৰীমতী ৰত্নাৱলী বৰুৱাৰ দ্বাৰা**
সৰ্ব্বস্বত্ব সংৰক্ষিত

**গুৱাহাটী ট্ৰিবিউন প্ৰেছত**
মুদ্ৰিত

মূল্য ঃ দুটকা পয়সত্তৰ পইচা

ৰসৰাজ, সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াৰ "সুৰভি" গল্প-গ্ৰন্থৰ দ্বিতীয় প্ৰকাশ প্ৰায় ৫৭ বছৰৰ পিছত আমি পঢ়ুৱৈ সমাজলৈ সবিনয়ে আগবঢ়ালো। এইখন অসমীয়া ভাষাতে পোন প্ৰথম গল্প-গ্ৰন্থ। ইংৰাজী ১৯০৯ চনত ইয়াৰ প্ৰথম প্ৰকাশ হোৱাটো এক প্ৰকাৰ বিস্ময়কৰ। কাৰণ গল্প সাহিত্যৰ জন্মভূমি পাশ্চাত্যতে তেতিয়া ইয়াৰ পূৰ্ণ বিকাশ হোৱা নাছিল। অসমীয়া গল্পৰ ৰসজ্ঞ আৰু অনুসন্ধিৎসু পাঠকসকলে সেয়ে এই দুষ্প্ৰাপ্য সংকলনটিলৈ আজি বহুত দিনৰে পৰা বাট চাই আছিল।

কিতাপ খনিৰ সৈতে এটি বৰ শোকৰ স্মৃতি জড়িত হৈ আছে। "সুৰভি আইটি" লক্ষ্মীনাথ বেজবৰুৱাৰ বৰ আদৰৰ বৰ জীয়ৰী আছিল, যি নিচেই কুমলীয়া বয়সতে দেউতাকৰ "হৃদয় এডোখৰ ভাঙি নি" ইহলীলা সম্বৰণ কৰিছিল। সুৰভিয়ে বেজবৰুৱা পৰিয়ালৰ বন্ধু-বান্ধৱৰ কিমান খিনি ঠাই আগুৰি আছিল সেই কথা এই পুথিৰ আৰম্ভতে জুৰি দিয়া দেউতাকৰ কবিতাটিৰ উপৰি দুগৰাকী মহিলাই লিখা দুটি বঙলা কবিতাই প্ৰমাণ কৰিছে। তাৰে এগৰাকী ইন্দিৰা দেৱী আছিল বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ দ্বিতীয় ভ্ৰাতৃ প্ৰথম ভাৰতীয় আই-চি-এছ সত্যেন্দ্ৰনাথ ঠাকুৰৰ জীয়ৰী। বেথুন কলেজৰ স্নাতিকা ইন্দিৰা দেৱী সেই কালৰ বঙ্গদেশৰ এগৰাকী সুগায়িকা আছিল। আন গৰাকী সৰোজ কুমাৰী দেৱী আছিল, বেজবৰুৱাৰ "জীৱন সোঁৱৰণ" মতে, সম্বলপুৰৰ গৱৰ্ণমেণ্ট

উকীল যোগেন্দ্ৰনাথ সেনৰ সহধৰ্মিনী; এই পৰিয়ালটি বেজ-বৰুৱা পৰিয়ালৰ বৰ বন্ধু আছিল আৰু তেওঁলোকৰ অনুৰোধত বেজবৰুৱা পৰিয়াল গৈ মাজে মাজে সম্বলপুৰত আছিল। সৰোজ কুমাৰীয়ে সুৰভিক আগতে দেখা নাছিল, কিন্তু মৃত্যুৰ পিছত সুৰভিৰ ছবি এখন দেখি কবিতাটো লিখি বেজবৰুৱাক দিছিল।

বেজবৰুৱাৰ নিজৰ ভাষাত "………অলপ কালৰ ভিতৰতে তাই নিজৰ ৰূপৰ উপৰিও গুণৰ চিনাকি এনেকৈ দিছিল যে তাইক দেখাসকলে তাইৰ প্ৰতি বিশেষভাৱে আকৃষ্ট হৈছিল। ………তাইৰ কথা-বাৰ্ত্তা অতি মিঠা, আৰু বয়সীয়া মানুহৰ দৰে সঙ্গত আছিল। ভয় নামৰ বস্তুটোৰে সৈতে তাইৰ চিনাকি একেবাৰে নহৈছিল। ……… বিধিৰ নিষ্ঠুৰ বিধানত তেনেজনী ছোৱালীক তাইৰ পাঁচ বছৰ বয়সতে মই হেৰুৱালো। সুৰভিয়ে আমাৰ গোটেই হিয়াখনি জুৰি আছিল। তাই আমাৰ হৃদয় চূৰ্ণ-বিচূৰ্ণ কৰি আমাক এৰি গুচি গল। ………সুৰভি আছিল a poem এটি কৱিতা। ………জীৱনত প্ৰথমতে আমি এই দাৰুণ শোক পালোঁ। মাকৰ আৰু মোৰ হিয়া ভাগি টুকুৰা টুকুৰ হ'ল। ৰাতি শৱটো কোনে নি নিমতলা ঘাটত পুৰিলেগৈ আজিলৈকে মই কব নোৱাৰো, কাৰণ মোৰ তেতিয়া একপ্ৰকাৰ অজ্ঞান অৱস্থা।" ডিপথেৰিয়া ৰোগত মৃত্যু হোৱা সুৰভিৰ 'পেৰিচ-প্লাষ্টাৰ'ৰ আৱক্ষমূৰ্ত্তি এটি বেজবৰুৱাই কৃষ্ণনগৰৰ নিপুণ খনিকৰ যদু পালৰ হতুৱাই নিৰ্মাণ কৰাই হাওৰাত থাকোতে মন্দিৰৰ নিচিনাকৈ সৰু ঘৰ এটি সজাই তাত আল-ফুলে স্থাপন কৰিছিল। এনে এটি অতি পৱিত্ৰ স্মৃতিত এই গল্প-গ্ৰন্থৰ নামকৰণ হৈছিল। অসমীয়া গল্প সাহিত্যত আগ-ৰণুৱা বেজবৰুৱা ডাঙৰীয়াৰ গল্প জগতৰ প্ৰথম মানস সন্তানটিও অসমীয়া সাহিত্যৰ বুৰঞ্জীত চিৰস্মৰণীয় হৈ ৰব, সন্দেহ নাই।

সেই কামত সামান্য বৰঙণি যোগাব পাৰিছে বুলিয়েই প্ৰকাশকসকল ধন্য।

— ——

। উৎসর্গ ।

সৰগৰ শোভা তই সুৰভি আইটি,
নিঃকিনৰ ধন।
বিলালি সৌৰভ পিতৃ মাতৃৰ হিয়াত,
আৰু বন্ধুজন।
দুদিনতে সমাপিলি মৰতৰ লীলা,
সপোনৰ প্ৰায়।
ভাঙ্গি নিলি এডোখৰ হৃদয় আমাৰ,
চিৰদিন হায়।
দেৱলোকে তৰাৰূপে পোহাৰিছ তই,
প্ৰিয় দৰশন।
অৰ্পণ হাতত ল উপহাৰ মোৰ,
সুৰভি ৰতন !

“প্যাপা”।

## । সুরভি ।

সুরভি ছিল তোমার নাম,
তাই বুঝি ফুলের মতন
সৌরভ করিয়া বিতরণ,
দুদিনে ত্যজিলে মর্ত্ত্যধাম।
সে সৌরভ চির দিন রাত
রহিল মোদের এই ঘরে
তুমি থাক দেবতার তরে
অমর অমল পারিজাত।

শ্রীইন্দিরা দেবী।

## । সুৰভি ।

(চিত্র দর্শনে)

সহসা বেসুৰো কৰি দুটি হৃদি বীণা।
কোন নন্দনেৰ বনে,
খেলিতে মলয়া সনে,
গিয়েছে সুৰভি মেয়ে ভুলিয়া আপনা।
এসেছিল পথ ভুলে,
মা বাপেৰ স্নেহ কোলে,
সহসা ভেঙ্গেছে ঘোৰ, খেলাৰ বাসনা।
তাই সে গভীৰ ৰাতে,
গেছে স্বৰগেৰ পথে,
ধৰাৰ বাঁধন খুলি, স্নেহেৰে কামনা।

কে কবে মৰুৰ মাঝে ফুটায়েছে ফুল।
কবে এই ধৰা পৰে,
পাৰিজাত শোভা কৰে,
সুৰভি কে লভে কোথা, এ যে শুধু ভুল।
ত্রিদিবেৰ শোভা ৰাশি,
ধৰায় কে দেবে আসি,
দৰিদ্র মানব বুকে আকাঙ্ক্ষা বিপুল।
সুখেৰ স্বপন প্রায়
চকিতে মিলাল হায়,
শুধু ভেঙ্গে দিয়ে গেল দুটি হৃদি কুল।

স্বর্গেৰ সুৰভি সে যে সুৰভিৰ প্রায়।
মধুৰ সুবাস ধাৰা,
ঢালিয়া জগতে সাৰা,
চলে গেছে মুগ্ধ কৰি মানব হিয়ায়।
সুৰভি পৰশ কৰে,
কে কোথা পেয়েছে ভবে,
শুধু অনুভব কৰ শিৰায় শিৰায়।
স্মৃতিৰ নিৰালা ঘৰে,
জাগাইয়া অশ্রু থৰে,
স্নেহ মন্দাকিনী ধাৰ সিঞ্চিও তাহায়।

শ্রীসৰোজ কুমাৰী দেৰী।

## সূচী


| বিষয় | পিঠি |
|---|---|
| গীতা | ১ |
| ফিৰিঙ্গতিৰ পৰা খাণ্ডৱ দাহ | ৭ |
| নিস্তাৰিণী দেৱী বা ফাতেমা বিবী | ১৩ |
| বাপিৰাম | ১৬ |
| লম্বোদৰ ডেকা | ২৬ |
| লাওখোলা | ৩১ |
| মলক গুইন্ গুইন্ | ৪৩ |
| প্ৰথম দৰ্শনত ওপজা প্ৰেম | ৪৯ |
| মিষ্টৰ ফিপ্সন | ৫৫ |
| ভুৰুকী বৌ | ৫৯ |
| মাধৈমালতী | ৬৭ |
| জাতিৰামৰ জাত | ৭৬ |

# গীতা

"ধ্যায়তো বিষয়ান্ পুংসঃ সঙ্গস্তেষূপজায়তে।
সঙ্গাৎ সঞ্জায়তে কামঃ কামাৎ ক্রোধোঽভিজায়তে॥
ক্রোধাদ্ভৱতি সম্মোহঃ সম্মোহাৎ স্মৃতিবিভ্রমঃ।
স্মৃতিভ্ৰংশাদ্ বুদ্ধিনাশো বুদ্ধিনাশাৎ প্ৰণশ্যতি ॥

মাঘব বিহুৰ দিনা পুৱাই গা ধুই আধা পোৰা মেজি এটাৰ কাষত মুঠাব কঠ এখনত বহি কাঠৰ হেঙুলীয়া ঠগা এখনৰ ওপৰত সাঁচিপতীয়া শ্ৰীমদ্ভাগৱদ্‌গীতা পুথি এখন মেলি লৈ, সুৰ ধৰি ডাঙৰকৈ শ্লোক মাতি তাৰ অৰ্থ ব্যাখ্যা কৰিব লাগিছোঁ; একান্তমনে গীতাৰ সেই ব্যাখ্যা শুনি মেজি-কাষৰীয়া ডেকা-বুঢ়া শ্ৰোতাসকলৰ মন জ্ঞানযোগ, কৰ্ম্মযোগ আৰু ভক্তি-যোগত যোগ হৈ ধৰ্ম্মৰ ভাবত সিজিব লাগিছে, আৰু তপত ছাই আৰু পকা আঙঠাৰ ভিতৰত লবাহ'তে সুমাই দিয়া সমসাময়িক কেঁচা মোৱাঁ আলু কাঠ আলু, আৰু কেঁচা আপইতা বাঁহৰ চুঙাত খুন্দি ঠাঁচি ভৰোৱা বৰা চাউলৰ পিঠাও লগে লগে জুইৰ ভাপত সিজি যাব লাগিছে; এনেতে, যাত্ৰী লৈ যোৱা ৰেল গাড়ীয়ে হুচ্ হুচ্ কৰে গৈ থাকোঁতে বাটত ক্ষন্তেকলৈ গাড়ী ৰখাব লগীয়া কোনো "ষ্টেচন" পোৱাদি ওপৰত কোৱা শ্লোকটোত উপস্থিত হোৱাহি গ'ল। শ্লোকটো সুৰ লগাই মাতি অ'তাইছোঁ হে মাথোন, হঠাৎ কোনোবাই উচুপি উচুপি কন্দা যেন মোৰ কাণত পৰিল। "কাৰ নো কি হ'ল আকৌ?" বুলি মই মূৰ তুলি চাই দেখিলোঁ যে, ওচৰতে মোৰ ঘৰৰ চোতালৰ কেয়াঁবন চিকুনাই থকা কয়েদী কুলি এটাই সেইদৰে কান্দিছে। কি আহুকালৰ কথা!

পুথি পঢ়া বন্ধ কৰি কয়েদীটোক কাষলৈ মাতি আনি তাৰ কি হৈছে কিয় কান্দিছে বুলি সুধিলোঁ। এই খিনিতে কৈ আসোঁৱাহ মাৰি থও যে, জেল দাৰোগাৰে সৈতে বন্ধবস্ত কৰি, দিন দেকমানৰ পৰা ৰবফাটকৰ কয়েদী গোটাচেৰেক অনাই মোৰ ঘৰৰ আলি-পদুলি আৰু চোতালৰ ঘাঁহ-বনবোৰ চিকুনাবৰ দিহা কৰিছিলোঁ। সেই কয়েদীকুলিটোও সিহঁতৰ ভিতৰৰে এটা। "তোৰ কি হৈছে ক?" বুলি আকৌ তাক সোধাত সি উত্তৰ দিলে "দেউতা! হঠাৎ বন্দীৰ কান্দোন ওলাইছিল; বন্দীৰ অপৰাধ মৰ্ষণ কৰক।" মই কলোঁ "কিয় তোৰ কান্দোন ওলাইছিল ক! ভয় নকৰিবি; মই একো জগৰ নধৰো; নিশ্চয় তোৰ কান্দোনৰ কাৰণ আছে।"

"দেউতাই যদি জগৰ নধৰোঁ বুলিছে, আৰু বন্দীক কবলৈ হুকুম দিছে, তেন্তে কওঁ, শুনক। দেউতাই এতিয়া যে গীতাৰ শ্লোকটো মাতিছিল, সেইটো শুনি মোৰ আগৰ কথা মনত পৰি কিবা এটা ভাব খেলাই হঠাৎ কান্দোন ওলাই গ'ল; বন্দীয়ে চম্ভালিব নোৱাৰিলো দেউতা।"

মই আকৌ তাক নিৰ্ভয় দি কিয় তাৰ তেনে ভাব হৈছিল, সকলো কথা ভাঙ্গি- পাতি ভালকৈ কবলৈ কোৱাত, সি "দেউতাৰ যি আজ্ঞা" বুলি হাতযোৰ কৰি কবলৈ ধৰিলে।

"দেউতা, মই অধম পাপীৰ ঘৰ পছিমৰ গোৱালিয়ৰ জিলাত। মোৰ নাম ভগবানদাস বাবাজী। সৰুতে মই সন্ন্যাস গ্ৰহণ কৰি সন্ন্যাসী হলোঁ। আই বোপাই ইষ্ট কুটুম্ব মোৰ সকলো আছিল। কিন্তু, মই কাৰো হকাবধা নুশুনি পৰম ধাৰ্ম্মিক অগাধ পণ্ডিত ঈশ্বৰদাস পুৰীৰ ওচৰত মন্ত্ৰ ললোঁ, আৰু তেওঁৰ "চেলা" হৈ দেশ বিদেশৰ নানা তীৰ্থ ভ্ৰমণ কৰিবলৈ ধৰিলোঁ। গুৰুজীৰ মোৰ ওপৰত বিশেষ কৃপা আছিল গুণে মই অলপ কালৰ ভিতৰতে অনেক শাস্ত্ৰত পণ্ডিত হৈ উঠিলোঁ। বেদ বেদান্ত আৰু ঘাইকৈ শ্ৰীমদ্ভাগৱত আৰু গীতাত মই সুনিপুণ হলোঁ। শ্ৰীমদ্ভাগৱত শাস্ত্ৰ মই পৰম ভক্তি ভাৱে পঢ়িলো। আৰু মোৰ শুকান অন্তৰত ভক্তি প্ৰেমৰ নিজৰা বৰলৈ ধৰিলে। দেউতাই পঢ়া গীতা-শাস্ত্ৰ মোৰ কণ্ঠস্থ আছিল। গঙ্গা, গয়া, কাশী, মথুৰা, বৃন্দাবন, বদৰিকাশ্ৰম, পুষ্কৰ, আন কি ৰামেশ্বৰ সেতুবন্ধলৈকো মই গৈছিলোঁ। এনেতে মোৰ দুৰ্ভাগ্যক্ৰমে গুৰুজী মহাৰাজৰ দেহান্তৰ ঘটিল। গুৰুৰ পুণ্যৰ ডোঙাৰ ঢাকোন মোৰ মূৰৰ ওপৰত নাইকিয়া হ'ল।

"গুৰুঃ পিতা গুৰুৰ্মাতা গুৰুৰ্দেৱো নসংশয়ঃ।
কৰ্ম্মণা মনসা বাচা তস্মাৎ শিষ্যৈঃ প্ৰসেব্যতে ॥
গুৰু প্ৰসাদতঃ সৰ্ব্বং লভ্যতে শুভমাত্মনঃ।
তস্মাৎ সেৱ্যো গুৰুৰ্নিত্যমন্যথা ন শুভং ভবেৎ॥"

"এনেকুৱা গুৰুহীন হৈ মই কিছুমান দিন পুৰুষোত্তম ক্ষেত্ৰত থাকি তাতে জনচেৰেক সন্ন্যাসী লগ পাই, পৰশুৰাম কুণ্ডলৈ যাবলৈ বুলি আহি এই কামৰূপ কামাখ্যা ওলালোঁহি, আৰু ইয়াতে মোৰ শেষ পদস্খলন হ'ল। মোৰ পূৰ্ব্ব প্ৰাক্তনৰ ফলত এই পাণ্ডৱ বৰ্জ্জিত দেশত মোৰ ভৱি পিছলিল, মই দোৰ্ঘোৰ নৰকৰ পল-বোকাত পৰিলোঁ। কেনেকৈ মোৰ সৰ্ব্বনাশ ঘটিল তাক চমুকৈ বন্দীয়ে দেউতাৰ চৰণত নিবেদন কৰোঁ। মই পৰশুৰাম কুণ্ডলৈ যাবলৈ আহি শিৱসাগৰ জিলা পাই মোৰ গা বেয়া হোৱা বাবে কিছুমান দিন জিৰাবৰ মনেৰে বলিয়াঘাট বোলা ঠাইৰ গাওঁ এখনৰ এটা বাজহুৱা নামঘৰত ঠাই ললোঁ। মোৰ লগৰীয়া সন্ন্যাসী বিলাক দুই চাৰি দিনৰ পিচতে মোক এৰি পৰশুৰাম কুণ্ডৰ ফালে গুচি গল; মই মোৰ গা ভাল নোপোৱা বাবে তেওঁলোকৰ লগত যাব নোৱাৰিলোঁ। সেই গাৱঁৰ মানুহ বিলাকৰ যত্ন আৰু সেৱা শুশ্ৰূষাত এমাহমানৰ মূৰত যদিও মই মোৰ গা টঙাব পৰা হলোঁ, তথাপি তেওঁলোকৰ মোলৈ আস্তিক আৰু শ্ৰদ্ধাৰ ভাব দেখি মই নাম ঘৰতে নাম প্ৰসঙ্গ শুনি আৰু কিছুমান দিন থাকিবলৈ মনস্হ কৰিলোঁ। এইদৰে থাকোঁতে থাকোঁতে তাতে প্ৰায় ছমাহ হলগৈ। মোৰ শাস্ত্ৰজ্ঞান আৰু ধৰ্ম্মালাপ, বিশেষকৈ বৈষ্ণৱ ধৰ্ম্ম বিষয়ে উপদেশ আদি শুনি গাৱঁৰ সকলোৰে মোৰ ওপৰত ভকতি বাঢ়িল। মোৰ আগৰ পৰা গাখীৰ, কল, কুঁহিয়াৰ, ভাৰ-ভেটী নুগুচা হল। মোৰ শৰীৰ ৰক্ষাৰ নিমিত্তে যিমান খোৱা বস্তুৰ আৱশ্যক, তাতকৈ এশগুণে সৰহ বস্তু মোৰ কাষত গোট খাবলৈ ধৰিলে; আৰু লগে লগে মোৰ ভোজনৰ জোখও নেবাঢ়ি নেথাকিল। ভুৰি ভোজ্য আৰু ভোজনৰ লগতে ভোজ্য বস্তুৰ ওখ আৰু নীহ কুলৰ বিচাৰ কৰিবৰ পাৰ্কিতিয়েও মোৰ গাত ঠাই ললে। মানিকী মধুৰী জহা আৰু গৰুণপখী ধানৰ চাউলে মোৰ জিভাত, সিহঁতৰ ভিতৰত থকা প্ৰভেদ জ্ঞান উৎপাদন কৰিবলৈ ধৰিলে। মলখু চাউল, মলগু চাউল, ভাল আটাগুৰি, বেয়া আটাগুৰি, ভাল ঘিঁউ, কৰুৱা

ঘিঁউ ইত্যাদি কথাৰ মৰ্ম্মবোধ মোৰ বিশেষৰূপে হবলৈ ধৰিলে। মই নিপনীয়া গাখীৰ খাবলৈ ভাল পাওঁ দেখি এজন বুঢ়াই মোক এজনী খীৰতী গাই দিলে। গাই জনীত মোৰ মৰম সোমাল; দেখিলোঁ, তাইক ঘাঁহ পানী খুৱাই পতি কৰিবলৈ এটা মানুহ নহলে নচলে। মঙ্গলা বুলি মোৰ ভকত মানুহ এটাই আপোন ইচ্ছাতে সেই কাম কৰিবলৈ গাত ললে, আৰু মেয়ো সেই ভাৰ তাৰ গাত দিলোঁ। তাৰ মন পুতি কৰা যত্নত গাইজনীৰ শ্ৰীবৃদ্ধি হবলৈ ধৰিলে। মঙ্গলাৰ এজনী ভনীয়েক আছিল; তাইৰ নাম চেনেহী। চেনেহী কুৰি বছৰ বয়সীয়া আবিয়ৈ গাভৰু ছোৱালী। তাই আহি দিনো গাইজনীৰ গাখীৰ খীৱাই দি যাবৰ বাব তাইৰ গাত পৰিল। মঙ্গলাই পথাৰত হাল-কোৰ বাব লগা বাবে কোনো কোনো দিন আহিবলৈ আহৰি নোপোৱা হলে, চেনেহীয়েই মঙ্গলাৰ বাবৰ সকলো খিনি কাম কৰি দি যায়হি। মই দেখিলোঁ, চেনেহীৰ কাম মঙ্গলাৰ কামতকৈ ভালেমান গুণে শুৱলা হয়। আহাৰ শাওণ মহীয়া পথাৰৰ কামত সবহকৈ মন দিবলগীয়া হোৱাত, মঙ্গলাই আহৰি একেবাৰেই নোপোৱা হ'ল; আৰু চেনেহীৰ গাতে তাৰ বাব গোটেইটো পৰিল। তেনে হোৱাত মেয়ো সন্তুষ্ট হলোঁ। কাৰণ, তাইৰ কাম মোৰ চকুত মঙ্গলাৰ কামতকৈ চিকুণ যেন লাগিছিল। চেনেহীয়ে গাইৰ গাখীৰ খীৱায়, গোবৰ পেলায়, গোহালি অতায়, তাৰ উপৰি মোৰ টৌ মলে, কাঁহী বাটি ধোৱে, আৰু জুহালৰ জুই ধৰি দিয়া আদি কাম কৰে। তাই অতি সন্তৰ্পণে ভক্তি-ভাৱে একান্ত মনে তাইৰ এই বিলাক কাম কৰিবলৈ ধৰিলে। কিন্তু স্পষ্টকৈ গম ধৰিব নোৱাৰাকৈ এখোজ দুখোজকৈ আহি, সংসাৰ ত্যাগী সন্ন্যাসীৰ শৰীৰত, বিষয়-বিৰাগী বৰাগীৰ গাত, দুষ্ট কলি প্ৰৱেশ কৰিলে; বৰাগীৰ মনত বিকাৰ উপস্থিত হ'ল। সন্ন্যাসীৰ শান্তিপূৰ্ণ মনত কববাৰ পৰা আহি অশান্তি সোমাল, নিৰুদ্বেগ অন্তৰত উদ্বেগে ঠাই ললে, ঈশ্বৰ চিন্তাৰ ঠাই চেনেহীৰ চিন্তাই বলেৰে 'দখল' কৰিলে। কোনো দিনা চেনেহীয়ে বনবাৰী কৰিবলৈ অহাত পলম কৰিলে মোৰ মন উগুল-থুগুল লাগি পৰে, মই সকলো কাম এৰি তাই অহা বাটলৈ চাই থাকোঁ। খোপে খোপে মোৰ মন ঈশ্বৰ চিন্তাৰ পৰা নামি আহি চেনেহীৰ চিন্তাত পৰিল, আৰু শেহত তাৰ পৰা একেবাৰেই উঠিব নোৱাৰা হ'ল। হিচাপৰ বহীত আজি এক অনা চেনেহীৰ ভাবনা,

পোন্ধৰ অনা ঈশ্বৰৰ ভাবনা; কাইলৈ চাৰি অনা চেনেহীলৈ চিন্তা আৰু ঈশ্বৰলৈ বাৰ অনা চিন্তা, পৰশুইলৈ চেনেহীলৈ আঠ অনা, ঈশ্বৰলৈ আঠ অনা, তৰশুইলৈ চেনেহীলৈ বাৰ অনা, ঈশ্বৰলৈ চাৰি অনা; এইদৰে জমা খৰচৰ বঢ়া টুটা হৈ হৈ শেহত ঈশ্বৰ চিন্তাৰ ঘৰত শূণ্য, আৰু চেনেহী-চিন্তাৰ ঘৰত ষোল অনা জমা হ'ল গৈ। ঈশ্বৰ-চিন্তা-পুখুৰীৰ পানী কলিয়ে লেহেতীৰে সিঁচি চেনেহী চিন্তা পুখুৰীত ভৰালে। ঈশ্বৰ-চিন্তা-পুখুৰীৰ পানীৰে চেনেহী-চিন্তাৰ-পুখুৰী ভৰিল, আৰু সেই পাৰমাৰ্থিক পুখুৰী শুকাই সাংসাৰিক পুখুৰী চপ্‌চপীয়া হ'ল। সন্ন্যাসীৰ মনৰ ধৰণী ভাগিল, খুটা উভালিল, ভৰিৰ তলৰ বৰপীৰাৰ খুৰা ভাগিল। বাবাজী ভগবান দাস, কাকিনি তামোল গছৰ আগৰ পৰা তামোল চোবে পাৰি তললৈ পেলাই দিয়া পকা তামোলৰ থোকা পৰা দি তলত পৰিল। গুৱালৰ জীয়াৰী গুৱালনী "চেনেহী মোৰ জপৰ মলা অতি যতনৰ ধন। চেনেহী বিনে আৰু কোনো নাই বাবাজী শ্ৰীচৰণ॥" হ'ল। দেখোঁতে দেখোঁতেই মোৰ বহুকলীয়া শুকান সুঁতিত এদিন কৰবাৰ পৰা বৰ ঢল আহি চেনেহীৰ যৌৱন-সৰ্ব্বস্বৰ ভৰাৰে ভৰপুৰ নাও কাচি চিঙ্গি উটাই লৈ গুচি গল। লাহে লাহে মোৰ গতি-গোত্ৰ চলন-ফুৰণ আচাৰ ব্যৱহাৰৰ পৰিবৰ্ত্তন ঘটিল, আৰু সি লোকৰ চকুত পৰিবলৈ সৰহ দিন নেলাগিল। চেনেহীৰে সৈতে মোৰ অবৈধ প্ৰণয়ৰ কথা প্ৰথমতে লোকে বী-বী-বা-বা কৰিবলৈ ধৰিলে, তাৰ পাচত মুখ ফুটাই কবলৈ ধৰিলে। গতি বিষম দেখি, চেনেহীৰ ককায়েকে চেনেহীক মোৰ ওচৰলৈ আহিবলৈ হাক দিলে, তাইৰ অহা বন্ধ হ'ল। মই অধৈৰ্য্য হৈ পৰিলোঁ। বিচ্ছেদ যন্ত্ৰণাত মই চট্‌ফট্ কৰিবলৈ ধৰিলোঁ। শেহত মোৰ অসহ্য হৈ উঠিলত এদিন এখোজ দোখোজকৈ চেনেহীৰ ঘৰ ওলালোঁগৈ। তাইক তাই মোৰ কাষলৈ নহাৰ কথা সুধিলোঁ। তাই কলে 'ককায়ে হাক দিছে।' মই কলো, 'ককায়েৰৰ হাক নুশুনিবি।' তাই উত্তৰ দিলে 'নুশুনি নোৱাৰোঁ, গাৱঁৰ মানুহে আমাক বেয়া বুলিছে। তেওঁলোকে আমাক এঘৰীয়া কৰিব খুজিছে। আকৌ তোমাৰ গুৰিলৈ গলে ককায়ে মোক ছোৰা-ছোৱাকৈ কাটিব বুলি কৈছে।' এই কথা শুনি মই থঙ্গত বলিয়া হলোঁ; মোৰ হিতাহিত জ্ঞান শূণ্য হ'ল। দৈৱ দুৰ্ব্বিপাকত এনে সময়তে চেনেহীৰ ককায়েক পথাৰৰ পৰা তাত ওলালহি। সোধ-পোছ নাই, সিহঁতৰ

চোতালত মেলি দিয়া ডোখোৰো খৰিৰ এডাল মই তুলি লৈ তাবে তাৰ মূৰত এমাৰ লগাই দিলোঁ। একে মাৰতে তাৰ মূৰটো ফাটিল, আৰু সি মাটিত ধুপুৰ কৰে পৰি মৰি থাকিল।

"সেই অপৰাধতে, দেউতা মোৰ এই দুৰ্দ্দশা! পাঁচ বছৰ কঠোৰ পৰিশ্ৰমেৰে সৈতে মই ফাটক খাটিবৰ হুকুম হ'ল। তাৰে তিনি বছৰ উকলিছে, আৰু দুবছৰ আছে। দেউতাই যেতিয়া গীতাৰ সেই শ্লোকটো পঢ়িছিল, তাৰ মানেটো সম্পূৰ্ণৰূপে মোৰ গাত খাটিছিল দেখি মোৰ কান্দোন ওলাই গল। মই ধৰ্ম্ম আৰু ঈশ্বৰ চিন্তা এৰি এখোজ দোখোজকৈ বিষয় চিন্তাত আগবাঢ়ি শেহত বিষয়ত মোৰ সম্পূৰ্ণ আসক্তি জন্মিল। আসক্তিৰ পৰা মোৰ মনত কামনা অৰ্থাৎ ইন্দ্ৰিয় চৰিতাৰ্থৰ বাসনা আহিল আৰু তাৰ ব্যাঘাতত ক্ৰোধৰ উদ্ৰেক হ'ল, ক্ৰোধৰ পৰা মোহ অৰ্থাৎ হিতাহিত জ্ঞান শূণ্যতা, আৰু মোহৰ পৰা স্মৃতি-বিভ্ৰম অৰ্থাৎ স্মৃতিভ্ৰংশ হ'ল আৰু স্মতিভ্ৰংশ হোৱাৰ বাবে বুদ্ধিনাশ ঘটিল, আৰু তাৰ ফলত মই নৰহত্যা পাতকত পৰিলোঁ, মোৰ সকলো ভ্ৰষ্ট হ'ল।"

কয়েদীটোৰ এই বৃত্তান্ত শুনি মই অলপমান বেলি টভক মাৰি থাকি, লাহেকৈ পুথিখন সামৰি থলোঁ। তাক আৰু তাৰ লগৰীয়া কুলী কেইটাক তেতিয়াই সিহঁতৰ গোটেই দিনৰ হাজিৰাৰ ধন দিবলৈ গাত লৈ বিদায় দিলোঁ।

# ফিৰিঙ্গীতিৰ পৰা খাণ্ডৱ দাহ

"আইটী শয়নি অ! মাবক ক, আজি আঞ্জাত লোণ দিবলৈ পাহৰিলে। ভাত এগাল খাবলৈ আহিলে সদাই এনেবিলাক আহুকাল। ক, সানি খাবলৈকে অলপ লোণ লৈ আহিলে ভাল।" হাকিম ডিম্বধৰ বৰুৱা মুনচুপে পুৰা দহ বজাত ভাতৰ পাতত বহি এগৰাহ ভাত মুখত দি এই কথা কোৱা মাত্ৰকে, বাৰৰ সিফালে আখলৰ চৰুৰ কাষৰ পৰা হাকিমণী মুনচুপনীয়ে ঠেহেৰ কৰে মাত লগালে; —"আমি ৰান্ধিলে আঞ্জাত লোণ নহয়, ভাত আধা-ফুটা হয়, মাছ কেচাই থাকে, কিবা বোলেনে ঢেৰুৱাৰ ঠাবি নিসিজে। ৰান্ধনি বামুণ নাইবা 'খানচামা' নেৰাখে বা কিয়? সিহঁতে ৰান্ধি দিলেই দেখোন জুতি ধৰি খাব পাৰে; আৰু কিবা বোলেনে গোলামী জনীয়েও 'ছুটি' পায়।"

হাকিম। —"উস! এইটো ভয়ংকৰ কথা দেখিছোঁ যে, আঞ্জাত লোণ নহলে নাই হোৱা বুলি কব নেপায়; ভাত দেই গলে বা শুকাই কৰ্কৰা হলে দেই গ'ল বা কৰ্কৰা হ'ল বুলি কব নেপায়; গাখীৰ কুৰুচিলে কুৰুচি গল বুলি কব নেপায়, লৰা-ছোৱালীক কন্দুৱালে কিয় কন্দুয়াইছ বুলি সুধিব নেপায়! এনে কথা কত আছে, কত দেখিছা! মোৰ ঘৰত মই কোনো নহওঁনে? এইখন ঘৰৰ গৰাকী কোন? এইখন মান-মৰাণৰ মলুক হল নে কি?"

হাকিমনী। —"এৰা এইখন মান মৰাণৰ মলুক হল; মই মাননী মৰাননী হলোঁ! মই আজিৰ পৰা ভাত ৰান্ধিব নোৱাৰো, নেৰান্ধো, সকলোকে কৈ দিলোঁ। আজিৰ পৰা কোনে মোৰ হতুৱাই ভাত ৰন্ধাই খায়, তাকো

দেখিম। বোলোঁ দেখিম, দেখিম, দেখিম! বোৱাৰীয়েকহ'তে এগাল ৰান্ধি ভৰিৰে গৰাই দিলে তেতিয়া সকলোৰে হে'পাহ পলুৱাই খাব।"

হাকিম। —"কি কলি পাষণ্ডী! পাপিষ্ঠী তোৰ ইমান মুখ বাঢ়ি গৈছে!" এই বুলি ডিম্বধৰ বৰুৱা মুনচুপ ডাঙৰীয়া হাকিমে কাঁহীৰ ভাত কাঁহীতে এৰি, চুৱা হাতেৰেই ঘৈণীয়েক মুনচুপনী হাকিমনীক ভালকৈ এখন্দা দিবলৈ গোণা মহে চোঁচা লোৱাদি চোঁচা ললে। পুতেক শুলধৰ তৌজিনবিচ ডেকাবৰুৱায়ো বাপেকৰ ওচৰতে বহি, পেট নামে, ভূ ভাৰতত জনম লোৱা সেই নিজা ছালৰ মোনাত একান্তমনে গৰাহে গৰাহে ভাত খাজি আছিল। কিন্তু কথা বিসঙ্গতি হ'ল যেন দেখি তেওঁ একেচাবেই উঠি বাপেকৰ ভৰিত সাবট মাৰি ধৰিলে; আৰু ডাঙৰীয়াৰো মস্তি-চৰা মখনা হাতীয়ে উচাল মাৰি ভৰিৰ বান্দা চিঙ্গাদি পুতেকৰ সেই হাতৰ বান্ধ চিঙ্গি যাব খোজোঁতেই মাটিত গুৰি-কঠালটো পৰাদি হামকুৰিখাই পৰিল; আৰু তাৰ ফলস্বৰূপে তেওঁৰ মুখৰ চিক্‌চিকীয়া আগদাঁত এটা চিৰকাললৈ ভাগি থাকিল! তাৰ উপৰিও ঘি'উ চেনি ভিতৰলৈ সুমুৱা আৰু তিতা মাত বাহিৰলৈ উলিউৱা তেওঁৰ বহুমূলীয়া ওঠখন কাটি তাৰপৰা বোম্বানলে তেজ ববলৈ ধৰিলে। ডাঙৰীয়া মূচকছ গল! ক্ষন্তেকতে ঘটনাটো গৈ গুৰুতৰ হ'ল দেখি চাৰিওফালৰ পৰা লগুৱা-লিকচৌ টেকেলা-বেঙেনা য'ত যি আছিল আটাইবোৰ লৰি আহি ডাঙৰীয়াক তুলি ধৰি বহুৱাই তেওঁৰ মূৰত তেল পানী দি বিছিবলৈ লাগি গল। ডাঙৰীয়ানীয়েও কি কৰোঁতে কি হল দেখি, আখাৰ আৰু খঙৰ আঙঠাবোৰত হুৰহুৰকৰে পানী ঢালি দি, "অ, মোৰ ভৈয়াইৰ কি হল ঔ! মোৰ ভৈয়াইক হাততে হেৰুৱালোঁ নে কি ঔ!" বুলি বাউচি মাৰি দি উধাতুখাই লৰি আহিল।

কিছুমান বেলিৰ মূৰত ডাঙৰীয়া সুস্থ হল। ঘৰত মুনচুপ ডাঙৰীয়া আৰু বনত দাঁত ভগা ফেটীসাপ এই দুইৰো মাজত কি কি বিষয়ত মিল আৰু কি কি বিষয়ত অমিল, সেই কথাৰ বিচাৰ কৰিবলৈ ডাঙৰীয়াই শত্ৰুক সুবিধা দি, লাহে লাহে চেচাঁ পানীৰে নিজৰ মুখ ধুই, ভগা দাঁতৰ গুৰিৰ আৰু কটা ওঁঠৰ আগৰ তেজ বখাই কছাৰীলৈ যাবলৈ ওলাল। ওলাল মানে গলেই বুলিব লাগে; কাৰণ, বেলি দুপৰীয়া হৈ গৈছিল দেখি খৰখৰকৈ তেওঁ যাবলৈ বাধ্য হৈছিল, মাথোন বাটত হঠাৎ ডাঙৰীয়াৰ আগত পৰি,

তুৰাই তৰণিয়ে ভাবিত বুট জোতাৰে সৈতে ডাঙৰীয়াক "চেলাম" কৰাত, তুৰাইক "কুকুৰৰ পো কটা" বুলি ডাঙৰীয়াই গালি পাৰি এখুন্দা দিব খোজাত হে যি অলপ অচৰপ পলম হৈছিল। সি যি হওক, ধুমুহা বতাহৰ কোবত ডাৱৰ উৰি যোৱাৰ পিছত বদ বেঙোৱাৰ দৰে সেই দিনাৰ দুৰ্যোগ কাটি গল। হাকিম ডাঙৰীয়া "এজলাচত" বহিল আৰু তেওঁৰ মুখত সুখৰ ৰেঙণি ওলাল। কিন্তু দুৰ্ঘোৰ বাৰিষা কালত বেঙোৱা বদ ক্ষন্তেকীয়া হোৱাৰ দৰে সেই ৰেঙণিও ক্ষন্তেক থাকি মাৰ গল। হাকিমে কাপ লৈ কিবা কাকত এখন চহি কৰোঁতে দেখিলে যে, কাপৰ মুখখন কাকতত চেৰ্চেৰাই গৈছে। হাকিমে সেই চেৰ্চেৰণিটো কাকতে কাপৰ ওপৰত কৰা গোচৰ বুলি ধৰি লৈ তৎক্ষণাত কাপৰ "জবানবন্দী" লৈ "চুমাৰি" বিচাৰ কৰি কাপটোক কলীয়াপানীলৈ পঠিয়ালে, আৰু কাপ আচামীৰ সহায়ক বুলি ৰামগোলাম দপ্তৰীক ৫্ টকা জৰিমনা কৰিলে। বাৰ বাজি পোন্ধৰ মিনিট হৈ গল, তেতিয়াও মিনাৰাম পেচকাৰে মকৰ্দ্দমাৰ নথিবোৰ হাকিমৰ আগত দিয়াহি নাই। মিনাৰামৰ কামত বৰ "গাফিলী" বুলি হাকিমে তেওঁক এমাহৰ দৰমহা জৰিমনা কৰিলে।

ইয়াৰ পিচত এটা ছোৱালী চুৰি মকৰ্দ্দমাৰ নথি হাকিমৰ হাতত পৰিল; আৰু "আচামী ফৰিয়াদীৰ ফোকাৰ হল।" ফৰ্চাচিং কনিষ্টবলে ভুলকৈ "ফোকাৰিলে" "জয়ৰাম কলিতা আচামী হাজিৰ !" পেচকাৰে লাহেকৈ ফৰ্চাচিঙক ক'লে, "জয়ৰাম কলিতা নহয়, জিৎৰাম কলিতাহে।" ফৰ্চাচিঙৰ দুৰ্ভাগ্যৰ গুণে লাহেকৈ কোৱা কথাষাৰো হাকিমৰ কাণলৈ গল! হাকিমে তেতিয়াই ধৰি ফৰ্চাচিঙক "চচপেণ্ড" কৰি থলে। মকৰ্দ্দমাত জিৎৰাম দোষী প্ৰমাণ নাই হোৱা বুলি জিৎৰামৰ পক্ষৰ উকিল বিদ্যাৰাম শইকীয়াই কৈ দীঘলকৈ বক্তৃতা মেলিব খোজোতেই উকিলক "চুপৰও" বুলি হাকিমে ভেকাহি মাৰি দি জিৎৰামক তিনি মাহলৈ ফাটকত দিবলৈ হুকুম দিলে। বিদ্যা উকিলে আকৌ কিবা কব খোজাত "আদালত অৱমাননা" বুলি হাকিমে উকিলক কুৰি টকা জৰিমনা কৰি সেই গোচৰৰ সেই খিনিতে সামৰণি ঘেটা মাৰিলে।

কু-গ্ৰহে পোৱা হাকিমৰ কথা আমি এই খিনিতে এৰি দুৰ্ভগীয়া পেচকাৰৰ কথা কওঁ। গধূলি বেলিকা পেচকাৰে এৰোকোচা মনৰ দুখ কছাৰীঘৰৰ পৰা ভাৰ বৈ ঘৰলৈ আনি, তেওঁক হাত মুখ ধুবলৈ পানী এলোটা দিয়াত নাগ

মাত্র পলম হোৱাত, আৰু তাৰ পিচত ধঁপাত এচিলিম লগাই দিবলৈকো তেনে হোৱাত, লগুৱা লৰাটোক ঠলামুৰীয়াই দিলে। অন্যায় দেখি, আৰু গিৰিয়েকৰ সেইদিনাৰ মানসিক অৱস্থাৰ বিষয়ে একো সন্দেহ নেজানি, পেচকাৰণীয়ে লগুৱাটোৰ হৈ একেষাৰ মতাত, পেচকাৰে পেচকাৰণীৰে সৈতে ঢেঁকী ঠোৱা এটাৰ নতুন বিধৰ চিনাকি কৰি দিব খোজোঁতেই ঢেঁৰৱী পেচকাৰণীয়ে লৰ মাৰি কলাবাৰীত সোমাই নিজৰ প্ৰাণ আৰু নীতি-শাস্ত্ৰৰ মান ৰক্ষা কৰিলে। কিন্তু অৰসিক লগুৱাটোৱে পেচকাৰ ডাঙৰীয়াৰ লপা-থপা কিল কেইটাক গুৰুলা গুৰুল কিলৰ শাৰীত পেলাই তেঁতিয়াই নিজৰ নামুলকটু কেই-ডাল লৈ পেচকাৰক ঘৰতে এৰি থৈ গুচি গল; লাভৰ ভিতৰত লগুৱাৰ অভাৱত পেচকাৰণীয়ে এমাহলৈ চুৰা ধুৰ লগীয়াত পৰিল; আৰু পেচকাৰে স্বহস্তে তিয়ণী চেপা, ধঁপাত লগোৱা আদি কাম নথিৰে সৈতে সমানে পেচ কৰিব লগীয়া হ'ল।

ফৰ্চাচিং কনিষ্টবলে সচাঁসঁচিকৈয়ে "চচপেণ্ড" হৈ ছাপৰাচ পাগুৰি শোধাই দি মনৰ দুখত মদৰ দোকানত সোমাই ঢেঁটুলৈকে এটেটুকৈ মদ খাই মতলীয়া হৈ তাতে আৰু এটা মতলীয়া মানুহেৰে সৈতে প্ৰথমতে কোলাকুলি দ্বিতীয়তে গলিয়াগলি তাৰ পিচত মৰামাৰি আৰু শেহত মুৰ ফলাফলি কৰি আস্পতাল পালেগৈ আৰু দণ্ডবিধি আইনৰ ৩৫২ ধাৰা মতে তাৰ ওপৰত গোচৰ "ৰিজু" হল।

তুৰাই তৰণিৰ ছোৱা শুনিলে গাৰ তৰণি হেৰাবৰ কথা। ৰাজআলিত বাটৰুৱা মানুহৰ আগত ওপৰত কৈ অহাৰ দৰে তেওঁ অপমান আৰু লাজ পাই ক্ৰোধত জৰ্জৰিত হৈ মুনচুপ ডাঙৰীয়াৰ নামে হুৰমতৰ দাবিৰে গোচৰ কৰিবলৈ বাবে-বঙলুৱা ভাষাত আৰ্জ্জি এখন লিখি লৈ তেওঁৰ গৰাকী উকিল ৱাহিৰাম শৰ্ম্মাক দেখুৱালে। ঘটনা গুৰুতৰৰ ফালে অহা দেখি উকিলে তুৰাইক তপত-চেঁচা অনেক বিধৰ কথাৰে সেঁকি-পুটকি শান্ত কৰি কোনো মতেহে সেই আৰ্জ্জিখন দাখিল নকৰাকৈ ৰাখিলে। কিন্তু, কৰ্কলিৰ কোৰ নেপাহৰা সাপৰ দৰে তুৰায়ে সেই অপমানৰ কোৰ নেপাহৰি, দুদিনৰ পিচতে ধৰ্ম্মাৱতাৰ হাকি-মৰ গাত ভেটি-খোৱা অপবাদ দি, চীফকমিচনৰ চাহাবলৈ বেনামীকৈ চিঠি এখন লিখি পঠিয়াই অ'তাই হে কোনোমতে চেঁচা পৰিল।

দুখীয়া ৰামগোলাম দপ্তৰীয়ে অলপ "কচুবতে" পাঁচ টকা জৰিমনা ভৰি, দুখৰ ভাৰ মনত লৈ ঘৰ পাই, ঘৈণীয়েকে তিনি বছৰৰ আগেয়ে কৰা পুৰণি জগৰ এটা সুঁৱৰি, তাৰ বাবে তাইক এখন্দা দি চতাই বেহেৰাৰ ঘৰ ওলালগৈ। চতায়ে ছমাহৰ আগেয়ে ৰামগোলামৰ পৰা টকাত চাৰি পইচা বাঢ়িত ছটকা ৰূপ ধাৰে নিছিল। ৰামগোলামে তাৰ ককাঁলৰ গাঁঠিত কম পৰা ৰূপ ছটকা ছপাই আনিবলৈ গৈছিল। "এতিয়া মোৰ হাতত ৰূপ নাই, দিব নোৱাৰো, পিচত দিম" বুলি চতায়ে কোৱাত, কমাৰৰ হাতুৰিৰ মুখৰ পৰা ফিৰিঙতি ওফৰাদি ৰামগোলামৰ খঙৰ ফিৰিঙতি উফৰি যাবলৈ ধৰিলে। ক্ষন্তেকতে দুয়ো গলিয়াগলি আৰু তাৰ পিচত হতাহতি লগালে। তাৰ পিচত, বেহেৰাৰ ঘৈণীয়েক বেহেৰাণীয়ে বাঢ়নি হাতত লৈ সেই ভাৰনাত প্ৰৱেশ কৰি ৰাম-গোলামক খুঁচি দিলত বেহেৰা চতায়ে ঘৈণীয়েকৰ সোঁশৰীৰে সম্পূৰ্ণ সহানু-ভূতি আৰু সহায় লভি পৰম উৎসাহিত হৈ বপুৰা ৰামগোলামক গতাৰে সোধ-পোছ কৰি আগবঢ়াই থৈ আহি সেই ক্ষুদ্ৰ অথচ গপ্‌গপীয়া ভাৰনাৰ ওৰ পেলালে। ৰামগোলামে কিন্তু চতাই-চতায়নীৰ নামে পিছ দিনা কছাৰীত "মাৰপিটৰ" গোচৰ নকৰাকৈ নেৰিলে। এই খিনিতে কবলৈ পাহৰিছোঁ যে, চতাই-চতায়ণীয়ে ৰামগোলামক মাৰ-ধৰ কৰাত "কি অন্যায় কথা, চতাই কাই ! তহঁতে মানুহটোক কিয় অনাহকতে মাৰিছহঁক" বুলি ওচৰ চুবুৰীয়া পিথু শইকীয়াই মাত লগোৱাত, চতায়ণীয়ে পিথুক তাৰ সাতপুৰুষ উকতি গালি পাৰি দিলে, আৰু তাৰ ফল স্বৰূপে পিথুৰ মাকৰ মাহীয়েকৰ মোমায়েকৰ জীয়েকক চতাইৰ পুতেকৰে সৈতে বিয়া দিবলৈ খোজা বঢ়া বিয়াখন ভাগি থাকিল !

বিদ্যাৰাম উকিলৰ কীৰ্তি ফেৰাও এইখিনিতে কৈ, এই বেগেতীয়া সাধুৰ ওৰ পেলাব খোজোঁ। তেওঁ বিয়া কৰোৱা ছোৱালীৰ, পোন্ধৰ দিনৰ আগেয়ে নোৱাই-তোলনি বিয়া হৈ গৈছিল। মনত বেজাইৰে তেওঁ সেই দিনা ঘৰলৈ আহি শহুৰেকলৈ ৰাতিয়েই চিঠি লিখি পঠিয়ালে যে "মোৰ মক্কেলৰ কথা মতে মই অমুকা শহুৰেকলৈ এই জাননী দি জনালোঁ যে, অহা সপ্তাহৰ ভিতৰতে দিন বাৰ চাই তেওঁৰ জীয়েকক মোৰ মক্কেলৰ সৈতে শান্তি দিব লাগিব, নতুবা মোৰ মক্কেলে সেই ছোৱালীৰ স্বত্ব পৰিত্যাগ কৰিব আৰু শহুৰেকৰ নামে দেৱানী কাৰ্য্যবিধি আইনমতে ক্ষতিপুৰণৰ দাবী কৰি গোচৰ কৰিব।" শহু-

ৰেকে জোৱাঁয়েকৰ এই অদ্ভুত উকিলী চিঠি পাই বিমোৰ হৈ উত্তৰ পঠিয়ালে, "বোপা, তোমাৰ গা কেনে আছে এই পত্ৰবাহকৰ মাৰ্ফত জানিব দিবা মই বৰ চিন্তিত হৈ আছোঁ। বিশেষ মোৰ পক্ষে ইমান লৰালৰিকৈ শান্তি দিবলৈ দিহা কৰি উঠা একেবাৰেই অসম্ভৱ। মই অকলশৰীয়া মানুহ তুমি দেখোন জানায়েই। অৱশ্যে এমাহমানৰ মূৰত মই ছোৱালী শান্তি দিবলৈ যথাসাধ্য চেষ্টা কৰিম। সম্প্ৰতি মই বৰ চিন্তিত হৈছোঁ; তোমাৰ গা কেনে আছে জানিবলৈ দিবা। যদি হে গা ভাল নহয়, তেন্তে মই বেজবৰুৱাক লগত লৈ এতিয়াই তোমাৰ তালৈ যাম।"

জোৱাই বোপাই শহুৰেকৰ উত্তৰ পাই ঘৃতাহুতি হৈ উঠিল। তেওঁৰ মূৰৰ তালুত খঙে ইমান উপদ্ৰৱ লগালে যে, তেওঁক দেখোতাৰ মনত খেলাবলৈ ধৰিলে যেন তেওঁৰ খং জুইত চুলিবিলাক পুৰি থোপাথোপে কুকুহা উৰি যাব লাগিছে। তৎক্ষণাৎ তেওঁ আকৌ এখন চিঠি তৌতিয়াই শহুৰেকলৈ লিখি পঠিয়ালে যে, যদি অহা সপ্তাহত শহুৰেকে ছোৱালী শান্তি নিদিয়ে, তেন্তে তেওঁৰ মক্কেলে, অৰ্থাৎ তেৱেঁই নিশ্চয় নিশ্চয় সেই ছোৱালী পৰিত্যাগ কৰিব। আৰু যদিহে শহুৰেকে পইচাৰ অভাৱত জীয়েকক শান্তি দিবলৈ পিচ হুহকিছে তেন্তে তেওঁ জীয়েকক এনেই পঠিয়াই দিব পাৰে। শহুৰেকে সেই চিঠি পাই কান্দিকাটি পিচ দিনা জীয়েকক দোলা এখনত তুলি লগত ওচৰ চুবুৰীয়া তিৰুতা মানুহ এজনী দি, লোটা বাটি কাঁহী কলহ গোটাচেৰেকে সৈতে জোৱায়েকৰ ঘৰলৈ পঠিয়াই দিলে; আৰু সেই দিনাই তেওঁৰ ভাত চৰুটো পেলাই দি সকলোকে কৈ দিলে যে তেওঁৰ জীয়েক-জোৱায়েক জহনিত গল!

———

## নিস্তাৰিণী দেৱী বা ফাতেমা বিবী

দেওবাৰ, দুপৰীয়া। পৰক আপোনাৰ কৰি, অৰ্থাৎ পানীৰ মাছ, পথাৰৰ ভাত, বাৰীৰ শাক পাচলি, বজাৰৰ লোণ তেলক অন্তৰঙ্গ বন্ধু কৰি লৈ, অৰ্থাৎ পোনাই কুৰলৈ গলে, ওপৰত কোৱা বস্তুবোৰ দকচি এপেটকৈ খাই উঠি, "ইজিচেয়াৰ" বা "আৰামচকি' এখনৰ ওপৰত পূৰ্ণ বিশ্বাস স্থাপন কৰি সম্পূৰ্ণৰূপে ভৰ দি, নিজৰ হাত ভৰি মূৰেৰে সপৰিবাৰ শৰীৰটো তাত থাপি, বনৰীয়া উতনুৱা ছটা বাৰৰ লগৰীয়া ঘৰচীয়া জাতি দেওবাৰটোক নথৈ শলাগি, আদাখিনি মেলা আদাখিনি জপোৱা চকুৰে দেহাৰূপী বৰঘৰটো আন্ধাৰ পোহৰ কৰি থাকি, নলিচা লগোৱা গুৰগুৰিটোৰে সৈতে টোবোক-টোবোক ভাষাত অতীত কালৰ পাহৰা কথা সুঁৱৰি সুঁৱৰি পাতি আছোঁ। এনেতে মোৰ পকীঘৰৰ ছালৰ ওপৰত গিৰিং কৰে কিবা এটা পৰা শব্দ শুনিলোঁ। মোৰ বৈ থকা সুখ-নৈৰ সোঁতটোৱে ততালিকে ওভতনি পাক ললে, আৰু মই উঠি গৈ দেখিলোঁ যে, পকীঘৰৰ ছালৰ ওপৰত কাম কৰা ৰাজ-মিস্ত্ৰিবোৰক ইটা যোগোৱা কুলিয়নী এজনী, তাই মূৰত লৈ যোৱা এপাচি ইটাৰে সৈতে, ছালৰ ওপৰত হঠাতে পিছলি পৰি মূছ-কছ গৈছে। লৰা-লৰিকৈ পানী আনি তাইৰ মূৰত দিবলৈ দিহা নকৰি মিস্ত্ৰী কেইটাই অবাক হৈ ভোজ-খোৱা শিয়ালৰ দৰে চাই আছে। 'হেৰ বাঘে খোৱা গৰুহঁত। তহঁতে কি কৰিছ ?" বুলি মই সিহঁতক গালি পাৰি লৰা-লৰিকৈ পানী অনাই মানুহজনীৰ মূৰত থাপিয়াই দিয়ালো। অলপমান বেলিৰ পিচত তাইৰ ধাতু আহিল। তাৰ পিচত দাং দোলাকৈ তাইক ধৰাই লাহে-লাহে তললৈ অনালোঁ। এপাচি ইটাৰে সৈতে পৰি তাই বৰ টান পোৱা বাবে তাইৰ তেনে হৈছিল। মানুহজনী গা-ভাৰী

আছিল। তাই তেনেকুৱা অৱস্থাত কিয় ইমান দুখৰ কাম কৰিবলৈ আহিছে বুলি তাইক সোধাত তাই কবলৈ ধৰিলে।

"হজুৰ! মোৰ দুখৰ কথা কি কম, কলে ওৰ নপৰে। কপালৰ লিখন কোনেও খণ্ডাব নোৱাৰে। আল্লাৰ মৰ্জি। আল্লাই মোক সৰুতে আই বোপাই-ককাই ভাই বন্ধু-বান্ধৱ ঘৰ-বাৰী সকলোৰে পৰা বঞ্চিত কৰিলে; বঞ্চিত কৰিলে মানে কিজানি হজুৰে ভাবিছে, তেওঁলোক মৰি-হাজি ঢুকাল। সি নহয়; মই হে তেওঁলোকৰ মানত মৰি-হাজি ঢুকালো। কেনেকৈ তেনে হল, মই কওঁ শুনক।—

"আমাৰ ঘৰ বৰ্দ্ধমান জিলাৰ বামুণ গাৱঁত। আই বোপাই ককাই ভাই ধন ধান্যৰে আমাৰ ঘৰ জয়-জয় ময়-ময় আছিল। গাৱঁৰ ভিতৰত মোৰ বোপাই সকলো বিষয়তে বৰমুৰীয়া আছিল। কিন্তু তেওঁৰ স্বভাৱটো অতি উগ্র আছিল দেখি গাৱঁৰ ভিতৰৰ সৰহখিনি মানুহে তেওঁক ভাল নেপাইছিল। আমাৰ ঘৰ মানুহ ধন বিতেৰে চহকী দেখি আমাৰ দুখীয়া বঙহ-পৰিয়াল বিলাকেও আমাৰ শ্রী সহিব নোৱাৰি সদাই আমাক খিয়াল কৰিছিল। পিতাদেৱে কাৰো ওচৰত সৈমান হৈ নচলি কাকো গ্রাহ্য নকৰি লোকৰ মনৰ সেই ভাবটো আৰু দ কৰি দিছিল।

"আমাৰ গাৱঁৰ ওচৰত ঘৰচেৰেক মছলমান মানুহ আছিল। আমাৰ পথাৰৰ খেতি-বাতি আদি কামত আৰু ধুপ-বান বাঢ়িলৈ ধাৱে নিয়া আদি বিষয়ত সততে সিহঁতে আমাৰ ঘৰ মানুহক উপাসা-ভৰসা কৰি চলিছিল। মোৰ এতিয়াও ভালকৈ মনত পৰে; মই তেতিয়া সাত বছৰীয়া ছোৱালী। এদিন মই আমাৰ ওচৰ চুবুৰীয়া সমনীয়া ছোৱালী জনীচেৰেক সৈতে কাকো নোকোৱাকৈ মনে মনে মছলমান এঘৰত ঈদ চাবলৈ গৈছিলো। আমাক দেখি সেই ঘৰৰ তিৰুতা বিলাকে সন্তোষ পাই আস্ত-ব্যস্ত কৰি বহুৱালে, আৰু "চিমাইৰ পায়স" খাবলৈ দিলে। ছোৱালী মানুহ আমি আগ গুৰি ভাল-বেয়া একো নুগুনি পেট ভৰাই পায়স খাই বৰ বঙেৰে ঈদ চাই গধূলি ঘৰলৈ উভতি আহিলো। পিতাদেৱৰ অনেক শত্রু; তাৰে ভিতৰৰ কোনোবাই সেই কথা গম পাই, লৰা-লৰিকৈ আহি গাৱঁত বাষ্ট্র কৰি দিলে যে অমুকৰ জীয়েক নিস্তাৰিণীয়ে মছলমানৰ ঘৰত পায়স খাই আহিছে। লগৰীয়া আন কেইজনী

ছোৱালীৰ নামকে নোলাল, অকল নিস্তাৰিণীৰহে নামটো ওলাল। এই বাতৰি পিতাদেৱৰ কাণত পৰিলত তেওঁৰ মূৰত আকাশী-চৰগ ভাগি পৰিল। লোকৰ দোষ খুচৰি ফুৰা তেওঁৰ, লোকৰ ওপৰত কথায় কথায় বৰমতা ওলোৱা তেওঁৰ গৰ্ব্বটো গোটেই গাৱঁৰ মানুহে ধৰি খৰ্ব্ব কৰি পেলালে। তেওঁৰ জাত গ'ল বুলি তেওঁক এঘৰীয়া কৰিবলৈ সকলোৱে ভয় দেখুৱালে। লাজ অপমান আৰু খঙত তেওঁ মৰ্ম্মান্তিক হৈ সোণৰ সোলেং যেন সাত বছৰ বয়সীয়া জীয়েকক, যতে মৰে ততে মৰকগৈ বুলি ঘৰৰ পৰা উলিয়াই দিলে। আই কান্দি-কাটি বিৰুধি হল। পিতাদেৱৰ মূৰ্ত্তি দেখি চুৰ্ত্তি হেৰাই কি কৰিম কলৈ যাম কত লুকাম ভাবি মই বিৰুধি হলোঁ। মই আশ্ৰয় বিচাৰি চিনাকি মানুহ যাৰে ঘৰলৈ গলো, সিয়েই মোক ছেই ছেই কৰি খেদাই দিলে। অন্তত মই বিৰুধি হৈ লাহে লাহে সেই মছলমান ঘৰত ওলালোঁগৈ। সিহঁতে মোৰ সকলো কথা শুনি মোক আতো-পুতো কৰি সিহঁতৰ ঘৰতে ৰাখিলে; ময়ো কি কৰিম একোকে ভাবি নেপাই তাতে থাকিলোঁ। নেদেখাজনৰ ইচ্ছাত অমুকা বামুণৰ জীয়েক নিৰাশ্ৰয়া নিস্তাৰিণী নবু মিঞা মছলমানৰ ঘৰত আশ্ৰয় পাই মছলমান হল।

লাহে লাহে মই নবুমিঞাৰ জীয়েকৰ পদ পালো! বিপদৰ কালত নবু মিঞা মিঞানীয়ে মোক সাৰ্বতি ধৰিলে, মোৰো ছোৱালী মন সকলো দুখ বেজাৰ পাহৰি নতুন অৱস্থাৰে সৈতে মই মিলি গলোঁ। বোপাইৰ মনত পায়স-ফেটীসাপে মোক খুটি মাৰিলে, আইয়েও বোপাই আৰু লোকৰ ভয়ত মোৰ বিষয়ে সেই দৰেই কিছুমান দূৰ ভাবিলৈ বাধ্য হল। কিন্তু মাকৰ মন বৰ ডাঙৰ বস্তু হজুৰ, বাইজৰ ভয়েও সদাই তাক ভৰিৰ তলত ৰাখিব নোৱাৰে। আইয়ে লুকাই-চুৰকৈ জীয়েকলৈ টোপোলাটো বস্তুখন বেহানিখন নপঠিওৱাকৈ আৰু জীয়েকৰ বাতৰি নোলোৱাকৈ থাকিব নোৱাৰিছিল, কাৰণ পিতাদেৱে কৈছিল যে, মোক তেওঁ দেখিলে ছোৱা-ছোৱাকৈ কাটিব। কবলৈ পাহৰিছোঁ, মই নবুমিঞাৰ ঘৰত থকাৰ এবছৰৰ পিচত মোক মছলমান কৰি ফাতেমা বিবী নাম দিয়া হল। মোৰ পোন্ধৰ বছৰ বয়সত মিঞা মিঞানীয়ে মোক এজন মছলমান ডেকা লৰাৰে বিয়া দিলে। তেওঁৰ ফালৰ পৰা মোৰ এটা লৰা আৰু এজনী ছোৱালী হৈছিল। তিনি চাৰি মাহ মান হৈছে মাউৰত পৰি মোৰ গিৰিহঁত আৰু লৰা-ছোৱালী দুটি মৰিল। তেওঁ ডাক ঘৰত হৰকৰাৰ কাম কৰিছিল, আৰু একো ধন-বিত ৰাখি থৈ যাব নোৱাৰিলে। মই চাৰি মহীয়া গা-ভাৰী মানুহ। মোৰ খাবলৈ

ভাত নাই। পিন্ধিবলৈ কাপোৰ নাই, কোনো সহায় নাই, উপায় নাই। এই পৃথিবীত দুখ ভুগিবলৈ মোক আল্লাই জীয়াই থৈছে। মোৰ শৰীৰৰ এনে অৱস্থাত মই কুলিৰ কাম কৰি পেটৰ ভাত-কাপোৰ মোকোলাব লগীয়াত পৰিছোঁ। আজি যেতিয়া এপাচি ইটাৰে সৈতে হজুৰৰ ঘৰৰ ছালৰ ওপৰত পৰিছিলো, তেতিয়া ভাবিছিলোঁ যে খোদাই দুখুনীৰ ওপৰত কৃপা কৰিলে, মোক মাৰি নিব; কিন্তু লেলেতীয়া জীৱৰ ইমান সোনকালে দুখৰ ওৰ কিয় পৰিব, সেই দেখি নমৰিলোঁ।

"মোৰ বোপাই ঢুকাল, আই এতিয়াও আছে। বোপাই ঢুকুৰাৰ পিছত তেওঁৰ ধন-সম্পত্তি সকলোবোৰ কেনিবা উৰি গল আৰু আই বৰ দুখত পৰিল। মোৰ ককাইটোৱে খেতি-বাতি কৰি আইক আৰু নিজৰ লৰা-তিৰুতাক অতি কষ্টেৰে কোনো মতে পোহে। এতিয়া মই অৱশ্যে আইক চাবলৈ মাজে মাজে যাওঁ। কিন্তু তেওঁক পাইটো পইচাটো দি সহায় কৰিব নোৱাৰোঁ; কাৰণ তেনেহলে তেওঁৰ জাত যাব; তেওঁৰ হিন্দু বঙহ পৰিয়াল আৰু গাৱঁৰ মানুহে তেওঁক এঘৰীয়া কৰিব। মই দুই-চাৰি অনাকৈ গোটাই গোটাই মাহে মাহে এটকা দুটকাকৈ ৰূপ আইলৈ লুকাই পঠিয়াই দিওঁ, তাৰে তেওঁৰ লোণ তেলৰ খৰচ চলে। এই পৃথিবীত মোতকৈ দুখিত প্ৰাণী, হজুৰ, কোনো নাই। কিন্তু হজুৰ এটা কথা কওঁ আমাৰ দেশখন জাতেই খালে। জাত জাতকৈ ইটোৱে সিটোক ঘিণাই, হিন্দু-মছলমান বুলি এটা ধৰমৰ মানুহে আনটোক ছেই ছেই কৰি মিছাতে আমাৰ দেশখন "জহান্নামে" নিলে। আল্লাৰ আগত সকলো জাতৰ সকলো ধৰমৰ মানুহ সমান হজুৰ। ই-পুৰিত মই মোৰ আই-বোপাইক নেপালো, সি পুৰিত নিশ্চয় মোক খোদাই তেওঁলোকক দিব। দুখুনী ফাতেমাই এই কেষাৰ কথা কলে; নিশ্চয় নিশ্চয়, হজুৰ জানিব, ই ফলিয়াৰই ফলিয়াৰ।

---

# বাপিৰাম

## ১। আধ্যা।

তাহানি "বৰতি চাহাবৰ" দিনত জোঁকতলী মৌজাত সিধাই খাটনিয়াৰ বুলি এজন মানুহ আছিল। সেই কালত সিধাই খাটনিয়াৰক নজনা মানুহ ৰংপুৰ চহৰত নাছিল। দোল, দুৰ্গোৎসৱ, হৰিসেৱা আদি ধৰম-কৰমেৰে খাটনিয়াৰৰ ঘৰ উজনিত উজ্বল আছিল। পৰমেশ্বৰে তেওঁক সকলো সুখ সম্পদেৰে সুখীয়া কৰিও এটা বিষয়ত অতি অসুখীয়া কৰিছিল। অপুত্ৰক খাটনিয়াৰৰ অপেস্বৰীৰ নিচিনা একেটী ছোৱালী ফুলতে বাঁৰী ! কত আশা কত ভৰসা বুকুত বান্ধি লৈ তেওঁ তেওঁৰ চকুৰমণি ছোৱালীটিক ভাল মানুহৰ ঘৰৰ সজ লৰা এটিৰ সৈতে বিয়া দি. ঈশ্বৰৰ অনুগ্ৰহত নিশ্চিন্ত হলোঁ বুলি ভাবিছিল: কিন্তু বিধিৰ বিপৰীত বিধান বিয়াৰ পৰা এমাহ যাওঁতে-নোযাওঁতেই জোৱাই লৰাটি মাউৰত পৰি মৰি খাটনিয়াৰক আজলী ছোৱালীটিৰে সৈতে এক প্ৰকাৰ জীৱন্ততে মাৰি গল ! এই মহা শোকৰ অগণিত পুৰি-ডেই খাটনিয়াৰ আৰু ইহ সংসাৰত অধিক দিন টিকিব নোৱাৰিলে। জোঁৱাই যোৱাৰ ছমাহৰ পিচতে তেৱোঁ সেই মহাপ্ৰয়াণৰ বাটৰ বাটৰুৱা হল।

তিলকাৰ এতিয়া আৰু এই পৃথিবীত এক দদায়েক আৰু খুৰীয়েকৰ বাহিৰে কোনো নাই। তিলকা বোলোঁতে আমি খাটনিয়াৰৰ বাঁৰী ছোৱালীটিৰ নামকো কাঢ়িছোঁ; আৰু দদায়েক বোলোঁতে খাটনীয়াৰৰ স্বগভী ভায়েক ভূধৰৰ কথাকে কৈছোঁ। ভূধৰ সেই কালৰ এধাপোৱা এধাডেৱা ইংৰাজীৰ এধাডোখৰীয়া সোৱাদ পোৱা ডেকা। পৈতৃক স্বাধীন ব্যৱসায়তকৈ চাহ বাগিচাৰ চাহাবৰ তলত চাকৰী কৰাটো তেওঁৰ জীৱনৰ এটা মহা ওখ আশা। সেই কালত উজনিত, ইংৰাজ খেতিয়ক চাহাব সকলে নতুনকৈ চাহ বাগিচা বিলাক মহা ধুম ধামেৰে খুলি মুঠিয়ে মুঠিয়ে ধন সিঁচিছিল; আৰু

কাণ্ডখন দেখি-শুনি আমাৰ দেশৰ ভোদা মানুহবোৰ তধা লাগি গৈছিল। ডেকা তৰপৰ ডেকা তেজে, "বি-এল-এ-ব্লে" শিকা ডেকা সকলক ৰবমহৰীৰ বৰ সক কামৰ নিমিত্তে উদগণি ঢোল বজাই লকৰাইছিল-ধপৰাইছিল; বুঢ়া তৰপৰ চেচা তেজীয়া বুঢ়াসকলকো ডেকা সকলৰ গাৰ বতাহৰ কোবে থৰকবৰক নলগোৱাকৈ এৰা নাছিল। তেওঁলোকে ডেকা পুতেকহঁতৰ আশাৰূপী বৰৰ আঠাৰ বৰ মোণাত সোলামুখৰ সোলোক ঢোলোক ফু যতনেৰে দি তাক ফুলাই ডাঙৰ কৰি দিয়াত ক্ৰটী কৰা নাছিল। এনেস্হলত আমাৰ খাটনিয়াৰৰ ভায়েক ভূধৰে যে আসাম কোম্পানীৰ দীঘলিটিং চাহ বাগিচাৰ ৰবমহৰীৰ বৰ কামটো অতি যতনেৰে পাই, তাক প্ৰাণকাতৰে গৰা মাৰি নধৰিব, তাত সন্দেহ কৰিবৰ কাৰো কোনো কাৰণ নাছিল।

খাটনিয়াৰৰ মৃত্যুৰ পিচত স্বভাৱতে, ভূধৰ ৰবমহৰীয়েই জোঁকতলীৰ ঘৰৰ গৰাকীৰ পদ পালে। তেওঁ দীঘলিটিং আৰু জোঁকতলীৰ ভিতৰত কেৰা নলগাকৈ সমানে তাল এইদৰে ৰাখিছিল; যথা—দীঘলিটিঙৰ পৰা প্ৰতি শনিবাৰে জোঁকতলীলৈ তেওঁৰ অহা, আৰু এসপ্তাহলৈ খেতি-পথাৰ ঘৰ-বাৰী চলোৱাৰ দিহা পোহা কৰি দি প্ৰতি সোমবাৰে আকৌ জোঁকতলীৰ পৰা দীঘলিটিঙলৈ উভতি যোৱা। তেওঁৰ অনুপস্থিতি কালত, জোঁকতলীৰ ঘৰৰ ঘিলা তেওঁলোকৰ বহুকলীয়া বুঢ়া লগুৱা বাপিৰামৰ তত্ত্বাৱধানত ঘূৰে।

আজিকালি লগুৱা বুলিলে তুমি আমি যি বুজোহঁক বাপিৰাম লগুৱাৰ কথাত তেনে বুজিলে নিশ্চয় ভুল হব। ইংৰাজ বজাই অসমত পুৰুষাণুক্ৰমিক লগুৱা-লিগিৰাৰ প্ৰথা বা দাসত্ব প্ৰথা তুলি দিয়াৰ আগেয়ে গিৰিহঁত আৰু লগুৱা-লিগিৰাৰ মাজত যেনে সম্বন্ধ আছিল, তেনে সম্বন্ধীয় লগুৱা এই বাপিৰাম। সি যদিও লগুৱা, তথাপি খাটনিয়াৰ পৰিয়ালৰ ভিতৰত সিও এটা কটা-ছিঙা কৰিব নোৱাৰা মানুহ। সকলো বিষয়তে সকলো পিনে খাটনিয়াৰৰ ঘৰেই তাৰ ঘৰ, খাটনিয়াৰৰ মানুহেই তাৰ আপোন মানুহ, যদিও তাৰ নিজা ঘৰ চাওখাটত লৰা তিৰুতা অঙহী-বঙহী দদাই-খুৰাৰ অভাৱ নাছিল। মুঠতে কবলৈ গলে, সি চাওখাটত আলহী, জোঁকতলীত গিৰিহঁত; চাওখাটত বিদেশী, জোঁকতলীত স্বদেশী; ঘৰত নিলগীয়া, পৰত আপোন।

ওপজাৰ পৰা তিলকাক বাপিৰামে তুলি-তালি ডাঙৰ কৰিছিল; তাৰ মানত তিলকা আইদেও, তাৰ নিজৰ তেজ মঙহৰ পুতেক চাওখাটৰ দুখীৰামতকৈও সাতছাৰ। তাৰ মন-পালাপাণ্ডাত এফালে তিলকাক আৰু আনফালে দুখীৰামক তুলি সি জুখি চাই দেখিছে যে, তিলকা দুখীতকৈ

গধূৰ। তিলকাই খালে তাৰ পেট ভৰে, পিন্ধিলে তাৰ গা জুৰায়, হাঁহিলে তাৰ হাঁহি ওলায় আৰু কান্দিলে কান্দোন ওলায়। তিলকা বাঁৰী হল, সি ভাবিলে ঈশ্বৰে তাক তাৰ আগেয়ে মাৰি নিনি শত্ৰু শালিলে। তিলকা বাঁৰী হবৰ দিনাৰ পৰা সি খাটনিয়াৰৰ গোঁসাই ঘৰৰ ফালে উভতি নেচায়, আৰু তাত থকা “কলীয়া জনার্দ্দন” মূৰ্ত্তিৰ ফালে মূৰ নোদোঁৱায়। পেটে পেটে তাৰ দোৰ্ঘোৰ খং যে সি দিনে ৰাতিয়ে তেওঁক ইমানকৈ খাটি থাকোঁতেও কিয় তেওঁ তাক অনাহকত এনে শাস্তি দিলে।

সময়- ৰথৰ চৰ্কাৰ পৰ্ব্বতে ভৈয়ামে পানীয়ে বামে সদায় সমানে চলে, ক্ষন্তেকলৈকো সি কতো লাগি নেথাকে। সময়ে সংসাৰৰ সম্পদ বিপদ সুবিধা অসুবিধা হাঁহি কান্দোন সকলোকে নিজৰ পিঠিত বোকোছা বান্ধি লৈ একোলৈকে ভ্ৰূক্ষেপ নকৰি যাবলৈ ধৰিলে; আৰু জোঁকতলীৰ খাটনিয়াৰৰ পৰিয়াল আৰু লগে লগে বাপিৰাম বুঢ়া লগুৱাও বাধ্য হৈ সেই বোকোছাতে উঠুকীয়া হৈ চলিল। তিলকাৰ বয়স এতিয়া ওঠৰ বছৰ। তিলকাৰ ৰূপ আৰু যৌৱন চাৰিওফালে ছাটি পৰিছে। এই সংসাৰৰ শান্তি অশান্তি আশা নিৰাশা আটনি নাটনি স্পৃহা নিস্পৃহা উদ্বেগ নিৰুদ্বেগৰ নতুন বা-মাৰলিয়ে পাখিত তুলি তেওঁক উৰাই লৈ ফুৰিছে। তেওঁৰ মানত এই সংসাৰৰ সকলো আৰ্চৰিত। দহো দিশে দহোটা হাতেৰে হাতবাউলি দি তেওঁক দহফালে মাতিছে, কিন্তু কিজানি কিয়, তেওঁ কাৰোফালে যাব নোৱাৰে, কাৰো অনুৰোধ ৰাখিব নোৱাৰে। তেওঁ বুজিব নোৱাৰি বিমোৰ যে, কিজানি কিয়, তেওঁ তেওঁৰ উপচি পৰা হিয়াৰ পৰা এটোপা মৰম, এটোপা প্ৰেম,এধান-মানো আকাঙ্ক্ষা ধনিষ্টামানো তৃপ্তি কাকো বিলাবলৈ অপাৰগ। কিন্তু তেওঁৰ হৃদয় আবেগৰ ধলেৰে উথলি উঠিব খুজিলেই তেওঁৰ কাণত যেন ৰিণিকি-ৰিণিকি বাজি উঠে ‘খবৰ্দাৰ, তোৰ ক্ষমতা নাই, ক্ষমতা নাই ! তোৰ যৌৱন-সম্পদ তোৰ নহয় ! তোৰ আকাঙ্ক্ষা আবেগ হাবিলাষ উৎসাহ তোতে থাকি তোতে মাৰ যাব, লোকক বিলাবলৈ নহয়। তোৰ প্ৰেম-অগণিৰ উমজাল এই বিশাল বিশ্ব জগতৰ কাৰো উপকাৰ সাধিবৰ নিমিত্তে নহয়, সি কেৱল তোক তুঁহ জুইৰ দৰে লাহে লাহে পুৰি ছাই কৰিবলৈহে মথোন।’ তিলকাৰ হৃদয়-মণিকূটত তেলভৰা বন্তি জ্বলি উঠি বিমল জেউতি চাৰিউফালে বিলাই দিছে, কিন্তু মণিকূট দেৱতাশূণ্য !

## ২। আধ্যা।

আসাম কোম্পানীৰ দীঘলিটিং বাগিচাৰ বৰচাহাৰ মিষ্টৰ স্কটক কোনে বাতৰি দিলে কব নোৱাৰি যে, তেওঁৰ বৰমহৰী ভূধৰৰ এজনী দীপ্‌লিপ্‌

ভতিজা জীয়েক আছে; যাৰ ৰূপ দেখিলে দুপৰৰ বেলিয়েও ক্ষন্তেকলৈ ৰথ ৰাখি যায়। এদিন দুপৰীয়া চাহাবে ভূধৰ বৰমহৰীক নিজৰ বঙ্গলালৈ মতাই আনি তলত লিখাৰ দৰে কথা বাৰ্ত্তা হল;—

স্কট।— "ওৱেল ভূধৰ, মই হুনিছে, তোৰ ভতিজা এজনী বাঁৰী হৈ ঘৰতে আছে ?"

ভূধৰ।— "হয় হজুৰ, আছে।"

স্কট।— "মই হুনিছে হেইজনী বৰ হুন্দৰী আছে।"

ভূ।— "আছে হজুৰ।"

স্কট।— "তাইক মোক দিব লাগে, মই চাদি কৰিবে।"

ভূধৰে চাহাবৰ কথা শুনি কাণত আঙ্গুলি দি, চৰগ-পৰা মানুহৰ দৰে থিয় হৈ অবাক !

স্কট।— "কথা নাকহিছে কিয়? তুমি তোমাৰ ভতিজাক মোক জৰুৰ দিব লাগিবে।"

ভূ।— "সেই কাম হব নোৱাৰে হজুৰ। ভূমি চুই কৰ্ণত হাত দিবলগীয়া কথা। আমি বামুণ মানুহ, হিন্দু মানুহ হজুৰ, আমি এনে কাম কৰিলে তল যাম হজুৰ। আমাৰ জাত-কুল যাব হজুৰ। হজুৰ খোদাবান্দা, এনে কামলৈ হজুৰে গোলামক নধৰিব।"

এই বুলি ভূধৰে আঠু কাঢ়ি চাহাবক হাতজোৰ কৰে।

স্কট।— "তোমাৰ কি জাতি যাবে, জাতি না যাবে, মই দস্তুৰমত চাদি কৰিবে; তোমাক ৰূপীয়া পইচা দিবে, বহুৎ দিবে; ডাঙৰ মানুহ কৰি দিবে, কোনো ভয় নাই আছে।"

ভূ।— "নহয় হজুৰ, গোলামে এনে কাম কৰিব নোৱাৰোঁ। গোলামক হজুৰে ছোৱা-ছোৱাকৈ কাটি পেলালেও নোৱাৰোঁ।

স্কট।— "ডেম বদ্‌জাত ! তুমি হামিকে চিনি নাই পাইছে, তোমাক হামি গুলি কৰিবে, জান লিবে, ডিচ্‌মিচ্ কৰিবে ! মগৰ, তুমি হামাৰা হুকুম মাফিক কাম কৰিবে তো তোমাক হামি বহুৎ বৰা আদমি বনাই দিবে। তোমাৰ মলুকত চৰ আদমিকা উপৰ তোমাক বৰা বনাই দিবে। দেখ ভূধৰ! তোমাক হামি নাহি চাৰিবে, তুমি হামাৰা হুকুম তামিল কৰিবে হুবেই হুবে।"

## ৩। আধ্যা।

ব্ৰিটন "বাচ্ছা" স্কট চাহাব সহজ পাত্ৰ নহয়। হাৰ কাক কয় তেওঁ নেজানে। পোনতে ভয়, শেহত লোভ, খোচামোদ, ধমক আদি চোকা চোকা

অবাৰ্থ অস্ত্ৰৰ আগত অলপধতুৰা বামুণৰ লবা ভূধৰ টিকিব নোৱাৰি, পুন্যাত্মা সিধাই খাৰ্টনিয়াৰৰ জীয়েক তিলকাক আনি স্কট চাহাবক দিবলৈ মান্তি হল! আপোনাৰ পবিত্ৰ কুলত আপোন হাতে চূণ-কালি সানিবলৈ প্ৰস্তুত হল! পবিত্ৰ যজ্ঞৰ হবি আপোন হাতে তুলি আনি ভূধৰ কুলাঙ্গাৰে বকবাণিত পেলাই দিবলৈ ওলাল! আপোন গোঁসাইঘৰৰ থাপনাৰ সোণৰ ফুলপাহ নিজ হাতে চুৰ কৰি আনি চোৰৰ বুকুত আঁৰি দিবলৈ ভূধৰে সংকল্প কৰিলে।

সাদিনৰ ভিতৰতে ভূধৰে গৈ ফাঁকি দি নিজৰ ঘৈণীয়েকে সৈতে তিলকাক জোঁকতলীৰ পৰা দীঘলিটিং বাগিচালৈ লৈ আহিল। ভূধৰৰ অনিচ্ছা অগ্ৰাহ্য কৰি লগতে বাপিৰাম লগুৱাও আহিল। জোকতলী এৰিবৰ আগেয়ে বাপি-ৰামে, কি জানি কব নোৱাৰি, দীঘলিটিঙলৈ তিলকাক লৈ আহিব খোজা কথাত দোৰ্ঘোৰ আপত্তি কৰিছিল। ভূধৰৰ ঘৈণীয়েকৰো যে আহিবৰ মন আছিল এনে নহয়। কিন্তু নানা কথা কৈ "দিন চেবেকলৈ মাথোন গৈ তহ'ত সোনকালে উভতি আহিবিহ'ক" বুলি ভূধৰে সিঁবিলাকৰ মত কৰিলে। তিলকাই কিন্তু নতুন ঠাই দেখিবলৈ পাম ভাবি উৎফুলিকৃত হৈ আহিল।

৪। আধ্যা।

আজলী অবলাৰ পক্ষে পুৰুষৰ প্ৰবল জাল ফালি সৰকি ওলাই যোৱাটো বৰ উজু নহয়, বিশেষ, যেতিয়া সেই পুৰুষে সেই নাৰীৰ প্ৰতিপালক আৰু অভিভাৱকৰ ঠাই অধিকাৰ কৰি থাকে। দিনে দিনে দদায়েক ভূধৰৰ নানা চক্ৰান্ত নানা চলাহৰ মেৰে মেৰে আজলী তিলকা সোমাই যাবলৈ ধৰিলে। স্কট চাহাবৰ আশাবেলিয়ে পুবেৰুণ দিবৰ সময় হৈ আহিছে, এনেতে কিবা স্বৰূপে বাপি-ৰামে গম পালে যে, দদায়েক ভূধৰ পাষণ্ডই আপোন ভতিজা জীয়েক তিলকাক খাৰ্টনিয়াৰ বংশৰ পৱিত্ৰ নামত ছাই সানি দীঘলিটিং বাগিচাৰ বৰচাহাবৰ হাতত দিব খুজিছে! হঠাৎ বুঢ়া বাপিৰামৰ মূৰত আকাশী চৰগ ভাগি পৰিল! তাৰ গোটেইটো গাত সাতকুৰা অগণি লাগিল। লাজ, অপমান আৰু ক্ৰোধত বাপি-ৰাম থৰ থৰ কৰে কঁপিবলৈ ধৰিলে। তেতিয়াই সি তাৰ গুৰুঘৰত শপত খাই প্ৰতিজ্ঞা কৰিলে যে, সি জীয়াই থকাত তাৰ গৰাকী আৰু অন্নদাতা সিধাই খাৰ্টনিয়াৰৰ জীয়েক তিলকাক কোনেও চাহাবলৈ দিব নোৱাৰে। আৰু তেতিয়াই সি গৈ ভূধৰক সুধিলে,

"এই কথা সঁচা নে সৰুদেউতা?"

ভূধৰ।— "কি কথা সঁচা?"

বাপিৰাম।— "তিলকা আইদেওক তুমি দীঘলিটিঙৰ বৰচাহাবলৈ দিব খুজিছা?"

ভূ।— "তোক কোনে কলে ?"

বাপি।— "যেয়ে কওক নকওক, সঁচা নে মিছা, কোৱা ?"

ভূ।— "দেখ বাপিৰাম, তই লগুৱা মানুহ লগুৱাৰ দৰে থকাই ভাল। ঘৰৰ বন-বাৰী তোৰ কাম। এই বিলাক বিষয়ত তোৰ কথা কবৰ আৰু ভু-ভা লৈ ফুৰিবৰ কাম নহয়।"

বাপি।— "আছে কাম। শুনা সৰুদেউতা। তোমাক কেচুৱাৰ পৰা তুলি ডাঙৰ দীঘল কৰিলোঁ। আজি তিনি পুৰুষৰ পৰা তোমালোকৰ ঘৰৰ চাউল খাই লগুৱালি কৰি মোৰ ঘৰ মানুহ। তোমালোকৰ ঘৰৰ অন্নেৰে বাপিৰামৰ তেজ মঙহ। এনে স্থলত তুমি আজি মোৰ এনেষাৰ কথা কব নেলাগিছিল। ক'লা, ক'লা, মই তাত নেলাগো। কিন্তু, এই কথা সৰুদেউতা তুমি নিশ্চয় জানিবা, তুমি যি পাপ কাম কৰিবলৈ ওলাইছা, বাপিৰামৰ এই বুঢ়া গাত তোমাৰ ঘৰৰ চাউল খাই হোৱা এটোপা তেজ থাকে মানে, সি হব নোৱাৰে। খাটনিয়াৰৰ ঘৰৰ কৌটিকলীয়া নাম বাপিৰামে সি জীয়াই থাকোতে নিগমে বুৰিবলৈ নিদিয়ে। চন্দ্ৰ সূৰ্য্য সাক্ষী হবাহ'ক ! সৰু দেউতা, তোমাৰ ভাৰি ছুই মই সইত খাই কৈছোঁ, যদিও গোলামী কৰি ভাত খাওঁ, যদিও বামুণৰ ভৰিৰ ধূলিৰ যুইগ মই নহওঁ, তথাপি জানিবা বাপিৰাম একেষাৰ কথাৰ হে মানুহ।"

ভূ।— "যা যা, এইবোৰ মিছা কথা তোক কোনে কলে কব নোৱাৰোঁ, মই তেনে কাম কৰিবলৈ বলিয়া হেৱা নাই।"

এই বুলি বাপিৰামক প্ৰবোধ দি পঠিয়াই, ভূধৰে গধূলি গৈ স্কট চাহাবক কলে যে, তেওঁৰ বুঢ়া লগুৱাটোৱে সেই কথাৰ গম পাই মহা গোলমাল কৰিছে।

স্কট।— "হো— হো— হো! ভূধৰ, তই বহুৎ ভয়াতুৰ মানুহ আছে। নৌকৰলৈ ভয় কৰিছ, আৰু হেই কথা আহি মোৰ আগত কৈছ ? তোৰ লাজ নাই লাগিছে ?"

ভূ।— "নহয় হজুৰ, সি যেনেতেনে লগুৱা নহয়, সি যি কয় তাকে কৰিব, আৰু ঠিক এই কামত ব্যাঘাত জন্মাব।"

স্কট।— "তহত নেটিভ মানুহ কালা আদমি। তহঁতৰ আউৰংকা মাফিক ডৰ। গোৰালোক, চাহাবলোক হেই চব ডৰ নাহি কৰে। হুন, তোৰ হেই নৌকৰকু কাইলৈ তই দুপৰীয়া হামাৰ বঙ্গলালৈ পঠিয়াই দিবি; হামি ছাপাৰাচী ভেজি দিবে। হামাৰা হুকুম খিলাপ কৰিবে তো তোক হামি হামাৰ বাগিচাচে নিকাল দিবে।"

ভূ।— "বহুৎ আচ্ছা হজুৰ, দিম পঠিয়াই।"

৫ । আধ্যা ।

বাপিৰাম।— "শুনিছা নে সৰু দেউতা। স্কট চাহাবে মোক ছাপৰাচী লগাই ধৰাই নি বঙ্গলাৰ ভিতৰ সুমাই বিনাহকতে চৰ, গোব আৰু ভুকু কেইটা যে মাৰিলে, তাত মোৰ বিশেষ বেজাৰ নাই; কাৰণ আমি ছাল ছিগা ভিকহু গোলাম মানুহ, ডাঙৰ মানুহৰ হাতত হকতেই হওক বা অনাহকতেই হওক, কিলটো গোবটো চৰটো ভুকুটো খাই থাকিবলৈকে জনম ধৰিছোঁ; কিন্তু সি গৰু খোৱাই যে গণ্ডগ মাৰি কলে, বোলে সি তিলকা আইদেওক নি মেম কৰিবই কৰিব, সেই কথা হে মোৰ বুকুত শাল সোমোৱাদি সোমাইছে! মাৰ কিলৰ অন্ত পৰিলত মই বগা বঙ্গালক কৈ আহিছোঁ যে, মই কাঁড়ীৰ ঘৰৰ লৰা, যদিও ধনে মানে ক্ষমতাই মই তাৰ ভৰিৰ ধূলি এটাৰ যুইগ নহওঁ, তথাপি মোৰ শৰীলত জীৱ থাকে মানে সেই কাম সি কৰিব নোৱাৰে। মোৰ কথা শুনা সৰু দেউতা! তুমি এই পাষণ্ডৰ চাকৰি এৰি আজিয়েই এই নৰক ঠাইৰ পৰা তোমাৰ তিৰোতা আৰু ভতিজা জীয়েৰাক লৈ গুচি বলা। এক তিলও তুমি ইয়াত নেথাকিবা। পৃথিৱীত ধৰম কৰম একেবাৰেই লোপ পোৱা নাই। মান মৰাণৰ মলুক গৈ কুম্পানীৰ মলুক হৈছে। কুম্পানীৰ মলুকত ধৰম এতিয়াও আছে। তুমি ঘৰলৈ গৈ খেতি-বাতি কৰাই, আৰু আন একো নোৱাৰা যদি কৰম কৰাই ভাত এগাল মোকোলাই খাব পাৰিবা। খাৰ্টনিয়াৰ বৰদেউতাৰ জীয়েক তোমাৰো জীয়েৰা। মহামেলেচৰ হাতত জীয়েৰাক দি ৰৌ-ৰৌ নৰকলৈ নেযাবা। মই মুৰুখ গৰু মানুহ; আৰু তোমাক কি কম। এতিয়াই তুমি ইয়াৰ পৰা আইদেওহঁতক লৈ ঘৰলৈ গুচি যোঁৱা।"

ভূ।— "তোৰ এফিল খায়ো এবুধি নেচাপিল দেখিছোঁ। তই মোৰ ওপৰত কি ডাঁৰি কৰোঁতা ওলাইছ অ? মোক বুজনি দিবলৈ আহিছ? ভালে ভালে মোৰ আগৰ পৰা তই আঁতৰ হ।"

"বাৰু সৰুদেউতা, মই আঁতৰ হলোঁ," এই বুলি বাপিৰামে আঠু কাঢ়ি ভূধৰক এটা সেৱা কৰি ততালিকে তাৰ পৰা উঠি কৰবালৈ গুচি গল।

৬ । আধ্যা ।

ভূধৰ।— "কালি বাপিৰামৰ কথাবিলাক ঠহৰ ঠহৰকৈ মোৰ আমঠুত সৰকি গৈছিল, যদিও শেহত মই তাক ডাবি দি গালি পাৰি খেদি দিলোঁ। সি কালিৰ পৰা কলৈ গল কব নোৱাৰোঁ কিন্তু, সি কিবা এটা কাণ্ড কৰিব বুলি মোৰ ভয় লাগিছে। মই নিশ্চয় অন্যায় কাম, পাপ কাম, জঘন্য কাম কৰিবলৈ আগ বাঢ়িছোঁ। মোৰ পৰকাল গল ! মই নিগমে বুবিলোঁ ! —গল, গল, পৰকালটো নো কোনে দেখিছে, কত আছে, কোনে কব পাৰে? কিন্তু ইহকালৰ

সুবিধাটোতো বৰ কম নহয়। বৰ চাহাবৰ খাটনিয়াৰ, ধন-বিত্তেৰে চহকী; এই বাগিচাত মানুহ-দুনুহ কুলি-পানিৰ ওপৰত চাহাবৰ পিচতে গৰাকী; জোঁকতলীত সকলোৱে মাজত ধন-বিত প্ৰতাপৰ ডাঙৰ। যোগাই হাজৰিকাই মোক দেউতা বুলি মোৰ আগত সেও হব লাগিব। যোগাই! যোগাই! তোক দেখিম! ধান সৰিয়হ এগাল বেচি তোৰ গোটাচেৰেক পইচা হৈছে; তাৰেবলত তই মোক মানুহ যেনকে নেদেখ! ৰ, তোৰ মুৰৰ টিকনিত ধৰি মই তোক চোচোৰাই লৈ ফুৰিম। তেতিয়া হে বুজিবি, যেতিয়া মই ঘোৰা গাড়ীত উঠি ৰংপুৰ চহৰত গা ঘেলাই ফুৰি ফুকন বৰুৱাহঁতৰ চকুত জালুক বাটি দিম। *** আও, ইমান বিলাক ৰূপ পাম! ইমান বিলাক ৰূপ! এহেজাৰ টকা! এশ, দুশ, তিনিশ, চাৰিশ, পাঁচ শ, ছ শ, সাত শ, আঠ শ, নশ, দহ শ, হেজাৰ টকা মোৰ কোন পুৰুষে চকুৰে দেখিছিল? —গাভৰু বাৰী ছোৱালী ঘৰত ৰখা যে কি বিপদ তাক কোনে নেজানে। কোন দিন কি বাদ কুবাদ ওলায় কোনে জানে। তেতিয়া সোপাই এনেই "সোপায়ং নমঃ" হব; ইকুল সিকুল দুই কুল যাব। মইতো তাইক দুখত পেলাবলৈ যোৱা নাই। ববচাহাবৰ মেম! বাপ ৰে বাপ ! বাণীৰ নিচিনাকৈ অলঙ্কাৰ-পাতি পিন্ধিব, টকা-কড়ি খৰচ কৰিব, খাব-দাব থাকিব। লগে লগে আমি ঘৰে ঘৰোৱাহ বৰ মানুহ। এতিয়া যেয়ে যি কয় কওক, মোৰ পইচা হলে তেতিয়া সকলোৱে আগৰ পৰা গুৰিলৈকে আহি মোৰ ভৰিৰ তলুৱা চেলেকিব। * * * শেহত মই বাপিৰাম লগুৱাৰ বুধিত, পৰামৰ্শত, হুকুমত চলিব লাগিব নে কি? ছিঃ! ছিঃ! এইবাৰ বৰ-চাহাবে তাক পালে একেগোৰেই তাৰ পেটৰ জৰখাপাঁৰি ফালিব। জুইৰে সৈতে খেমালি!"

ভূধৰে এইদৰে মনে মনে ভাবি থাকোঁতেই হঠাৎ সৰুৰাম হাজিৰা মহৰী উধাতুখাই লৰি আহি তেওঁক বাতৰি দিলে যে "ৰবচাহাবে দহ লম্বৰ দাগৰ চাহ বাগিচা ডোখৰ চাই বঙ্গলাৰ ফালে উভতি আহোঁতে নিজান বাট এডোখৰতে কোনোবাই টঙনিয়াই ববচাহাবৰ ভৰি ভাঙ্গিলে, আৰু মূৰটো ফালিলে। ওচৰতে চাহাবৰ ঘোৰাটোও কঁকাল ভাগি পৰি চট্ ফটাই আছে। আপুনি লৰি আহক, বাগিচাত হাহাকাৰ পৰি গৈছে, কোনে এই কাম কৰিলে, তাক বিচাৰি মানুহে চাৰিউফালে পিয়া-পি লগাইছে, কিন্তু পোৱা নাই।"

বৃত্তান্ত শুনি ভূধৰৰ আৰু বুজিবলৈ বাকী নেথাকিল যে, তেওঁলোকৰ বুঢ়া লগুৱা বাপিৰামৰে এই কাম। সেই কথা মনতে ৰাখি ভূধৰ ঘটনাস্থললৈ লৰি গল।

ইফালে বাপিৰাম পলাই আহি ৰংপুৰৰ থানাত খবৰ দিলে যে, সি

দ ঘিলিটিং বাগিচাৰ বৰচাহাবক মাৰি আহিছে তাক ফাঁচী দিয়ে বৰশীত দিয়ে যি কৰে চৰকাৰৰ ঘৰৰ পৰা সোনকালে কৰক।

৭। আধ্যা।

বাপিৰামে যদিও স্কট চাহাবক একেবাৰেই মাৰি থৈ আহিছিলোঁ বুলি ভাবিছিল, কিন্তু চাহাব নমৰিল। বাগিচাৰ ডাক্তৰ আৰু জিলাৰ ডাঙৰ ডাক্তৰৰ চিকিৎসাত তেওঁ এমাহৰ ভিতৰতে আৰোগ্য হৈ উঠি, চিৰকাললৈ ভাৰতবৰ্ষ এৰি, ঘূনীয়া শৰীৰ লৈ বিলাতলৈ গুচি গল। বুঢ়া বাপিৰাম তিনি বছৰৰ নিমিত্তে বৰফাটকলৈ গল। ভূধৰে নিজৰ ঘৈণীয়েক আৰু ভতিজা জীয়েক তিলকাক লৈ চাকৰী ইস্তাফা দি জোঁকতলীলৈ উভতি আহি খেতি-বাতি কৰাই পৈতৃক ব্যৱসায় পূজা-সেৱা আদি কৰি সুখেৰে জীৱন-যাত্ৰা নিৰ্ব্বাহ কৰিবলৈ ধৰিলে। তিলকাৰ হঠাৎ জ্ঞানচকু মুকলি হ'ল। ঈশ্বৰ উপাসনা, পৰৰ উপকাৰ, দয়া ধৰম আৰু পৱিত্ৰতাক কায়মনোবাক্যে তেওঁ সয়ম্বৰ কৰি তেওঁৰ ইহকালৰ নিষ্ফল জীৱন সফল কৰিলে। বাপিৰামে তিনি বছৰ আনন্দ মনেৰে ফাটক খাটি তাৰ পৰা ওলাই আহি আকৌ জোঁকতলীৰ খাৰ্টনিয়াৰৰ ঘৰত তাৰ আগৰ ঠাই আগতকৈও গৌৰৱেৰে পুৰাবলৈ ধৰিলে। বাপিৰাম উভতি আহিলত ভূধৰে তাক আকোঁৱাল মাৰি ধৰি কলে, "বাপিৰাম কাই, তুমি মোৰ বৰ ককাইতকৈও বৰ।"

———

## লম্বোদৰ ডেকা

দেওবাৰ। ৰাতিপুৱা ৭ বজা। এখোজ দোখোজকৈ পায়চালি কৰি লাহে লাহে ৰঘুনাথ চিৰস্তাদাৰৰ ঘৰ পালোঁগৈ। দেখোন চিৰস্তাদাৰ ডাঙৰীয়াই হৰিদেউ ফয়চলা নৰিচৰে সৈতে বহি দবা খেলত নিমগন। ইমান পুৱাই তেওঁ-লোক খেলত বহিয়া হোৱাটো বাস্তৱতে মোৰ মনত অলপ অদ্ভুত যেন লাগিল। হৰিদেউ খেল-পগলা মই জানো; কিন্তু আমাৰ চিৰস্তাদাৰ ৰঘুনাথও যে তলে তলে সেই কাৰ্য্যত ইমানদূৰ আগ বাঢ়িছে এই কথা ইয়াৰ আগেয়ে মোৰ জনা নাছিল। মই চিৰস্তাদাৰৰ চ'ৰাঘৰ সোমায়েই তেওঁলোকক ইংৰাজী মতে "গুড্মৰ্ণিং" অৰ্থাৎ সুপ্ৰভাত বুলি সম্ভাষণ কৰিলোঁ। চিৰস্তাদাৰে সম্ভাষণ শুনি মোৰ ফালে কেৰাহিকৈ চাই এধা-মৰা মিচিকীয়া হাঁহি এটাৰ এডোখৰ মাৰি ডোমৰ পীৰাৰে বিজাব পৰা, তিনি ঠেং আছে এঠেং নাই, এনে এখন মাচিয়াৰ ফালে চকু পিৰিকিয়াই দেখুৱাই মোক বহিবলৈ অনুমতি দিলে। কিন্তু সিজন খেলুৱৈৰ মোৰ ফালে মূৰ দাঙি চাবলৈকো আহৰি নহল। মই অলপ পৰ টলকামাৰি বহি থাকি দেখিলোঁ, গতি বিষম। মাত লগালোঁ, "চিৰন্দাৰ ডাঙৰীয়া, চিৰন্দাৰ ডাঙৰীয়া এখনতকমান আপোনাৰ আহৰি হব নে? মই কথা এষাৰ সুধিবলৈ আপোনাৰ ওচৰলৈ আহিছিলোঁ।" চিৰস্তাৰদাৰে মূৰ নডঙাকৈয়ে উত্তৰ দিলে, "হব কওক, কি কথা?" মই কলো, "দুৰ্ভগীয়া লম্বোদৰ ডেকাটোক আপোনালোকে কি কৰিবৰ দিহা কৰিছে? সি নিগমে বুৰিল নহয়। তাৰ এটা গতি নকৰিলে হব কেনেকৈ!"

চিৰস্তাদাৰে দবা-বৰিৰ ওপৰতে পুৰাকৈ চকু ৰাখি আৰু মোৰ ফালে আদখিনীয়াকৈ মন দি উত্তৰ দিলে, "কৰিম গতি, নৌকাৰে তাক খেদি দি গজেৰে মাৰিম।" মই মিচিকীয়া হাঁহি মাৰি মাত লগালোঁ, "কি তাক নৌকাৰে খেদিব গজেৰে মাৰিব! সি এনেই মৰিয়েই আছে।" ইমানখিনি বেলিৰ পিচত হৰিদেউ ফয়চলা নৰিচে হঠাৎ মাতি পেলালে, "কাৰ গজে তাক মাৰিব পাৰে হে'? মোৰ এইটো বৰি এই ঘৰত, সেইটো ঘোৰা সেই ঘৰত!"

মই দেখিলোঁ এওঁলোকৰ ৰোগ বিষম। ত্ৰিদোষী বুলিলেই হয়। এওঁলোক খেলত ইমান মগন হৈ আছে যে, এওঁলোকক ধৰ্ম্মতঃ হিন্দী মাতেৰে "বেহুচ" বুলিব পাৰি। এনেস্থলত স্থান পৰিত্যাগেই নীতি, শাস্ত্ৰৰ উপদেশ। এই ভাবি মই ৰাম বিষ্ণু একোকে নুবুলি সাউংকাৰে উঠি দুৱাৰমুখ পালোঁগৈ। হঠাৎ চিৰস্তাদাৰে যেন সাৰ পালে। তেওঁ' ব্যস্ত হৈ মোৰ ফালে চাই মাত লগালে, "নেযাব, নেযাব, আপুনি খং কৰি কলৈ যায়, আমাৰ খেলৰ অন্ত পৰিল, আৰু সৰহ বেলি নাই, বহক।" মোৰ মনত আকৌ অলপ আশাৰ সঞ্চাৰ হল, আৰু আমাৰ দেশৰ বুঢ়া লোকৰ কথাষাৰও মনত পৰিল যে, "নুবুৰে মানে বাবা, নমৰে মানে চাবা।" গতিকে মই আকৌ উভতি আহি, আগৰ সেই ত্ৰিপদী চকিক মোৰ ভৰি এখনেৰে ঢোকা দি চতুষ্পদী কৰি লৈ নিজৰ বহুমূলীয়া মূৰ হাত আদি অঙ্গ-প্ৰত্যঙ্গ কেইটাক নিৰাপদে তাৰ ওপৰত ৰাখিবৰ দিহা কৰি বহি গলোঁ। কিন্তু দুখৰ কথা কি কম, খেলমতলীয়া চিৰস্তাদাৰে নিমিষতে আকৌ খেলত ভোল গল আৰু মোৰ সমাজিকৰ গবৈমাছটোও থিতাতে জানিবা হাতৰ পৰা পিছলি পানীত পৰিল। মই মনে মনে নিশ্চয় কৰিলোঁ যে, ই কথাও কথা নহয়, এইবাৰ মই সুৰুঙা পালেই নিশ্চয় সৰকি পৰিম আৰু এওঁলোকৰ ওচৰতে নেথাকোঁ। এই সঙ্কল্প কৰি থাকোঁতেই, ধৰ্ম্মেশ্বৰ পেচকাৰৰ পুতেক মৰ্ম্মেশ্বৰ ভটংকৰে তাত ওলালহি। মৰ্ম্মেশ্বৰে কলিকতাত বি-এ মহলা দি ঘৰলৈ উভতি আহিছে, আৰু বন্ধু-বান্ধৱ আদিক দেখা কৰি ফুৰিছে। মৰ্ম্মেশ্বৰক দেখি চিৰস্তাদাৰে "বোপা আহাঁ" আহাঁ কৈ মাতি বহুৱালে, আৰু কলে "বোপা আহিলা ভালেই হল, তেখেত একৰকম অকলৈ থকাদি আছিল, তুমি তেওঁৰে সৈতে দুই-চাৰি আষাৰ কথা পাতাঁ, আমি এতিয়াই আহৰি পাম, আমাৰ হলেই ধৰাঁ।"

মই মৰ্ম্মেশ্বৰৰ বোপাৰ ফালে চাই কলোঁ, "এৰা বোপাদেও, এওঁলোকৰ ওচৰলৈ দুৰ্ভগীয়া লম্বোদৰ ডেকাৰ বিষয়ে মই পৰামৰ্শ কৰিবলৈ আহিছিলোঁ; কিন্তু এওঁলোক খেলত ইমান মজি আছে যে, সি হৈ উঠাৰ আগন্তুক নাই। এওঁলোকৰ গঢ়-গতি দেখি মই গুচিয়েই যাব খুজিছিলোঁ, এনেতে কি ভাগ্য তুমি আহি ওলালা। সি যি হওক বোপা, তুমি কেঁতিয়া আহিলা ? গা ভাল ?"

মৰ্ম্মেশ্বৰ।— "কালি পালোঁহি। গা ভাল। আপোনাৰ গা ভাল নে ?"

মই সন্তৰ্পণে উত্তৰ দিলোঁ, "ঈশ্বৰৰ কৃপাত ভাল।"

মৰ্ম্মেশ্বৰ।— "কি লম্বোদৰৰ কথা কৈছিল আপুনি ? কোন লম্বোদৰ ? তেওঁৰ কি হল ?"

মই উত্তৰ দিলোঁ, "এ বোপা, তুমি শুনা নাই হবলা ? কিনো কম, কিনো শুনিবা !"

মৰ্ম্মেশ্বৰ।— "কওকচোন কওক!"

"শুনা তেন্তে" এই বুলি কবলৈ ধৰিলোঁ।

"মাহীমেলীয়া বৰুৱাৰ ঘৰৰ লৰা লম্বোদৰ ডেকাৰ নাম অৱশ্যে তুমি কলিকতালৈ যোৱাৰ আগেয়ে শুনিছিলা। তেওঁ মহা বিপাগুত পৰিছে। আজি দুমাহমানৰ আগেয়ে এটা গোচৰৰ আপীল কৰিবলৈ তেওঁ গুৱাহাটীলৈ যাব লগীয়া হৈছিল। সেই সময়ত গুৱাহাটীলৈ বেহা বেপাৰ কৰিবলৈ যোৱা ডোমৰ নাও এখন পাই তেওঁ তাকৰীয়া খৰচতে কাৰ্য্য সিদ্ধি হব ভাবি, নাৱৰীয়া-হঁতক অলপ দিম-থম বুলি বন্ধৰস্ত কৰি সেই নাৱতে গুৱাহাটীলৈ যাবলৈ বুলি উঠিল। নাওখন আহঁতগুৰি পাইছেগৈ, এনেতে বিধিৰ বিপৰীত বিধান, তেওঁৰ তিৰ্‌কঁপে জ্বৰ উঠিল। সেই জ্বৰেই নেৰানেপেৰাকৈ তেওঁক তিনি দিন অজ্ঞান কৰি পেলাই থৈছিল। জ্বৰটো অলপ কমিলত তেওঁ জ্ঞান পাই "ভোক ঔ পিয়াহ ঔ" কৰিবলৈ ধৰিলে। নাৱৰীয়াহঁত বিবুদ্ধি। সিহঁত ডোম, তেওঁ বামুণ; ডোমে বামুণৰ মুখত ভাত-পানী কেনেকৈ দিয়ে! সিহঁতে হাতযোৰকৈ কলে, "ডেকাদেও, আমি খুদিৰ মানুহ; কেনেকৈ আমি ৰন্ধাভাত আপোনাৰ মুখত দিওঁ; আমি বিবুধি সাগৰত পৰিছোঁ; অথচ আপোনাৰ গাতও শকতি নাই যে আপুনি উঠি নিজে এমুঠি ভাত ৰান্ধি খায়।" নাৱৰীয়া-হঁতৰ কথা শুনি লম্বোদৰে শেহাই শেহাই কলে, "ককাইহঁত। জাতটো পিছৰ কথা, সম্প্ৰতি ভাতৰ মণ্ড এটোপা মোৰ মুখত নিদিলে মোৰ প্ৰাণ যায়।" নাৱৰীয়াহঁতেও আলচ কৰি থিৰ কৰিলে যে তেওঁৰ মুখত ভাতৰ মণ্ড এটোপা দিয়াই কৰ্ত্তব্য, নতুবা সিহঁতৰ গাত ব্ৰহ্মবধ পাতক লাগিব। ইয়াৰ পিচতো সিহঁতে তেওঁক দিনৌ একো মুঠি ভাত ৰান্ধি খুৱাই ঢোকা-ভেজা দি কোনো মতে গুৱাহাটী পোৱালে নি। গুৱাহাটী পাই লম্বোদৰে চিনাকি মানুহ এঘৰত কিছুদিন থাকি লাহে লাহে গা টঙালে, আৰু তাৰ পিচত গোচৰৰ আপীল কৰি গোচৰ জিকি ঘৰলৈ উভতি আহিল! কিন্তু উভতি আহি তেওঁৰ অথান্তৰ মিলিল। তেওঁ ঘৰ পোৱাৰ দিন চেৰেকৰ পিচতে কেনেবাকৈ ঘুনুক-ঘানাক বাতৰি ওলাল যে, লম্বোদৰে গুৱাহাটীলৈ যাওঁতে বাটত ডোমৰ হাতে ভাত খালে। সকলোৱে এই কথা শুনি চাৰিওফালে বী-বিয়াবলৈ ধৰিলত, ৰাইজে মেলত বহি লম্বোদৰৰ জাত গল বুলি তেওঁক এঘৰীয়া কৰি এৰিলে। লম্বোদৰ নিঠৰুৱা হল, তেওঁৰ মুৰত হঠাৎ আকাশী চৰগ ভাগি পৰিল আৰু তেওঁৰ বন্ধু-বান্ধৱ মিতিৰ কুটুম কোনোৱে তেওঁৰ ছাঁ নমৰা হল। দৈৱদুৰ্বিপাকত পৰি লম্বোদৰ ডেকা আজি খুদ মগনিয়াৰ আৰু বাটৰ বলিয়া। আজিকালি তেওঁ বলিয়াৰ দৰে কিবাবিলাক বলকি বাটে বাটে টৌ টৌ কৰে ঘূৰি ফুৰে। বপুৰাৰ দশা দেখিলে চকুৰ পানী নুটৈকি থাকিব

নোৱাৰি। নৰিয়াত পৰি নোৱাৰা পক্ষত তেওঁ ডোমৰ হাতে ভাত খালে বুলি পৰাচিত হৈও জাত পাব নোৱাৰা হল নে? এনে অন্যায় ব্যৱস্থা কত দেখিছা কত শুনিছা। হিন্দু শাস্ত্ৰ হিন্দু ধৰ্ম্মৰ "দোহাই" দি আমাৰ দেশৰ এই পণ্ডিত নাম লোৱা মূৰ্খখনে মানুহক লৈ-লৈ থৈ-থৈ কৰি মাৰিব পায় নে বাৰু, কোঁৱাচোন বোপা? দুৰ্ভগীয়া লম্বোদৰক উদ্ধাৰ কৰিবলৈ কিবা দিহা কৰিব লাগিব বুলি আলচ কৰিবলৈ হে মই এই পুৱাই আমাৰ চিৰস্তাদাৰ ডাঙৰীয়াৰ ওচৰলৈ আহিছিলোঁ। মানুহটোক পৰাচিত-তৰাচিত কিবা এটা কৰি ভাল কৰিব পাৰি-বা-চাৰি; অন্ততঃ কৰাটো উচিত। আমাৰ আধা-খুন্দা পণ্ডিতহঁতে ব্যৱস্থা নিদিয়ে নাই, শাস্ত্ৰই দিব, ধৰ্ম্মই দিব, ঈশ্বৰে দিব, ন্যায় আৰু বিবেক বুদ্ধিয়ে দিব। তেওঁৰ মিছা বন্ধু-বান্ধৱে গোট খাই তেওঁক ধ্বংস কৰিবলৈ ধৰিছে। কিন্তু যেয়ে যিহকে কওক, আমি চেষ্টা কৰি মানুহটোক ৰক্ষা কৰিব লাগিব, নতুবা আমাক ঈশ্বৰে দণ্ডিব; এই কথা নিশ্চয়!"

মৰ্ম্মেশ্বৰ।— "নিশ্চয়, নিশ্চয়, এশবাৰ নিশ্চয়! এইটো By Jove! বৰ অন্যায় কথা। What the world is coming to! —I beg your pardon মোক আপুনি 'মাফিব' অৰ্থাৎ ক্ষমা কৰিব বুজিছে নে, মই ইংৰাজী ফোলোৱাটো proper মানে উচিত হোৱা নাই, এইটো slip of tongue, অৰ্থাৎ জিভাৰ পিছলনি। মই কৈছিলোঁ, ইন্দ্ৰৰ শপত! সংসাৰখন কিহৰ ফালে গৈছে কব পাৰে নে? আমি প্ৰাণপনে মিষ্টৰ ডেকাক ভাল কৰিবলৈ চেষ্টা কৰিব লাগে। নিশ্চয়, নিশ্চয়।"

এনেতে চিৰস্তাদাৰৰ খেলৰ ওৰ পৰিল। তেওঁ "কি হৈছে" বুলি সোধাত, মই লম্বোদৰ ডেকাৰ বিষয়ে কি কৰা যাব বুলি তেওঁক সুধিলোঁ। তেওঁ কলে "কৰিব একো নোৱাৰি। হিন্দু ধৰ্ম্মৰ মতে তেওঁৰ জাত গল, আৰু উদ্ধাৰ নাই। ডোমৰ ভাত খালে বামুণৰ জাত কত থাকে হেঁ?" মই উত্তৰ দিলোঁ, "যতে থকা উচিত ততে থাকে। অপাৰগ পক্ষত বামুণে ডোমৰ হাতে ভাত খালেও তেওঁৰ জাত নেযায়। যোৱা উচিত নহয়। হিন্দু ধৰ্ম্ম উদাৰ ধৰ্ম্ম। আপোনাসকলে হে তাৰ মৰ্ম্ম নুবুজি তাক অনুদাৰ পাতিছে।"

খেল-পগলা ফয়চলানবিচে দেখোন এনেতে মুখ বজাই উঠিল, "নেথাকে হেঁ, জাত নেথাকে। তুমি হিন্দু ধৰ্ম্মৰ বিষয়ে একোটো নেজানা। হিন্দু ধৰ্ম্মৰ ওপৰত মতামত প্ৰকাশ কৰাটো তোমাৰ অনধিকাৰ চৰ্চ্চা।"

মই খঙতে পকি-জকি উঠি উত্তৰ দিলো, "অনধিকাৰ চৰ্চ্চা যদি কাৰ-ৰাৰ, সেইটো আপোনাৰ হে। আপুনি খেলৰ বাহিৰে আন কিবা জানে বুলি

মই নেজানো। আপুনি হিন্দু ধৰ্ম্মৰ সম্পৰ্কে যদি কিবা জানিলেহেতেন তেন্তে এনে ঠেক মনৰ কথা নকলেহেতেন। আপুনি জনা শাস্ত্ৰ হিন্দু শাস্ত্ৰ নহয়, সেইখন ঢোকিঠোৱা শাস্ত্ৰ হে। হিন্দু শাস্ত্ৰই মানুহক খুন্দি গুড়ি কৰিবলৈ নকয়, ঢোকিঠোৱা শাস্ত্ৰইহে তেনে ব্যৱস্থা দিয়ে। এই কথা সহজ জ্ঞানেই ৰিঙিয়াই কব লাগিছে। কিন্তু, চিৰস্তাদাৰ ডাঙৰীয়া আৰু ফয়চলা-নবিচ ডাঙৰীয়া, আপোনালোকে এই দেশত এৰাগছেই গছ হৈছে, হওক তাত আপত্তি নাই, আৰু আপোনালোকে ভোটৰ-কচু মূৰ্খ পণ্ডিতেৰে সৈতে গোট খাই দুখীয়া লম্বোদৰক পিঙত দিছে দিয়ক, কিন্তু ঈশ্বৰে আপোনালোকক ইয়াৰ প্ৰতিফল দিব নিশ্চয় জানিব।" এই বুলি মই একেচাবেই তাৰ পৰা উঠি গুচি আহিলোঁ।

---

# লাওখোলা

কলিকতাৰ ফালে "বাগান বাড়ী" কাক বোলে, অসমীয়া মানুহৰ ভিতৰত ভালেমানে তাক "খায় নে কাণত পিন্ধে" ক'বই নোৱাৰে। ভিকহু বদনামৰ চেকাৰে কলা-মলা অসমত বিদেশী মানুহৰ আগত লাজ নলগাকৈ উলিয়াব পৰা অত্‌ তত্‌ এক ৰিঙৰ বাটত দুঘৰ এঘৰ মানুহৰ দুটা-এটা ঘৰৰ বাহিৰে সৰহখিনি অসমীয়া মানুহৰ ঘৰ, তাহানি পুৰাণত লিখা বকদল ঋষিৰ ঘৰ, আৰু শোৱাপাটী, বিদুৰৰ শয্যাৰে ৰিজাব পৰা; এনে স্থলত "বাগান বাড়ীৰ" বাৰ্তাৰি তেওঁলোকৰ পক্ষে আদাৰ বেপাৰীৰ জাহাজৰ খবৰৰ নিচিনা বুলিব লাগে। মানুহৰ ঘৰুৱা আৰু বাহিৰা দুসাজ কাপোৰৰ দৰে, কলিকতাৰ প্ৰায় চহকী গৃহস্থৰ দুখন ঘৰ থাকে; এখনৰ নাম তেওঁলোকে "বসতবাড়ী" আৰু আন খনৰ নাম "বাগানবাড়ী" ৰাখিছে। বসতবাড়ী মানে সদায় বাস কৰি থাকিবৰ ঘৰ, আৰু বাগানবাড়ী মানে, বসত-বাড়ীত থাকোঁতে থাকোঁতে ভোটা হোৱা মন গা তালৈ লৈ গৈ শনাই চোকা কৰি আনিবৰ অৰ্থে ৰখা ঘৰ। চহৰৰ পৰা বেঙা মেলি পোৱা আঁতৰত, আম, কঠাল লিচি, কল, নাৰিকল আদি ফলৰ গছ, গোলাপ সেউতী মালতী জ'াই যূঁতি আদি ফুলৰ গছ, "ক্ৰটন" "পাম", পাণৰ মাহী আদি স্বদেশী বিদেশী নানা বৰণীয়া নানা ঠগীয়া পাতৰ গছ থকা, আৰু ৰৌ-বাহু আদি পোহনীয়া মাছৰে ভৰা পুখুৰী এটা আৰু ইটাৰে সৈতে ধুনীয়া পকীঘৰ এটা বা দুটা থকা শুৱনী বাগিচা এখনকে বঙ্গলা মাতেৰে "বাগানবাড়ী" বোলে। বাগিচাৰ গৰাকীয়ে মাজে সময়ে দুই চাৰিজন সমনীয়া অন্তৰঙ্গ বন্ধু লগত লৈ, ঘোৰাৰ গাড়ীৰে বা ৰেল গাড়ীৰে নাইবা (নৈৰ পাৰত হলে) নাৱেৰে সেই বাগিচালৈ আহি, এই সংসাৰৰ বিস্তৰ দুখৰ-দিন-বালি ধুই এচিকটা আদাচিকটা সুখৰ-দিন-সোণ উলিয়াই লৈ উপভোগ কৰে। তাত বৰশী নাইবা জাল আদি তামসিক অস্ত্ৰেৰে বাগিচাৰ ভিতৰৰ পুখুৰী নিবাসী আশ্ৰিত পালিত ৰৌ বাহু আদি মাছৰ প্ৰতি নিষ্কাৰণ বৈৰতাচৰণ কৰি সিহঁতক বধ কৰি সিহঁতৰ শ বোৰ পেটত

ভবোৱা হয়; আম নাৰিকল লিচি আদি গছৰ ফল "জবৰ্দ্দস্তি" কৰি পাৰি উদৰান্তৰ্গত কৰা হয়; পুখুৰীত নামি জলকেলি কৰা হয়; আৰু মাছ মঙহ আদিৰে ভোজভাত খাই অজগৰ পৰাদি পৰি থকা হয়। কোনো কোনোৰ বাগানত বাই-নাচ নটী-নাচ আৰু ফটিকাৰ বিভৎস আমোদৰ ভৰসোঁত যে নবয় এনে নহয়; কিন্তু সেই বিধৰ কাম স্বভাৱ ভেদে কাৰ্য্য ভেদৰ নিয়ম অনুসৰি চলে বুলি ধৰিব লাগে। মুঠতে কবলৈ গলে, অফিচ কাছাৰী আদি বন্ধৰ দিনত বাগানৰ আমোদ আহ্লাদ খোলা হয়; সেই দেখি শনিবাৰ আহিলেই বাবুসকলৰ মুখত লোভৰ পানী ওলায়; আৰু শনিবাৰক "সোণৰ শনিবাৰ" নাম দি তেওঁ-লোকে আদৰকৈ মাতে।

এনে বন্ধৰ এদিনত বন্ধুবৰ নিৰ্ম্মল চন্দ্ৰ বানুৰ্জীৰ উচটনিত মোৰো গাৰ আৰু মনৰ চহৰীয়া মলি আৰু মামৰ ঘঁহি গুচাবৰ মনেৰে তেওঁৰে সৈতে তেওঁৰ দমদমাৰ বাগানবাড়ীলৈ গতি কৰিলোঁ। আমাৰ লগত আৰু দুই চাৰি-জন পালি বন্ধু যে নাছিল এনে নহয়, কিন্তু বাই-নাচ আদি আন কোনো প্ৰচলিত উপসৰ্গ বা প্ৰত্যয় নাছিল গুণে, সেই বিধীয়া বন্ধুৰ লেখও কম হৈছিল। মোৰ সৰুৰে পৰা মাছ ধৰা বায়ু। নিৰ্ম্মল বাবুৰ বাগিচাৰ পুখুৰীত সেই বায়ুৰ পাল মোৰ মন-নাৱত ভালকৈ তৰি দিব পাৰিম; এই লোভত মই উছাহেৰে ওলালোঁ। ওলালোঁ বোলাটো ঠিক নহয়; কাৰণ, কলিকতাৰ আলি বাটত বাতি মতলীয়া মানুহক কনিষ্টবলে ধৰি থানালৈ টানি লৈ যোৱাদি বাস্তৱিকপক্ষত মোক সেই মাছ ধৰা বায়ুৱে ধৰি সেই বাগিচালৈ টানি লৈ গল, আৰু নিৰ্ম্মল বাবু নিমিত্তৰ ভাগী হল মাথোন। ৰাতিপুৱাই তপতে তপতে প্ৰকৃত স্বদেশী চাহ-পানী এবাটি পেটত পেলাই, নিৰম্বু নিশা শুকাই থকা শৰীৰৰ গুৰিত সেই কাৰ্য্যৰ দ্বাৰাই পানী এটোপা দি সাত বজাৰ সময়ত ঘৰৰ পৰা ওলাই, নিৰ্ম্মল বাবুৰে সৈতে গৈ আঠমান বজাত তেওঁৰ বাগিচা পালোঁগৈ। তেওঁৰ লগত জলপান পাতি গৈছিল লগুৱা লিকচৌ গৈছিল, খাবৰ দাবৰ অনেক বয়বস্তু গৈছিল; গতিকে বাগিচা পায়েই আমি জলপান একোটাৰে, বাটত অলপ অলপকৈ ধোৱাঁই অহা পেটৰ খং-জুই মাৰ নিয়ালোঁহঁক। নিৰ্ম্মল বাবুৰ মানুহে আগ দিনাই তালৈ গৈ মাছ ধৰিবলৈ জালোৱা ঠিক কৰি থৈছিল; আমি গলতে সেই জালোৱাই পুখুৰীত জাল পেলাই দিলে। টনা বৰজালে পুখুৰীৰ এপাৰৰ পৰা সিপাৰলৈ লাহে লাহে মাছ চুঁচি টানি লৈ যাবলৈ ধৰিলে। জাল পাৰৰ ওচৰ চাপিলত তাত পৰা আৰু নপৰা সৰু বৰ মাছবিলাকে, বৰা-ধানৰ আখৈয়ে তপত খোলাৰ পৰা জঁপিৱাদি জঁপিয়াবলৈ ধৰিলে; আৰু দৰ্শক সকলৰ মনেও লগে লগে, সেইটো গল ঔ! সেইটো ধৰ ঔ! সেইটো বৰ মাছ ঔ! এনেবিলাক উদ্বিগ্নৰ ধ্বনি কৰি জঁপিয়াবলৈ

ধৰিলে। অন্তত ডাঙৰ ডাঙৰ বৌ, বাহু মাছ আঠোটা কি দহোটামান ৰাখি বাকীবোৰ নিৰ্ম্মল বাবুৱে আকৌ পুখুৰীত এৰি দিবলৈ জলোৱাহ'তক কলত সিহ'তে তাকে কৰিলে। জালখন টানি বামলৈ তুলি আনিলত দেখা গল যে, মাছৰ লগতে তাত মানুহৰ লাওখোলা এটাও উঠিছে। সেইটো দেখি আমাৰ উৎসাহৰ সোঁতত ক্ষন্তেকলৈ এটা ভেটা পৰা যেন লাগিল। কি আপদ! মানুহৰ মুৰটো ওলালহি কৰ পৰা। এই বুলি আমি সকলোৱে কোৰামেলা কৰিবলৈ ধৰিলোঁ। মোৰ হাতত চাহ গছৰ লাখুটি এডাল আছিল, তাৰ আগেৰে আমাৰ আনন্দৰ বিঘিনি সেই লাওখোলাটো জালৰ পৰা এবুৱাই পাৰৰ ফালে অলপ দুৰলৈ পেলাই দি মৎস্য-পুৰাণৰ সেই আধ্যাৰ সেইখিনিতে ওৰ পেলালোঁ।

ভোজন ব্যৱহাৰৰ দ্বিতীয় আধ্যা বং ধেমালিৰে আৰম্ভণ কৰি বন্ধা বঢ়া মাছ মাঙহ পিঠা ভাত আদিৰে সমাপন কৰা গল। সেই আধ্যাৰ বহল বিৱৰণ দিয়াটো যুগুত যেন বিবেচনা নকৰোঁ; কিয়নো সেই লোভলগা বিৱৰণ শুনি আমাৰ পাঠকসকলৰ মুখৰ পানী অনাহকত পৰাৰ বাহিৰে আন একো নহয় আৰু সেই পানীৰ নিবৃত্তিৰ উপায় ততালিকে কৰিব নোৱাৰাৰ বাবে আমাৰ গাতে দোষ চুব।

তৃতীয় বা শেহ আধ্যা হাতত লৈ কোৱা যাওক যে সেই ৰাতিটো আমি বাগিচাতে থাকি কটাবৰ মনস্থ কৰি ৰাতিৰ যোগ্য খোৱা শোৱাৰ আয়োজন কৰিলোঁহ'ক। তাৰ ঘৰৰ ভিতৰত শুবৰ সুন্দৰ আয়োজন অনেক। গাখীৰৰ ফেনৰ নিচিনা শুকুলা নিৰ্ম্মল শোৱাপাটী, আৰু সেই শোৱাপাটীৰ মান ৰক্ষা কৰি চলিব পৰা সুন্দৰ গাৰু আৰু চাৰিওফালে চকি মেজ আদি উপকৰণ বিস্তৰ। ঘৰৰ ভিতৰ বাজ বগা শিলৰ মজিয়াৰে জকজকীয়া আৰু বাৰ ছাল বুৰা মাৰলি ৰহনসনা আৰু নানান নক্সা ছবি আদিৰে চক্‌চকীয়া। নিৰ্ম্মল বাবুকে প্ৰমুখ্য কৰি সকলোৱে ঘৰৰ ভিতৰত সেই মনমোহা শোৱাপাটী বিলাকত শুবৰ দিহা কৰিলে; কিন্তু মই সেই মিহি বন্ধবস্তত উভ'হা উলিয়াই বাহিৰত পুখুৰীৰ পাৰৰ বগা শিলৰ খট্‌খটীৰ ওপৰত শুবলৈ ঠিক কৰিলোঁ। মোৰ মতলব আছিল এইটো যে, সুন্দৰ জোনাকত জুৰ ফুৰ্ফুৰীয়া বতাহ গাত লগাই স্বভাৱৰ বিচিত্ৰ শোভা চাই অনন্ত আকাশৰ অনন্ত গৌৰৱৰ ফালে একচিতে চকু দি বিশ্বেশ্বৰৰ বিশ্বব্ৰহ্মাণ্ডৰ লীলা অনুভৱ কৰিবৰ সুবিধা পাম। নিৰ্ম্মল বাবুৱে মোৰ এই অদ্ভুত বন্ধৰস্তত দোৰ্ঘোৰ আপত্তি উত্থাপন কৰিলে। তেওঁ কলে "ই হবই নোৱাৰে। বাহিৰত শুই গাত নিয়ৰ লগাই চেঁচা লগাই তোমাৰ কাইলৈ গা বেয়া কৰক আৰু তেতিয়া মোৰ গাত দায় লাগিব আৰু তাৰ বাহিৰে পুখুৰীৰ পাৰত সাপ-সুপ কত কি ৰাতি ওলায়

এনে কথা অসম্ভৱ, কোনোমতে হবই নোৱাৰে।" মোৰ কিন্তু বামুণৰ গ, শুন বুলি দৃঢ় প্ৰতিজ্ঞা কৰি বহিলোঁ। মোৰ মইমতীয়া স্বভাৱৰ বিষয়ে নিৰ্ম্মল বাবুৰ জনা আছিল। তেওঁ যেতিয়া বুজিলে যে মোক মোৰ সংকল্পৰ পৰা লৰোৱা টান, তেতিয়া তেওঁ তেওঁৰ লগুৱাহঁতক সেই পুখুৰীৰ পাৰৰ খট্‌-খটীৰ বগা শিলৰ ওপৰত মোলৈ শুবৰ দিহা কৰিবলৈ আদেশ কৰিলে; আৰু নিমিষতে সেই আদেশ প্ৰতিপালিত হল। আমি নিজ নিজ ঠাইত দীঘল দি দুখ ভাগৰৰ অন্তকাৰী টোপনিক মাতি নিমাত হলোহঁক। দিনত নৈৰ পাৰত ঘূৰিয়ালে গা বদাই পৰি থকাদি ৰাতি পুখুৰীপাৰত মোক জোনাকত গা পোহ-ৰাই পৰি থকা দেখি নিশা বিমানত ফুৰা দেৱতাসকলে কি ভাবিছিল কব নোৱাৰোঁ, কিন্তু তেওঁলোকৰ ভিতৰত কোনো চিকাৰী দেৱতাই যে মোৰ ওপৰত গুলি চলোৱা নাছিল এইটো ধ্ৰুৰূপ; নতুবা তেওঁ মোক আজি এই সাধু কবলৈ জীয়াই নথৈ নিশ্চয় মোৰ ছালেৰে তেওঁৰ চৰাঘৰ সজালেহেঁতেন। এই নিমাত নিফুট ৰাতি এটা বৰ আহুকালৰ কথা হৈছিল যে, বাগিচাৰ গৰাকী নিৰ্ম্মল বাবুৰ মনে মনে থাকিব নোৱাৰা স্বভাৱৰ নাকে ঘোঁট ঘোঁট শব্দ কৰি শোৱনি-ঘৰ তল-ওপৰ কৰি তেওঁৰ ওচৰত শোওঁতাসকলৰ শান্তি ভঙ্গ কৰি-ছিল। মই দূৰৰ পৰা সেই অপৰূপ শব্দ শুনিছোঁ আৰু তেওঁৰ ওচৰত ঘৰৰ ভিতৰত নোশোৱা বাবে নিজৰ বুধিক ধইন ধইনকৈ শলাগিছোঁ। জোনৰ সুবি-মল জোনাকে মোৰ গোটেইটো গা বুৰাই দিলে, মই আনন্দত আপ্লুত হলোঁ। এইদৰে জোন আৰু তৰাৰে ভৰপূৰ নীল আকাশলৈ চাই ঈশ্বৰৰ সৃষ্টি কৌশল আৰু মহিমাৰ বিষয় ভাবি থাকোঁতে থাকোঁতে, কেতিয়া কোনটো ছেগত কব নোৱাৰোঁ, মনে মনে টোপনিয়ে আহি মোৰ মূৰৰ পৰা ভৰিলৈকে ঢাকি কলা কাপোৰ এখন মোৰ গাৰ ওপৰত পেলাই দিলে; আৰু সেই কাৰ্য্যত বিনা প্ৰতিবাদে মই সৈমান হোৱা দেখি হবলা, মোৰ চকু কাণ আদি বাহিৰৰ বনুৱা লগুৱা ইন্দ্ৰিয়বোৰে ৰোহ পাতি ধৰ্ম্মঘট কৰি নিজৰ কাম বন বন্ধ কৰি দিলে।

এইদৰে "স্বাধীনতা হীনতাৰস্হাত নাবাচি" টোপনিৰ "দাসত্বশৃঙ্খল" ভৰিত পিন্ধি, কিমান পৰ আছিলোঁ কব নোৱাৰোঁ; কিন্তু হঠাৎ কোনোবাই মোৰ ভৰিত চেঁচা হাত এখন দিয়া যেন পালোঁ। চাট্‌কৰে টোপনিয়ে মোৰ গাৰ পৰা, ওপৰত কৈ অহা কলা কাপোৰখন তুলি নিলে আৰু কাৰবাৰ এই কেইষাৰ কথা মোৰ কাণত পৰিল; —"হেঁগা বাবু মশায়! তোমাৰ কি আৰ ঘুম ভাঙ্গবে না? ওঠ না একবাৰটি, আমাৰ একটু কথা বলবাৰ আছে।" মই থক্‌মক্‌কৈ উঠি বহিলোঁ। দেখোঁ, পাৰি নিদিয়া শাৰী পিন্ধা ওৰণীৰে আধাখিনি মুখ ঢকা, কুৰি-বাইশ বছৰ বয়সীয়া বঙ্গালী তিৰোতা মানুহ এজনী মোৰ আগতে থিয় হৈ আছে। তিৰোতাজনীৰ মুখখন শেতা বিবৰ্ণ, যেন তাত কোনোবাই দুখৰ ডাঠ

বহন সানি থৈছে। দুপৰ ৰাতি মই অকলশৰীয়া, এনে সময়ত এই গাভৰু, তিৰোতাজনী কৰ পৰা কিয় আহি মোৰ ওচৰত থিয় হৈ আছে, আৰু লোকে বা কি বুলিব, কি নিন্দাৰ কথা হব, এই কথা ভাবি ভাবি মোৰ লাজ ভয় দুইটা সমানে লাগিল। মাতত সুৰ কঠুৱা আৰু তাল খৰ দি মই তাইক সুধিলোঁ,— "তই কোন? ইমান ৰাতি মোৰ কাষলৈ কিয় আহিছ?" তিৰোতাজনীয়ে মিহিকৈ উত্তৰ দিলে, "আমি কে, এখনই বলছি, ব্যস্ত হবেন না মশায়। কিন্তু, তাৰ আগে বলুন দেখি আপুনি কে? কাৰ পৰামৰ্শ শুনে আজ আপনি আমাকে টানা-হ্যাচড়া কোৰে নাস্তানাবুদ কৰলেন? হে'গা বাবু, তোমাৰ কাছে আমি এলুম, না তুমি আমাৰ কাছে এলে? আচ্ছা উল্টোচাপ দেখছি!" মই আচৰিত হৈ মাত লগালোঁ, "কি কয় অ, এইজনীয়ে! মই কেতিয়া তোক টনা আজোৰা কৰিলোঁ? আৰু কেতিয়া তোৰ কাষলৈ আহিছিলোঁ? তোৰ মতলবটো কি? ৰাতি গোল-মাল এটা পকাই মোৰ গাঁত বদনাম দি দাঁড়ি ধন উলিয়াই লবলৈ আহিছ হবলা? সি কথা নেচেল। নিৰ্ম্মল বাবুৰ বাগিচাত এনেকুৱা বেয়া শ্ৰেণীৰ মানুহ থকা বুলি জনাহে'তেন মই কেতিয়াও ইয়ালৈ নাহিলোহে'তেন। এই বাগিচাত এখন্তকো ভাল মানুহৰ থকা উচিত নহয় দেখিছোঁ। সি যি হওক, তই ভালে ভালে মোৰ কাষৰ পৰা যা; নাইবা মালী আৰু দাৰোৱানহ'তক মাতি তোৰ চুলিকোছাত ধৰোৱাই এতিয়াই মই তোক চোচেৰোৱাই উলিয়াই দিয়াম!" মোৰ ভাবুকি শুনি মানুহজনীয়ে মিচিকীয়া হাঁহি মাৰি সমিধান দিলে, "বাবুজী স্থিৰ হও, পাগলামী কৰোনা। তোমাৰ কাউকে ডাকতে হবেনা। আমাৰ দু-একটা দুঃখেৰ কথা আছে তা তোমাকে বলে এখনই চলে যাব। আমি তোমাৰ সঙ্গে ঝগড়া কৰতে আসিনি; দু-একটা কথা বলে মনটা একটু হালকা কৰতে এসেছি মাত্ৰ। দৰওয়ান মালীকে আৰ ডাকাডাকি কেন, তাদেৰ চেয়ে ঢেৰ মস্ত লোকেও আমাৰ মাথাৰ ছেড়া চুল এক গাছিতে হাত দিতে পাৰে না! ওগো বাবু, বলি ব্যস্ত হইওনা। তোমাদেৰ একটুতেই ব্যস্ত হোয়ে ওঠা স্বভাব আছে তা আমি জানি, কি তা না হোয়ে নাহয় একটু স্থিৰ হয়ে আমাৰ কথাটাই শুনলে, তাতে আৰ হানিটা কি?— পুৰুষ! পুৰুষ! হে ভগবান! তুমি কি দিয়ে এই জিনিষটাকে গড়েছ জানিনে, জলেৰ নীচে লুকিয়ে পৰে থেকেও তাদেৰ হাত থেকে নিস্তাৰ নেই!" মানুহজনীৰ কথা শুনি, আৰু তাইৰ কথা কোৱা গতিটো দেখি মই তধা লাগিলোঁ, আৰু মোৰ বুকুখন অলপ অলপকৈ লৰিবলৈ ধৰিলে। মই মনটো ডাঠকৈ মাত লগালোঁ, "কি তই পানীৰ তলত লুকাই পৰি থকাৰ কথা বলকিছ? পুৰুষে তোক কি কৰিলে, কি দৌৰাত্ম্য কৰিলে? নিশ্চয় এইজনী মতলীয়া তিৰুতা; কৰবাৰ পৰা আহি কিবা কু-মতলবেৰে ৰাতি এই বাগিচাত সোমাইছেহি। দাৰোৱান! দাৰোৱান।"

মোৰ কথাষাৰ ঢুকাওতে নৌঢুকাওতেই তাই তাইৰ তৰ্জ্জনী আঙুলিটো মোৰ আগত জোকাৰি মাত লগালে "চুপ! বলি খবৰ্দ্দাৰ চুপ! ফেৰ যদি তুমি আমাকে মাতাল বলে অপমান কৰবে তো তোমাৰ ভাল হব না বলছি। আগে যাৰ দোষে যা হয়েছিলুম হয়েছিলুম; সে সব হোয়ে গেছে। এখন আমি খাৰাপ মেয়ে নই! মাতাল নই! কোনও কুমতলবে তোমাৰ কাছে আসিনি! খবৰ্দ্দাৰ আৰ সে ৰকম কথা মুখ থেকে বেড় কৰবে না, যা কৰলে কৰলে।"

তিৰোতাজনীয়ে ইমান তেজেৰে সৈতে এই কথা কেইষাৰ কৈছিল যে মই থমকি গলোঁ আৰু মোৰ গাৰ জোখটো দীঘলে কুঁচি গৈ কমি যোৱা যেন পালোঁ। এনেতে হঠাৎ মানুহজনীৰ চকুৰে সৈতে মোৰ চকু একে হ'ল। দেখি তবধ মানিলোঁ যে, তাইৰ চকুৰ পৰা অসংখ্য জুইৰ ফিৰিঙতি ওলাইছে আৰু মুখৰ ভিতৰৰ দাঁতবোৰ, পুহমহীয়া জাৰত ঠেঁটুৰাইত কঁপা মানুহৰ দাঁতৰ দৰে, এপাৰিৰ ওপৰত এপাৰি পৰি ঠক্‌ঠক্ শব্দ কৰিছে! এইবাৰ সঁচাকৈয়ে মোৰ বুকুত ভয়ে বাহ ললে, মুখৰ মাত হৰিল আৰু মই শোটমোত খাই পৰিলোঁ। মোৰ অৱস্থা দেখি তাই খন্তেকতে শান্ত মূৰ্ত্তি ধৰি মিহিকৈ মাত লগালে, "তুমি না জেনে আমাকে সেই ৰকম কথা বলেছিলে, আমি বুঝতে পেৰেছি। আৰ বলোনা। আমি খাৰাপ লোক নই। কোনও খাৰাপ মতলবে আমি তোমাৰ কাসে আসিনি। দুখেৰ কথা একটা আদটা বলবাৰ জন্য তোমাৰ কাছে এসেছি। তুমি একটু মন দিয়ে শুনলেই আমি কৃতাৰ্থ হোয়ে চলে যাব।"

মই উত্তৰ দিলোঁ— "বাৰু, কি কব খুজিছা কোঁৱা, মনদি শুনিম।" তিৰোতাজনীয়ে কবলৈ আৰম্ভ কৰিলে। তাইৰ সেই কথাৰ অবিকল অসমীয়া ভাঙনী তলত দিলোঁ।—

"এই বাগিচাখন আজিকালি কাৰ কব নোৱাৰোঁ, কিন্তু আগেয়ে ইয়াৰ গৰাকী আন এজন আছিল। সি আজি ডেৰকুৰি বছৰৰ কথা। সেইজনা সম্বন্ধত মোৰ জেঠাল আছিল। মোৰ স্বামীৰ মুখ মই দেখিবলৈকে নাপালোঁ। আমাৰ বিয়াৰ এমাহৰ পিচতে তেওঁ জহনীত পৰি ঢুকাল। মই তেতিয়া মোৰ আইৰ বোপাইৰ ঘৰত উমলি ভাত খোৱা সৰু ছোৱালী। মোৰ ঢকা চমকাকৈ মনত পৰে, হঠাৎ এদিন আবেলি আমাৰ ঘৰত কোঢ়াল লাগি পৰিল। মই ঘৰৰ আগচোতালত আমাৰ ওচৰ চুবুৰীয়া এজনী সমনীয়া ছোৱালীৰে সৈতে উমলি আছিলোঁ; কোঢ়াল শুনি, কি হল বুলি ঘৰৰ ভিতৰলৈ লৰ মাৰি আহি দেখিলোঁ যে আইয়ে হিয়া মুৰ ভুকুৱাই কান্দিছে, বোপায়ে বাঁহ চকুৰ পানী টুকি থাকি থাকি 'মোৰ কি হ'ল ঐ!' বুলি

একোৰেলি মাতি উঠিছে। পেহী আৰু আমাৰ বুঢ়ী বেটীজনীয়ে দীঘলকৈ ৰাউচি জুৰি কান্দি গছৰ পাত সৰাইছে! তেওঁলোকৰ কি হল মই একোটো বুজিব নোৱাৰি, তেওঁলোকৰ লগতে কান্দিব ধৰিলোঁ। ভালেমান বেলিৰ মূৰত কোঢ়াল কমি আহিলত পেহী আৰু বুঢ়ী বেটীজনীয়ে মোক ৰবঘৰৰ ভিতৰলৈ মাতি লৈ গৈ মোৰ হাতৰ পৰা শংখৰ খাৰু লোৰ খাৰু আৰু সোণৰ বালা সোলোকাই ললে আৰু কপালৰ সেন্দুৰ মচি দি কলে যে মই সেইবোৰ আৰু পিন্ধিব নেপায়, কাৰণ মোৰ স্বামী মৰিল। মোৰ স্বামী কি পদাৰ্থ তেতিয়া মই ভালকৈ একো নুবুজিলোঁ, মাত্ৰ লোকে মোক ঠাট্টা আৰু ধেমালিকৈ কোৱা কথাৰ পৰা এই ফেৰা বুজিব পাৰিছিলো যে, কিছুমান দিনৰ আগেয়ে মোৰে সৈতে যে লোকৰ লৰা এটাৰ বিয়া হৈছিল, যি বিয়া মোৰ ধেমালিৰ পুতলাৰ দৰা-কন্যাৰ বিয়াৰ নিচিনা বুলি মই সদায় ভাবিছিলোঁ, সেই লৰাটোকে ইহঁতে মোৰ স্বামী বোলে। মোৰ সেই কথাটো সমূলি ভাল নেলাগিছিল, আৰু লোকে সেই লৰাটোক মোৰ স্বামী বুলি মোক জোকালে মোৰ বৰ খং উঠিছিল। মই ভাবিছিলোঁ, মই পুতলাৰ দৰা-কন্যা পাতি বিয়া দিয়াদি আয়ে ধেমালিকৈ আমাৰ বিয়া পাতি ৰং কৰিছিল; বিয়াও ভাগিল, ধেমালিও ভাগিল, গল কথা গুচিল; সদায় সেই একেটা পুৰণি কথাকে লৈ মোক সকলোৰে জোকাই থাকে কিয় কব নোৱাৰোঁ। শেহত মোৰ মনত সেই কথা অসহনীয় হৈ উঠিছিল গৈ। সেই নিমিত্তে তেতিয়া পেহী আৰু বুঢ়ী বেটীৰ মুখে মোৰ স্বামী মৰি যোৱাৰ কথা শুনি মই পেটে পেটে সন্তোষ পালোঁ; ভাবিলো আপদ গ'ল; আজিৰ পৰা আৰু কোনেও মোক তাৰ কথা কৈ জোকাই থাকিব নোৱাৰে; আৰু মোৰ আই-বোপাইৰ লগ আৰু ঘৰ এৰি লোকৰ ঘৰলৈকো যাবলৈকো কোনেও কব নোৱাৰে। কিন্তু মোৰ হাতৰ পৰা তেওঁলোকে খাৰু কেইডাল কাঢ়ি নিয়াতহে মই নথৈ বেজাৰ পাইছিলোঁ। মই পেহীক সুধিলোঁ "পেহী, বাৰু খাৰু কেইডাল নিছ নে, কিন্তু কাইলৈ মোক পিন্ধিবলৈ দিব লাগিব।" পেহীয়ে চকুৰ পানী টুকি উত্তৰ দিলে," আৰু খাৰু পিন্ধিবলৈ নেপাৱ মইনা! তই বাঁৰী হলি! বাঁৰী মানুহে খাৰু পিন্ধিব নেপায়। মই জানো কেতিয়াবা খাৰু পিন্ধা দেখিছ ?" এই কথা শুনি মই ফেঁকুৰি ফেঁকুৰি খুব কান্দিলোঁ।

"মই আই-বোপাইৰ আলাসৰ লাড়ু আছিলোঁ! বোপাই ধনী মানুহ আৰু তেওঁৰ সন্তান-সন্ততিৰ ভিতৰত ময়েই। তুমি সহজেই অনুমান কৰিব পাৰা মই কেনে আদৰুৱা আছিলোঁ।

"মোৰ শহুৰৰ ঘৰ আমাতকৈও চহকী। জোৱাঁয়েকৰ শোকত মোৰ আই-বোপাই জুৰুলা হল! পাঁচ বছৰৰ ভিতৰতে এজনৰ পিচত এজনকৈ দুয়ো

চুকাল। মই নিঠৰুৱা হলোঁ। ধন-সম্পত্তি মাটি-বাৰী মোৰ একোৰে অভাৱ নাছিল; কিন্তু মতা মানুহ অভিভাৱকৰ অভাৱত সেইবোৰ দেখিব-শুনিবলৈ কোনো নাইকিয়া হল। কিছুদিনৰ আগেয়ে মোৰ শহুৰৰো মৃত্যু হৈছিল। শাহু মোৰ বিয়াৰ আগেয়েই চুকাইছিল। মোৰ জেঠালৰ বাহিৰে নিজৰ মানুহ বুলিবলৈ কোনো নাছিল; গতিকে মই তেওঁৰ ঘৰলৈকে উঠি আহি-নাছিল; কিন্তু মতা মানুহ অভিভাৱকৰ অভাৱত সেইবোৰ দেখিব-শুনিবলৈ বলৈ থিৰ কৰিলোঁ। তেওঁ বৰ উৎসাহেৰে মোক আনিলে আৰু মোৰ ধন-বস্তু মাটি-বাৰীৰ দিহা-পোহা কৰিবলৈ গাত ললে।

“তেতিয়া মোৰ বয়স ওঠৰ বছৰ, আৰু মোৰ মহাশত্ৰু ৰূপযৌৱনৰ মোৰ গাত মহা পয়োভৰ। তুমি এতিয়াও মোক দেখি নিশ্চয় অনুমান কৰিব পাৰিছা মই কেনে শুৱনী ছোৱালী আছিলোঁ।

মই আই বোপাইৰ ঘৰত থাকোঁতে, মোৰ জেঠোত কেনেকুৱা মানুহ মই নেজানিছিলোঁ; কিন্তু তেওঁৰ লগলৈ আহি দুই-চাৰি দিনৰ ভিতৰতে মই তেওঁৰ জঘন্য স্বভাৱ চৰিত্ৰৰ চিনাকি পালোঁ। কোনোবাই দোৰ্ঘোৰ মদপী আৰু বেশ্যাশক্ত মানুহৰ আৰ্হি বিচাৰিলে মোৰ জেঠোতৰ ফালে আঙুলিয়াই দিলেই যথেষ্ট হব। ঘৰত তেওঁৰ সতী লক্ষ্মীৰ নিচিনা ঘৈণীয়েকক তেওঁ ভৰিৰে ঠেলি পেলাই নটীৰ সৈতে খোৱা লোৱা কৰি পশুতকৈও অধইচ জীৱন কটাইছিল। বাৰীৰ ঘাঁহেৰে সৈতে গোহালিৰ গৰুৰ বাহি নহাদি ঘৈণীয়েকে সৈতে তেওঁৰ ৰাহি নাহিছিল। মই তেওঁৰ ঘৰলৈ আহিহে বুজিব পাৰিলোঁ যে কি এটা ভয়ানক ভুল কৰিলোঁ আৰু সেই ভুলেই কিজানি মোৰ ইহকাল পৰকাল দুইটাৰ সৰ্ব্বনাশ কৰিব। মনত এই কথা খেলালতে মই তেওঁৰ আশ্ৰয় এৰি আকৌ আমাৰ আগৰ ঘৰলৈ উভতি যাবলৈ সংকল্প কৰি মোৰ জাক সেই কথা কলোঁ। মোৰ কথা শুনি জাৰ নিৰ্ম্মল মুখ কলা পৰি গল; চকুৰ পানীৰে তেওঁৰ চকু চলচলীয়া হল। কিছুমান পৰৰ মূৰত চকুৰ লো টুকি তেওঁ কলে, ‘ভনীটি! জীৱনত বিধতাই মোৰ সুখ নেলেখিলে, নতুবা তুমিও মোক এৰি যাবলৈ ওলাবা কিয়! সৰহ নকওঁ, তুমি মৰা-বাৰী মই জীয়া-বাৰী, স্বামী সুখৰ পৰা তুমি বঞ্চিত ময়ো বঞ্চিত। তোমাক দুখ পাতিয়াবলৈ পাই ক্ষন্তেকমান সুখৰ ছাঁ দেখিছিলো; গোসাঁয়ে তাক সহিব কেলৈ!’

“বাইদেউৰ চকুৰ লো আৰু হিয়াৰ তলিৰ পৰা ওলোৱা এই কেইষাৰ কথাই মোক সমূলি ঘটুৱালে; আৰু মই যি থাকে কপালত ভাবি তাৰ পৰা গুচি যোৱা সংকল্প পৰিত্যাগ কৰি তাতে থাকিলোঁ।

“লক্ষ মানুহৰ ভিতৰত এটা দুটাৰ মনেহে কেতিয়াবা-কাচিৎ অৱস্থা

আৰু সময়ৰ সৈতে তমোময়কৈ লগা দীঘল যুঁজ যুঁজি শেহত জিকিব পাৰে। এনেস্থলত মোৰ নিচিনা নিঃসহায় দুৰ্ব্বল ছোৱালীয়ে কিছুকাল সেই দুৰ্দ্দান্ত দুই শত্ৰুৰে সৈতে যুঁজি শেহত ঘাট মনা আচৰিত কথা নহয়। কিছুমান দিনৰ মূৰত জেঠালৰ ঘৰত বাস কৰা সেই অপূৰ্ব্ব অৱস্থাৰ উভহা-বিলাক মৰি মোৰ পক্ষে সি মিহি হৈ পৰিল। তেওঁৰ অদ্ভুত অসহনীয় স্বভাৱ চৰিত্ৰৰ উৎপাতবোৰ মোৰ চকু কাণে সহিবলৈ শিকিলে; আৰু তাৰো কিছুমান দিনৰ মূৰত তাত দোষ বা পাপৰ হুল মোৰ চকুৰে একেবাৰেই নমনা হল।

"এই খিনিতে কোৱা আৱশ্যক যে মই মোৰ জেঠোতৰ ঘৰলৈ যাবৰ দিনাৰে পৰা তেওঁৰ পপীয়া চকু মোৰ ওপৰত পৰিছিল; আৰু তেওঁৰ নানাবিধ গড়-গতিত সেই কথা ফুটি ওলাইছিল। মই মোৰ বিষম বিপদ বুজিও, ঈশ্বৰৰ চৰণত একান্ত নিৰ্ভৰ কৰি জাৰ মৰমৰ মায়া-জাৰিডাল ছিঙিব নোৱাৰি তাতে আছিলোঁ। দিনকদিনে মোৰ বৰজনাই মোক জালত পেলাবলৈ নানা চক্ৰান্ত কৰিবলৈ ধৰিলে। শেহত অজগৰ সাপৰ আকৰ্ষণত নিৰুপায় হৰিণী তাৰ মুখৰ ভিতৰত সোমোৱাদি গৈ মই পাপ-অজগৰৰ মুখত সোমালোঁ; মোৰ সৰ্ব্বনাশ ঘটিল। কলঙ্কৰ পাচি মই মূৰত তুলি ললোঁ।

এই বাগিচাৰ সেইটো ঘৰতে মই মোৰ পপীয়া জীৱন পাষণ্ড জেঠোতৰ সৈতে আমোদ প্ৰমোদত কটাইছিলোঁ। মোৰ জাই তেওঁৰ স্বামীৰ সৈতে মোৰ জঘন্য ব্যৱহাৰ লক্ষ্য কৰি হতাশহৈ এদিন যি কেইষাৰ কথা কৈছিল, সেই কেইষাৰ কথা আজিলৈকে মোৰ মনত আছে। জেঠোতে তেওঁৰ ঘৰৰ পৰা মোক উলিয়াই লৈ এই বাগিচাৰ ঘৰলৈ আহিবলৈ ওলাইছে, এনেতে জাই চুলি মেলি বলিয়াৰ দৰে হৈ কৰবাৰ পৰা লৰি আহি দুহাতে বুকু চপৰিয়াই মোৰ ফালে চাই কলে; 'নলিনী! শেহত তয়ো এনেটো কাম কৰিলি! চুকতে থাকি তই ভাল মোৰ বুকুত কামোৰ মাৰিলি!' পাপ্ ফটিকাৰ ৰাগিত মতলীয়া হৈ, তেতিয়া জাৰ সেই হিয়া ভাগি ওলোৱা কথাৰ উত্তৰত মই মাথোন হো-হো কৰে হাঁহিলো। পিশাচৰ হাঁহিৰ নিচিনা মোৰ সেই হাঁহি শুনি জাই আকৌ ইয়াকে মাথোন কলে;— 'আইৰ ঘৰলৈ যাম, দুই হাতে খাম; বিধতাই বোলে মই পিচে পিচে যাম। তই যা, যা, যা, ময়ো কালহৈ তোৰ পিচে পিচে যাব লাগিছোঁ!' স'চাকৈ কব লাগিলে, জাৰ সেই কথা কেইষাৰ মোৰ অন্তৰত শোল সোমোৱাদি সোমাইছিল; আৰু তেতিয়াই মনত বৰ ধিক্কাৰ লাগিছিল; কিন্তু সেই সন্তাপ সেই ধিক্কাৰ ততালিকে উৰি গল; কাৰণ তেতিয়া মই পাপ-পুখুৰীত ডিঙিলৈকে তল যোৱা; তাৰ পৰা মোৰ উঠিবৰ শকতি নাই।

"দুখুনী জাৰ মৰ্ম্মভেদী কথা অচিৰতে মোৰ গাত ফলিয়ালে। ছমাহ

যাও'তে নৌ যাও'তেই মোৰ পাপৰ পৰাচিত ঘটিল, মই গৰ্ভৱতী হলোঁ। পাপিষ্ঠ জেঠাল যদিও পশুতকৈও অধম, তথাপি হিন্দু সমাজৰ ভিতৰত তেওঁ এজন বৰমূৰীয়া আছিল। দুৰ্ব্বল হিন্দু সমাজে, ধনৰ বলেৰে বলী তেওঁক এৰিবলৈ সাহ গোটাব পৰা নাছিল; বৰং সেই সমাজে তুৰি মুৰি কৰিব নোৱাৰাকৈ তেওঁহে ধনৰ সোপাৰে সমাজৰ মুখত সোপা দি থৈছিল। কিন্তু এইবাৰ তেওঁৰ ভয় হ'ল। তেওঁ ভাবিলে এশ গৰু মাৰিলে বাঘৰো মৃত্যু বুলি কয়; কিজানি ইমানটো ডাঙৰ কলঙ্ক এইবাৰ তেওঁ চম্ভালিব নোৱাৰেই। সেইদেখি তেওঁ মোৰ গৰ্ভ নষ্ট কৰিবলৈকে মনতে সংকল্প কৰি সেই কাৰ্য্যৰ অৰ্থে খুব চেষ্টা কৰিবলৈ ধৰিলে। কিন্তু তেওঁৰ সকলো চেষ্টা বিফল হল। বীৰ পুৰুষে শেহত কি কৰিলে কওঁ শুনা।

"এদিন ৰাতি মোৰ টোপনিত পাষণ্ডই মোৰ টেটুটো চেপা মাৰি ধৰি মোক বধ কৰিলে। পাপিষ্ঠৰ এটা পৰম বিশ্বাসী পামৰ লগুৱা বা লগৰীয়া আছিল। তাৰে সৈতে লগ লাগি মোৰ ডিঙিত এটা ডাঙৰ শিল জৰীৰে বান্ধি দি সেই ৰাতিয়েই মোক এই পুখুৰীত পেলাই দি পাপিষ্ঠই কলঙ্কৰ হাতৰ পৰা উদ্ধাৰ হল। পাপীৰ হাতত মোৰ প্ৰাণ যোৱাৰ দিনৰে পৰা আজিলৈকে মই এই পুখুৰীতে পৰি আছিলোঁ। বেচ আছিলোঁ, শান্তিত আছিলোঁ; এই স্বাৰ্থপৰ দুখৰ সংসাৰত জোন বেলি তৰা, বিশেষকৈ পুৰুষৰ মুখ মোৰ চকুত নপৰাকৈ আছিল। আহা কি শান্তি! কি আৰাম! তুমি কিহৰ বাবে, কি আখেজত আজি মোক জালোৱাৰ হতুৱাই আজোৰাই লটি-ঘটি কৰি মোৰ শান্তি ভঙ্গ কৰি এইদৰে পাৰত পেলাই দিয়াঁলা? মোৰ সৈতে তোমাৰ শত্ৰুতা কোনো কালে নাছিল। তোমালোক মতা মানুহে তিৰোতা মানুহৰ ওপৰত দৌৰাত্ম্য কৰিবলৈ আৰু নেৰা নে? চিৰকাল আমাৰ ওপৰত তোমালোকে জুলুম কৰিয়েই থাকিবানে?

"হৰি হৰি! তিৰোতাৰ জীৱন দুখৰ জীৱন। তাক আৰু দুৰ্ভগীয়া কৰিবলৈ মতা সদায় সাজু! বিয়া কাক বোলে তাক জনাৰ আগেয়েই, আৰু স্বামী কাক বোলে তাক চকুৰে দেখাৰ আগেয়েই অৰ্থাৎ প্ৰকৃতপক্ষে স্বামীক পোৱাৰ আগেয়েই মই স্বামী হেৰুৱালোঁ, বিধবা হলোঁ! তোমালোক পুৰুষৰ কেনে যুক্তি! কেনে ন্যায়! তোমালোক আপোনপেটীয়া স্বাৰ্থপৰ জাতি। তিৰোতাৰ আগত বৰ-মতা বোলোৱা তোমালোকৰ স্বভাৱ। সত্য ত্ৰেতা দ্বাপৰ যুগৰ 'বাতিল' ব্যৱস্হা শাস্ত্ৰবিলাক তোমালোকৰ আজি-কালিৰ আইন; শ্ৰীৰামপুৰৰ 'নতুন পঞ্জিকা'ৰ দৰে সি কেতিয়াও কোনো কালে পুৰণি হব নেজানে। আৰু আইন কৰোঁতাসকল অৱশ্যে পুৰুষ মানুহেই। সত্য ত্ৰেতা দ্বাপৰৰ ৰজা গল, ৰাজত্ব গল, বৈদিক পৌৰাণিক কত কি ধৰ্ম্ম গল, আচাৰ গল, ব্যৱহাৰ গল,

আন কি, বগা আৰ্য্যবোৰৰ গাৰ বৰণ সলনি হৈ তেওঁলোক কলা হলগৈ; কিন্তু সেইবোৰ যুগৰ সমাজৰ মানুহে চলিবলৈ কৰা আইনৰ সলনি নাই; সি মোট নসলোৱাকৈ তেনেই জীয়াই আছে! আৰু বেলি পানী হৈ সৌ চাপৰিটো তল গৈছিল, এইবেলি সি শুকাই টকলানি হৈ আছে; তুমি তাতে জোবোবা এটা মাৰি গাটো ধুই নাহাগৈ কিয়? তোমালোকৰ ন্যায় মতে স্মৃতি শাস্ত্ৰ মতে বিচাৰ কৰি চালে তুমি দেখিবা যে তাত এতিয়াও পানী আছে, তুমি মনুৰ মতে এতিয়াও তাত জোবোবা মাৰি আহিব পাৰাগৈ। কিবা বোলেনে, 'ওলোটা বুজিলি ৰাম'—তোমালোক মতা মানুহ; পুৰুষে পুৰুষে ওলোটা বুজি হে তোমালোকে সকলোকে হেৰুৱাই এই নীহ অৱস্থা পাইছাহি। তোমালোকৰ লক্ষণ ধ্বংসৰ ফালে, তেহেলৈ তোমালোকে যিহকে কোৱা। তোমালোকৰ ভিতৰৰ কোনোবা কাচিৎ এজন দুজনে তোমালোকৰ অন্যায় ব্যৱহাৰ দেখুৱাই তিৰোতাৰ প্ৰতি ভদ্ৰ আৰু ন্যায় ব্যৱহাৰ কৰিবলৈ তোমালোকক যদি কয়, তেন্তে তোমালোকে কঁকালত টঙালি বান্ধি উঠি বক্তাজনক কিলাবলৈ যোৱা আৰু নানা অত্যাচাৰ উৎপাত তেওঁৰ ওপৰত কৰা! বিদ্যাসাগৰে আমাৰ হৈ আধাৰ চেৰেক কথা কোৱাৰ বাবে তেওঁক তোমালোকে নকৰিবৰ চকৰি কৰিলা। গালি শপনি নিন্দাৰে তেওঁক তোমালোকে পুতি শেহত এঘৰীয়া কৰি এৰিলা। ন্যায় আৰু ধৰ্ম্মৰ ব্যৱহাৰ তোমালোকৰ পৰা তো আমি পাব নোৱাৰোঁৱেই, তোমালোকে যি স্মৃতিশাস্ত্ৰ মানো বুলি কোৱা, সেই শাস্ত্ৰই বিহাৰ দৰেও কিন্তু তোমালোকে আমাৰ প্ৰতি ব্যৱহাৰ কৰিবলৈ অমান্তি হোৱা। ধইন তোমালোক! বিদ্যাসাগৰে শাস্ত্ৰ সাগৰ মথি তাৰ পৰা বিধৱাৰ বিয়াৰ ব্যৱস্থা উলিয়াই তোমালোকৰ আগত ধৰিলে। তোমালোকে নানা তৰ্কজাল পাতি সেই ব্যৱস্থা টিলিকি মাৰি উৰাই দিবলৈ চেষ্টা কৰি, নোৱাৰি শেহত তেওঁক গালি পাৰি ৰণ জিকিলা। তোমালোকৰ গুণৰ কথা তিন দিন তিন ৰাতি কৈ থাকিলেও ওৰ নপৰে। আমি এবাৰ স্বামী হেৰুৱাই তোমালোক পুৰুষৰ ব্যৱস্থা মতে দুনাই বিয়া কৰিব নোৱাৰো; কিন্তু তোমালোকলৈ হলে সেই বাট একেবাৰেই মুকলি ৰাজআলি। ঘৈণীয়েক মৰি থাকক যতবাৰ হয়, তোমালোকে যিমান যায় বিয়া কৰি থাকিবা; তালৈ শাস্ত্ৰই হাতত ছাতি ধৰি তোমালোকক আদৰি লগে লগে লৈ যাব। ছিঃ এনেখন শাস্ত্ৰ তোমালোকৰ? এনেকুৱা তোমালোক! এনেকুৱা এইখন সংসাৰ! এইখন সংসাৰৰ গৰাকী কোন? আপোনপেটীয়া মতা কেইটাৰ বাহিৰে ইয়াৰ আন কোনোবা গৰাকী আছে যেন মনে নধৰে।"

এইখিনিতে মই মাত লগালোঁ, "শুনিছানে বোলোঁ, জানি শুনি আজি আমি তোমাৰ শান্তিভঙ্গ কৰা নাই। নজনাত হে এই কাণ্ড ঘটিছে। এতিয়া কি কৰিলে আমাৰ গাৰ পৰা দায় যাব আৰু তোমাৰো আকো শান্তি স্থাপন হব কোৱা, মই নিশ্চয় তাকে কৰিম।"

তিৰোতাজনীয়ে উত্তৰ দিলে, 'আকৌ মোক এই পুখুৰীৰ পানীত পেলাই দিয়াঁ, তেনেহলে মই আকৌ আগৰ ঠাইতে আগৰ দৰে নিশ্চিন্ত হৈ শুই থাকিম; আৰু নুমুৰা অগণি নজ্বলে। মই কলোঁ, "দিম পেলাই; কিন্তু এটা কথা;— তোমাক মই যেনে দেখিছোঁ এই অৱস্থাত তোমাক পুখুৰীত পেলাই দিলে মোক নৰহত্যা অপৰাধত পুলিচে ধৰি লৈ যাব আৰু মোৰ ফাঁচী হব।" মোৰ এই কথা শুনি মানুহজনীয়ে পিশাচৰ দৰে ইমান হাঁহিলে যে শেহত তাই মাটিত বাগৰি পৰিও তাইৰ হাঁহিৰ ওৰ নপৰা হল। তাইৰ সেই বিকট হাঁহিত মোৰ বুকু কঁপিবলৈ ধৰিলে। তাই হাঁহি হাঁহি বাগৰি গৈ গৈ শেহত পুখুৰীৰ পাৰৰ সিফালৰ খাৱৈত পৰিল। মই চকিদাৰ চকিদাৰ বুলি মাতিলত, বাগিচাৰ চৌকিদাৰ লৰি আহিল! মই তাক কঁলো, "সেইয়া দেখিছ নে?" সি সুধিলে "কি দেউতা?" মই উত্তৰ দিলোঁ "সেইজনী তিৰোতা মানুহ মতলীয়াই নে কি মই কব নোৱাৰোঁ, বাগৰি গৈ খাৱৈত পৰিছে।" চকিদাৰে তধা লাগি অলপমান ৰৈ কলে, "কতা দেউতা! মই দেখোন একো দেখিবলৈ পোৱা নাই; দেউতাই কিজানি কিবা সমাজিক দেখিছিল হবলা। উঠক দেউতা ইয়াৰ পৰা বলক, ভিতৰত শোৱক গৈ; এই বাগিচাত দেও আছে, বাহিৰত শোৱা ভাল নহয়।"

মই 'বাৰু বল যাওঁ" বুলি কৈ তাক কলোঁ, "দেখ যোৱাৰ আগেয়ে তই চাচোঁন বাৰু খালটোত কি আছে।" সি মোৰ কথা মতে চাই কলে, "অ এইটো আজি ৰাতিপুৱা জালত উঠা সেই লাওখোলাটো। ইয়াক দুৰৈত পেলাই দিব লাগিছিল, ইয়াতে কোনে পেলাইছিল কব নোৱাৰোঁ" এই বুলি সি জেওবা এচলা আনি তাৰ আগেৰে সেই লাওখোলাটো দুৰলৈ মাৰি পঠিয়াব খোজোঁ-তেই মই "ৰবি ৰবি" বুলি তাক হাক দি কলোঁ, "পুখুৰীৰ বস্তু আকৌ তাক পুখৰীতে পেলাই দে, সি আগেয়ে যত আছিল ততে থাওক।" চকিদাৰে সেই কথাত অমত প্ৰকাশ কৰিব খোজোঁতেই মই আকৌ কলোঁ, "নহয় তই জনা নাই, বাগিচাৰ ওচৰত পৰি থকা তাক পুলিচে দেখিলে নানা সন্দেহ কৰি আমাক দিগদাৰি কৰিবৰ সম্ভৱ; সেইদেখিহে মই কৈছোঁ যে তাক পুখুৰীতে পেলাই দিয়াই হে ভাল।" পুলিচৰ নাম শুনি চকিদাৰে ভয় খাই আৰু একো নকৈ সেই লাওখোলাটো আকৌ পুখুৰীত পেলাই দিলে। মই তাৰপৰা উঠি আহি ভিতৰত শুবৰ চেষ্টা কৰিলোঁ, কিন্তু আৰু টোপনি নাহিল। কেতিয়া ৰাতি পুৱাই কেতিয়া ৰাতি পুৱাই ভাবি বাট চাই থাকোঁতে ৰাতি পুৱাল। "মোৰ বৰ সকাম এটা আছে" বুলি নিৰ্ম্মল বাবুক কৈ তেওঁলোকৰ আগেই মই সেই বাগিচাৰ পৰা গুচি আহিলোঁ।

—×—

# মলক গুইন্-গুইন্

"হেয় আও! তোম কোন হ্যাঁয়? দৰৱাজাকা চামনে কাহে খাৰা হ্যাঁয়?" ক'কালত পিতলৰ ছাপবাচ আৰু মূৰত ৰঙা কলাৰে সানমিহলী কাপ্ কাপ্ পাগুৰী পিন্ধা হিন্দুস্থানী ছাপৰাচী এটাই, মুগাৰ ববচুৰিয়া আৰু এৰিয়াৰ মিৰ্জাই-চোলা পিন্ধা, গাত খনীয়া কাপোৰ আৰু হাতত বাঁহৰ লাখুটি লোৱা, শুদা ভৰি, ওঠত তামোলৰ ৰাং, মুখত তামোলৰ মোকোৰাৰে আদহীয়া বয়সৰ চহা মানুহ এজনক এইদৰে কেৰ্কেৰীয়া মাতেৰে এদিন পুৱা ৯ মান বজাত সম্বোধন কৰিছে। ছাপৰাচীৰ প্ৰশ্ন শুনি মানুহজনে উত্তৰ দিলে "মই মোৰ পো মলখু বোপাক চাবলৈ আহিছোঁ। বতৰা কৈ দিয়াঁ ছাপলাঠি ককাই, মই আহিছোঁ বুলি।"

ছাপৰাচী।— "তোমাৰা কোই মলখু পো হিয়া নাহি হ্যাঁয়। এইথু গু'ই গু'ই চাহাবকা মোকান হ্যাঁয়। হিয়াছে ভাগ্ যাও। নাহিতো চাহাব বাহাৰমে আয়কে তোমকু হি'য়া দেখনেচে হমাৰা উপৰ বহুত গোচা কৰেগা।"

মানুহজন।— "নহয় ছাপলাঠি ককাই মোৰ নিজৰ লেৰেকা মলখু বাবুৰ ঘৰ মই জানো। তুমি নতুন মানুহ হবলা, সেই দেখি মোক চিনি পোৱা নাই। তুমি ভিতৰলৈ গৈ মোৰ কথা মোৰ ল'ৰাৰ আগত কোৱাগৈ, সি এতিয়াই ওলাই আহিব।"

ছাপৰাচী।— "বুঢ়াথু পাগলা হ্যাঁয় না ক্যা কুচ মালুম নাহি হ্যাঁয়। ইচকা মলখু বাবু লেৰকাকু হিয়া চাহাবকা কুঠিমে তল্লাচ কৰণে আয়া। যাও, ভাগ হি'য়াচে। হি'য়া তোমৰা মলখু-উলখু কোই নাহি হ্যাঁয়। মগৰ, বাত নাহি শুনেগা তো তোমকু গৰ্দ্দান পাকৰকে হি'য়াছে নিকাল দেগা।"

কথাষাৰ শুনি মানুহজন খঙত থৰ থৰ কৰে ক'পিবলৈ ধৰিলে। ক্ষন্তেক টভক মাৰি থাকি তেও' মাত লগালে, "কি কলি কটা কুকুৰ-ধুলি ছাপলাঠি? তোৰ ইমানটো সাহ নে? তই মোৰ গলধনটোত ধৰি উলিয়াই দিবি? মোৰ নাম তোলন সাজতোলা বুলি কটা ভু পাৱ নে নাই? তোৰ চাহাবৰ মই বাপেক বুলি

তুই বঙ্গালে জান নে নাই? কটা, তোৰ ইমানটো কেৰামত? এতিয়াই মোৰ লৰাক কৈ দি তোৰ দাঁত এটাইকেউটা ভঙ্গাম বুলি জানিছ নে বোলোঁ?”

এই কথাৰো অন্ত পৰিল, আৰু তোলন সাজতোলা আৰু ছাপৰাচীৰ মাজত জোটাপুটি লাগি পৰিল। ডাঢ়ি গোঁফ খুৰুৰা মুখ, পাহ-কটা চুলি, উধনিয়া খোপা আৰু ফটুৱাই ফটা ভৰিৰে আঢ়ৈ কুৰি বছৰীয়া গাৰ্লনীয়া মানুহ এজনে হিন্দুস্থানী ছাপৰাচীটোৰ সৈতে জোটা-পুটি লগাই বাহিৰত হাই-উৰুমি কৰিছে শুনি মিষ্টাৰ মলক গুইন্-গুইন্ চাহাব, “কোন হাল্লা কৰতা?” বুলি হুকি মাৰি দি ভিতৰৰ পৰা “শ্লিপিং চুট আৰু শ্লিপাৰ” অৰ্থাঃ ৰাতি শুবলৈ যাওঁতে পিন্ধা ঢিলা চোলা আৰু ঠেঙা, আৰু ভৰিত চটি জোতা-ৰেই বাহিৰলৈ ওলাই আহিল। জোটাপুটি লগা শালিকাই কোনো মানুহ সিহঁতৰ কাষ চাপি গলে ততালিকে জোটাপুটি ভাঙ্গি আঁতৰা-আঁতৰি হৈ চেক্ চোকোৰাদি চাহাবক অহা দেখিয়েই ছাপৰাচী আৰু তোলন দুয়ো জোটা-পুটি ভাঙ্গি দুয়ো দুইকো এৰি আঁতৰ হৈ ফোঁপাই-জোপাই একেবেলিয়েই দুয়ো দুইৰো নামে চাহাবৰ আগত গোচৰ দিবলৈ ধৰিলে।

ছাপৰাচী।— “দেখিয়ে হজুৰ। এইথু বুঢ়া পাগলা না চোৰ কুচ ঠিকনা নাহি, কাঁহাচে আয়কে হিয়া হাল্লা কৰণে লাগা। আউৰ হামকু বলতা উচকা কোই মলখু বেটাকা স্যাৎ মুলাকাত কৰাই দেনেকু। হম ভালা কৰকে ইছকু চমজাইকে দিয়া যে এইথু চাহাবকা কুঠি, হিঁয়া উচ্‌কা মলখু লেৰকা কোই নাহি হ্যাঁয়; লেকিন বুঢ়াথু হামকু গালি দেনে লাগা।”

তোলন।— “হেৰ চাছোন বোপাই মলখু! তোৰ ছাপলাঠি নে টেকেলা কি এইটোৱে মোক গালি পাৰি টানি আজুৰি নগুৰ্ণাগতি কৰি কি অপমান-বিলাক কৰিব লাগিছে। কুকুৰৰ সাহটো চাছোন, সি হেনো মোৰ গলধনটোত ধৰি মোক গতিয়াই ইয়াৰ পৰা উলিয়াই দিয়ে!”

তোলন সাজতোলাই এই কথা গুইন্-গুইন্ চাহাবৰ আগত কৈ চকুৰ পানী টুকিবলৈ ধৰিলে। চাহাবে সাজতোলাৰ ফালে চাই গম্ভীৰভাৱে কলে, “তুমি কৰ পৰা আহিছে? কোন আছে? মই তোমাক চিনি নাপাওঁ? ইয়াৰ পৰা এতিয়াই তুমি গুচি যাব লাগে।” এই বুলি চাহাবে সাজতোলাৰ ফালে পিঠি দি ছাপৰাচীৰ ফালে মুখ কৰি আকৌ কলে,— “ছাপৰাচী, এই বুঢ়াক হিয়াছে বাহাৰ যানে বলা। লেকিন গালি দেও মৎ, মাৰ মৎ, হাল্লা কৰ মৎ।”

এই কেষাৰ কথাৰো অন্ত পৰিল, মলক্ গুইন্-গুইন্ চাহাবে চট্ চট্ কৰে চটি জোতাৰে নিজৰ ভৰিৰ তলুৱাত কোবাই ঘৰৰ ভিতৰ সোমাই অন্তৰ্ধান হল। পুতেকৰ ব্যৱহাৰ দেখি বুঢ়া তোলন সাজতোলা চৰণ পৰা

মানুহ যেন হৈ থৰ লাগি অলপ পৰ থাকি, "হেৰ মলখু তই মোক চিনিকে নোপোৱাই হলিনে?" বুলি কওঁতেই, ছাপৰাচীয়ে তেওঁৰ হাতত ধৰি টানি লৈ গৈ তেওঁক বাজআলি পোৱালেগৈ। বুঢ়া মৰ্ম্মান্তিক হৈ, "হে পৃথিৱী মাতৃ! তুমি দুফাল হোৱাঁ, মই তোমাৰ গৰ্ভত সোমাওঁ" বুলি কৈ এটা দীঘল হুমুনিয়াহ কাঢ়ি, যি বাটেদি আহিছিল সেই বাটেদিয়েই তাৰ পৰা গুচি গল।

এই খিনিতে এই বুঢ়াৰ চিনাকিটো দিয়া যাওক আৰু মলক চাহবৰ আখ্যানবো যৎকিঞ্চিৎ আভাস দিয়া যাওক। এওঁ চেটিয়া গাৱঁৰ তোলন সাজ-তোলা। চেটিয়া গাৱঁত তোলন এজন গণ্যমান্য মানুহ। দিহিঙৰ গোঁসায়ে তেওঁক সাজতোলা পাতি সন্মানিত কৰিছে। গাৱঁৰ লৰা, ডেকা, বুঢ়া সকলোৱেই তেওঁৰ হাক বচন শুনে আৰু তেওঁক মানি চলে। সাজতোলা দুটা লৰাৰ বাপেক; এটাৰ নাম মলখু আৰু আনটোৰ নাম পুণাৰাম। সাজতোলাই পুণাইক খেতি-বাতি কৰিবলৈ শিকাই তেওঁৰ লগতে ৰাখিছিল, আৰু বৰটো লৰা মলখুক লখীমপুৰ জিলাত দেউনাথ খাজাঞ্চীৰ ঘৰত লাচনি-পাচনি বন-বাৰি কৰি আৰু লগে লগে লেখা--পঢ়া শিকাবলৈ থৈছিল। মলখুৰ বুধিটো সৰুৰে পৰা জোঙা আছিল গুণে, সি বন-বাৰিৰ অন্তত যি ফেৰা আহৰি পাইছিল সেই ফেৰা কালত তাক লেখা-পঢ়াত লগাই দি বিদ্যাৰ বাটত ভৰ্-ভৰ্ কৰে সোমাই যাবলৈ ধৰিলে। মাহেকে পষেকে বাপেক জিলালৈ আহি মলখুক ঘৰলৈ লৈ গৈছিল, আৰু ঘৰত তাক দুদিন চাই দিন ৰাখি আকৌ জিলাত থৈ গৈছিলহি। কালক্ৰমত মলখু এণ্ট্ৰেঞ্চ পৰীক্ষাত উঠিল আৰু অসমীয়া ছাত্ৰৰ নিমিত্তে চৰ্কাৰৰ ঘৰৰ পৰা দিহা কৰা জলপানী পাই কলিকতাত এল্-এ পঢ়িবলৈ আহিল। খাজাঞ্চীৰ ঘৰত থকা শেহ ডোখৰ কালতে মলখুৰ খোপা ক্ৰমশঃ টুটি গৈ টিকনিত পৰিছিল, কলিকতা পায়েই সি একেবাৰেই অন্তৰ্দ্ধান হল। লালুকীৰ নেজ সৰিলে সি ভেকুলী হৈ জপিয়ায়; আমাৰ মলখুৰো ওলোটা ফালৰ নেজ অৰ্থাৎ টিকনি সৰি কলিকতা চহৰৰ আলিত তেওঁ জপিয়াই "কলৈ যাওঁ গোপাল, কলৈ যাওঁ কৃপাল" লগালে। এফালে টুটিলে আনফালে বাঢ়ে, এই নিয়ম মতে মলখু টিকনিত টুটিল হয়, কিন্তু উপাধিত বাঢ়িল। খোলাখুলিকৈ কবলৈ গলে, কলিকতাৰ কলেজৰ হাজিৰা বহিত আৰু চিঠি-পত্ৰ আদি আন কাকত পত্ৰতো তেওঁৰ নামৰ পিছত গগৈ উপাধি গজিল। ইংৰাজ পণ্ডিতে বোলা "ল অব্ ইভলিউচন" যাক বঙ্গালী পণ্ডিতে বিৱৰ্ত্তনবাদ বুলি তৰ্জমা কৰিছে, সেই নিয়ম মতে, কলিকতাৰ বালাম নামৰ চাউল, ৰস-গোল্লা-সন্দেশ নামৰ মিঠাই আৰু লুচি-কচুৰি নামৰ পিঠাৰ সহায়ত, মাহ-চেবেকৰ পিচত শ্ৰীমান মলখু গগৈ মিষ্টৰ এম গগৈ হৈ পৰিল। দুবছৰৰ পিচত

ওভোটা-কোলৰ নিচিনা বুধিৰ মলখুৰে এল্-এ পৰীক্ষাটো কোনো মতে খুঁচ ধৰিলে আৰু কলিকতা গেজেটত তৃতীয় বিভাগত তেওঁৰ নামটো তৃতীয়াৰ চন্দ্ৰৰ দৰে উদয় হ'ল। বি,এ, পৰীক্ষাটোকো তেওঁ সেইদৰে কাৰু কৰিবৰ মতলবেৰে "চেণ্ট্‌জেভিয়ৰ্চ" কলেজৰ তৃতীয় বাৰ্ষিক শ্ৰেণীত ভৰ্ত্তি হল। কাতি মাহৰ পহিলা তাৰিখটো মনত ৰাখিব লগীয়া দিন; আমাৰ নহলেও মিষ্টাৰ এম্ গগৈৰ: কাৰণ সেইদিনা গধূলি পাঁচ বজাত মিষ্টাৰ এম্ গগৈয়ে দেশী চুৰিয়া চোলা চেলেঙক কুটা চিঙি এৰি হেট কোট পেণ্টলুন পিন্ধি চাহাব হৈ ডাক্তৰ চৰ্কাৰৰ "চায়েণ্ড এছ্‌চিয়েচনৰ" বক্তৃতা শুনিবলৈ গৈছিল। আঘোণৰ শেহ পষটোকো কাতিৰ পহিলা তাৰিখৰ শালপতিয়েক বুলিলে হয়; কিয়নো, সেই পষতে তেওঁৰ নামেও তেওঁৰ সাজৰ পিচ ধৰি, পুৰণি লেটাটো ফুটাই তাৰ ভিতৰৰ পৰা পোক গুচি পখিলা হৈ ওলাল। অৰ্থাৎ মিষ্টৰ এম্ গগৈ মলক্ গুইন্-গুইন্ (Mullock Gwyn-Gwyn) হল। কেবেলুৱাটো গৈ থাকোঁতে তাক কোনোবাই ছুই দিলে যেনেকৈ সি থৰ্মকি গোটবান্ধি ঘূৰণীয়া হয়, সেইদৰেই আমাৰ মলখু চাহাব পঢ়া-শুনাৰ বাটত বাটবুলি থাকোঁতেই চাহাবী সাজ 'খানা' আৰু নামে তেওঁক ছুই দি থমকাই দিলে, আৰু তেওঁ হেট কোট পট্‌লুঙে সৈতে গোটবান্ধি ঘূৰণীয়া হল। অধিক কি, মলক্ গুইন্ গুইন্ চাহাব বি,এ পৰীক্ষাৰ ঘূৰণীয়া মেৰটোত সোমাই গৈ ঘূৰি ঘূৰি আকৌ আগৰ ঠাইতে ওলাবলৈ ধৰিলে, কোনোমতে অলপো আগবাঢ়িব নোৱাৰাত পৰিল; অৰ্থাৎ পোনাই কবলৈ গলে, তেওঁ 'ফেল' হল। ইফালে চৰকাৰৰ ঘৰৰ পৰা পোৱা জলপানীৰো ওৰ পৰিল। আৰু তেওঁৰ কাপোৰ-কানিও কলা হল। অগত্যা তেওঁ কৰে কি, ঘৰলৈকে উভতি যাবলৈ থিৰ কৰিলে। দুখৰ কথা কি কবা, গুইন্-গুইন্ চাহাবে চান্দনি বজাৰত প্ৰস্তুত চাহাবী কোটেৰে ঢকা বহল পিঠিখন "চিভিলাইজেচনৰ বোটলত" অৰ্থাৎ সভ্যতাৰ বণত দেখুৱাই ঘৰমুৱা হৈ অসভ্য আসাম দেশলৈ অগত্যা যাব-লগীয়াত পৰিল। অদৃষ্টই কলিকতাৰ সাবুৱা মাটিৰ পৰা তুলি নি আসামৰ কটুৰ মাটিত মলক চাহাবক বুই দিয়া বাবে তেওঁ চক্ খাই কিছুমান দিন গজালি পোখা একো নেমেলাকৈ আছিল; কিন্তু শেহত দয়াময় হাকিম পৰ্টিৰিচ চাহাবৰ দয়াত তেওঁ স্কুলৰ চব ইন্সপেক্টৰৰ বিষয়খন পালে। টেঙৰ কলা মলক চাহাবৰ এটা গুণ আছিল; তেওঁ বগা চাহাবসকলৰ ভৰিত ভালকৈ তেল টেঙা ঘঁহিব জানিছিল; গতিকে তেওঁ অলপ দিনৰ ভিতৰতে চব-ইন্সপেক্টৰৰ মোটটো সলাই তঁচিলদাৰৰ মোটটোত সোমাবলৈ পালে।

এইখিনিতে কোৱা আৱশ্যক যে পো তুলি-তালি ডাঙৰ দীঘল কৰি তাৰ ঘটন্-পিটন্ খাম বুলি বাট চাই থকা বাপেক তোলন সাজতোলা আৰু

মাক সাজতোলানী আশাত নথৈ নিৰাশ হল। মলক চাহাবে আসামলৈ উন্নতি যোৱাৰ দিনৰে পৰা, তেওঁলোকক আন কোনো প্ৰকাৰ সহায় কৰা দূৰৈত থাওক, এদিনো দৰ্শন দিবলৈকে নগল। মাকে পুতেকক মতাই ঘূৰি নোযোৱা দেখি শেহত সাজতোলা আৰু পুনাইক পঠিয়াই দি কৈ পঠিয়ালে যে "মোৰ গা বৰ বেয়া; সবহ দিন আৰু মই নিজীওঁ। এইবাৰ যদি সি নাহে, তেন্তে মই এতিয়াই মৰিলোঁ বুলি সি এৰিব।" কিন্তু "বামুণেই মৰক বা লগুণেই ছিগক" অৰ্থাৎ মাকেই মৰক বা এই পৃথিবীয়েই ওলটক, মিষ্টৰ গুইন্ গুইন্ "ন লৰন্তি ন চৰন্তি।" সাজতোলা নিৰুপায় হৈ শেহত চাহাবৰ এজন কলিকতীয়া বন্ধুৰ কাষলৈ গৈ "লৰাটোক" বুজাই-বঢ়াই কোনোমতে তেওঁ-লোকৰ লগত ঘৰলৈ পঠিয়াই দিবলৈ খাটিলে। বন্ধুৰ বুজনিত চাহাব অলপ কুমলিল। চাহাবে বাপেকক কলে, "অল ৰাইট্" মই যাম; 'বট্' কিন্তু ৰাজ-আলিৰ পৰা ঘৰলৈ যাবলৈ পথাৰৰ মাজেদি যিটো আলি আছে, সেইটো বৰ নেৰ,— অলপ বহল কৰিব লাগিব, নতুবা মই সেই ঠেক আলিত বুট জোতাৰে যাব নোৱাৰিম; কিজানি পিচলি পৰিব পাৰিম, তেনেহলে হক্‌লো মাট্টি।"

সাজতোলা।— "নপৰ বোপাই নপৰ; আজিকালি পানী বোকা একো নাই; শুকান। সেই আলিটো বহল কৰিবলৈ মই ইমান খৰচ কত পাম ? তাৰ বাহিৰে, লোকৰ মাটিৰ ওপৰেদি আলি; লোকে তাক বহলাবলৈ দিব কেলেই ?"

মলক্।— "আচ্ছা আলি বহলাব নোৱাৰা যদি কি কৰিবা। কিন্তু পুখুৰীৰ গেলা পানী হলে মই খাব নাই পাৰিম; খালে মোক একদম্ মেলে-ৰিয়া আৰু কলেৰা দোনো পাকুৰিব।"

সাজতোলা।— "বাৰু বোপাই মই তাকে কৰিম; কিন্তু তই মোৰে শপত যাব লাগিব; নগলে মাৰ কান্দি-কাটি এধামৰা হব।"

মলক।— "অৱশ্যে অৱশ্যে যাম। যাম বুলি মই 'প্ৰমিচ' মানে প্ৰতিজ্ঞা কৰিলো যেতিয়া 'ডিউটি বাউণ্ড' যাম। আইক কৰা বেছি 'চেণ্টিমেণ্ট' নকৰি-বলৈ ? কৰিলে কোনো 'ফয়দা' নাই। কিন্তু এটা কথা; তাত মই ভাত খাবলৈ দুবেলা গা ধুব নোৱাৰোঁ। তোমালোক ভেকুলি বেঙৰ নিচিনাকৈ পানীত পৰিয়েই থাকা। তেনে কৰিলে মোৰ পানী লাগিব, চৰ্দ্দি হব, জ্বৰ আহিব, বহুত 'তকলিপ' হব। আৰু জ্বৰ হলে, বাই জোভ ! হু উইল্ চেভ্ মি ? ন ব্ৰিডি ডক্তৰ, ন ব্ৰুমিং মেডিচিন দেয়াৰ !"

সাজতোলা।— "নেলাগে তুমি আমাৰ দৰে দুবেলা গা ধুব মোৰ বোপাই, পুৱাবেলা এবাৰ ধুলেই হব।!"

মলক।— "অল ৰাইট্ বট, ৰাতিপুৱাই গা নোধোৱাকৈ মোক 'ছোট হাজিৰি' দিব লাগিব; নতুবা মোৰ 'হেল্‌ঠ' মানে স্বাস্থ্য নষ্ট হব।"

সাজতোলা।— "ছোট হাজিৰি মানে কি বোপাই ? তোৰ কি নষ্ট হব ? ৰাতিপুৱাই তুমি তাত কাৰো ওচৰত হাজিৰা দিব নালাগে।"

মলক।— ইচ্ ইচ্ তুমি একো নুবুজা, ছোট-হাজিৰি মানে হাজিৰা নহয়, খানা। প্ৰাতঃ ভোজন। বাতিপুৱাৰ খানা।

সাজতোলা।— "এতিয়া বুজিলোঁ। কোনো খাব নোপোৱা বস্তু নহয় নহয়? খাব পোৱা বস্তু কিয় খাবলৈ নিদিম? দুপৰ বেলিলৈকে তোক শুকা-বলৈ দিম কিয়, মোৰ সোণাই! তোৰ মাৰে চিৰা সান্দহ নানা ৰকমৰ পিঠা পিঠাগুৰি টেকেলিয়ে টেকেলিয়ে তোলৈ সাঁচি থৈছে; তই যত পাব খাবি; গা নোধোৱ নালাগে ধুব।"

মলক্।— "গুড্‌নেচ গ্ৰেস্যচ" মোক মাৰিবলৈ বন্ধৱস্ত কৰি থৈছেনে কি? হু দি ডেভিল উইল টেক ইয়ৰ ব্লুমিং চিৰা-পিঠা, এণ্ড পাৰ্টিকিউলাৰ্লি দেট্ ডেলিকেচি ইয়ৰ পিঠা-গুৰি? বোলো সেইবোৰ 'ডেঠ মানে মৃত্যু! মোক ৰাতিপুৱাই এপিয়লা চাহ, আৰু কণি এটা বা দুটা সিজাই দিবা, বচ্। কণি পোৱা যাব তো?"

সাজতোলা।— "আমাৰ ঘৰবে দুজনী হাঁহে কণি পাৰিছে, পোৱা নাযাব কিয় ?"

মলক।— "হাঁহ কণি! হৰিবোল! অল্ ৰাইট, আই নো উই পিপোল আৰ ষ্টিল ষ্টিপ্‌দ ইন্ ডাৰ্কনেচ। আচ্ছা চলি যাব। আই উইল মেনেজ এনি হাউ। চোৱাঁছোন দেউতা! মিন্ টু চে বিৰক্ত নহবা। তুমি যেতিয়া মোৰ ওচৰলৈ আহাঁ তেতিয়া বগা কাপোৰ কানি পিন্ধি আহিবা। তোমাৰ গাত মলিৰে কলা কাপোৰ দেখিলে মোৰ বৰ 'চেম' হয়, মানে মই বৰ লাজ পাওঁ; আৰু মোৰ 'চাৰভেণ্ট আই মিন' লগুৱাহ'তেই বা মোক কি ভাবিব। কোট পেণ্টলুন পিন্ধি আহিব পাৰিলে মই বৰ সন্তোষ পাম।"

তোলন।— "বোলে সাত পুৰুষত নহল গাই, কৰীয়া লৈ খীৰাবলৈ যায়। মৰিবৰ কালত মই এতিয়া ঠেঙা পিন্ধি বহুৱাৰ ভাও দিম। বোপা, তহ'তে বিমানে লেখা-পঢ়া শিকিছ, কিন্তু তহ'তৰ বুধি বিলাক কিবা কলিকতীয়া বেকা হৈ গৈছে।"

মলক।— "অল ৰাইট্। হোৱাটচ্ দি গুদ অব্ ডিচকচিং উইথ এ-এ- ?' বাবু গুডবাই! তুমি যোৱাঁ, মই কাইলৈ যাম।"

পিছদিনা আমাৰ মলক চাহাব ঘৰলৈ গৈ কি কৰিলে কেনেৰূপে চলিলে সেইবোৰ বহলাই লেখিবলৈ গলে এখন পুৰাণ পুথি হব। মুঠতে ইয়াকে কওঁ

যে, প্ৰথমতে কলা কাপোৰ পিন্ধি মাক আৰু ভায়েক তেওঁৰ ওচৰলৈ অহা বাবে তেওঁলোকে এজাউৰি বক্তৃতা শুনিলে। গাৱঁৰ অঙহি বঙহি মিতিৰ কুটুম যি তেওঁক চাবলৈ আহিছিল, কোনেও তেওঁৰ পৰা একোপালি নোপোৱাকৈ ঘৰলৈ উভতি যাব পৰা নাছিল। হাতেৰে ভাত খাবলৈ আপত্তি আৰু মেজৰ ওপৰত ভাত নিদিলে খাবলৈ আপত্তি কৰাৰ বাবে, পুণাৰামে বাঁহৰ কাঁটা চামুচ সাজি, আৰু খুৰা দিয়া পীৰাৰ ওপৰত মাকে ভাতৰ কাঁহী তুলি দিহে তৰ্বাণ পাইছিল। মুঠতে যি তিন দিন মলক চাহাব ঘৰত আছিল, সেই তিন দিনৰ ভিতৰতে তেওঁৰ মাক-বাপেক ভায়েককে আদি কৰি গাৱঁৰ লগা-ভগা সকলোৱে দেও দেও দেখি তেওঁ কেতিয়া তাৰ পৰা ওলাই যায়, তাকেহে চিন্তিছিল।

ইয়াৰ মাহচেৰেকৰ পিছত মলক চাহাব কিবা এটা দৰ্কাৰী কামত মফস্বললৈ যাওঁতে, আলিৰ কাষৰৰ পথাৰত ম'হৰ পিঠিত উঠি ম'হ চৰাই থকা ভায়েক পুণাৰামে তেওঁক দেখিবলৈ পাই, উলাহত আগ পাছ সকলোকে হঠাৎ পাহৰি, সাধুকথাৰ শিয়ালৰ দৰে আনন্দত আপ্লুত হৈ, মাত লগালে "হেৰঔ ককাইটি! কলৈ যাৱ?" ম'হ-গুৱালে হাকিমক এইদৰে সম্ভাষণ কৰাটো কি 'বিয়াদপৰ' কথা হাকিমেহে তাক ভালকৈ বুজিব পাৰে; গতিকে আমাৰ হাকিমে তৎক্ষণাৎ ছাপৰাচীৰ হতুৱাই ভায়েকক ধৰাই আনি চৰ গোটাচেৰেক মৰাই গতিয়াই দিয়ালে। কিল খাই পুণায়ে নিজৰ গৰুৱালি বুজিব পাৰি একোকে নামাতিলে। আৰু পুণাৰামৰ অহিঁ লৈ গছ-গছনি পহু-পতং চৰাই-চিৰিকতি বাটৰুৱা পৰুৱাও নিৰ্ব্বাক। দেখি শুনি আমিও অবাক!

—×—

## প্ৰথম দৰ্শনত ওপজা প্ৰেম

সিদিনা বান্ধ গিৰীন্দ্ৰ বৰা ফোপাই জোপাই আহি মোৰ আগত উপস্থিত। মানুহটোৰ গতিটো দেখি মই ভয় খাই গলোঁ; বোলোঁ কি হল? এওঁ কৰবাত ভৰা নাও বুৰাই আহিল নে কি, নাইবা বাটত বনৰীয়া ম'হ কি গড়ৰ খেদা খাই আহিল? মই তেওঁক আস্তবেস্ত কৰি কি হৈছে বুলি সুধিলত, বান্ধই তিনটা কি চাইটা দীঘল উশাহ সলাই লৈ মোক চকুৰ ঠাৰেৰে আঁতৰলৈ নিৰলাকৈ মাতি নি লেখাদৰে কবলৈ ধৰিলে।—

"বান্ধ মই বৰ মস্কিল এটাত পৰিহে তোমাৰ গুৰিলৈ আহিছোঁ। মোক কি হয় এটা বুদ্ধি-ভাগ দি ৰাখাঁ। নতুবা মই বিপাঙে মৰিলোঁ। মোৰ গড়টো তুমি জানাই; সৰুৰে পৰা কেৱল কবিতা, নাটক, "নভেল', ছাই আৰু ভস্ম, মাথা আৰু মুণ্ড কৰিয়েই গলোঁ। কবিতাৰ ৰস পিবলৈ পালে আৰু নাটক নভেলৰ সোৱাদ জিভাত লাগিলে বিশ্ব ব্ৰহ্মাণ্ড গোটেইখনলৈকে পিঠি দিওঁ! নাটক পঢ়ি তাৰ নায়ক হবলৈ হেপাহ লাগে; কবিতা পঢ়ি হাঁ-হুমুনিয়াহ কাঢ়ি একাকাৰ কৰোঁ। সৰ্ব্বনশীয়া নাটক নভেল পঢ়িয়েই, প্ৰথম দৰ্শনত ওপজা প্ৰেমত মোৰ থাউনি নোপোৱা বিশ্বাস জন্মিছিল।

কিন্তু কবিতা নাটক নভেলেতো আৰু মানুহক পেটৰ চিন্তাৰ পৰা তৰাব নোৱাৰে। তুমি জানাই, দেউতা ঢুকাবৰ পৰা গোলমলীয়া সংসাৰৰ গোলমলীয়া গধুৰ ভাৰ মোৰ মূৰত পৰিল। কি কৰোঁ নিৰুপায়, কবিতা নাটকৰ কিতাপবিলাক হেঁচুকি আঁতৰাই কাষৰীয়াকৈ থৈ ঘৰ সংসাৰৰ কাম হাতত ললোঁ। খেতি-পথাৰ গৰু-গাই ইত্যাদিত হাত নিদিলে সোঁ হাতৰ ব্যাপাৰ নচলাত পৰিল যে। গতিকে, কবিতা থাককে বা যাওক, অগত্যা পুহমহীয়া পথাৰৰ ধান দোৱাৰ তত্বাৱধানৰে পৰা বজাৰৰ লোণ তেল আৰু খৰিৰ খবৰা খবৰত ধৰিলোঁ।

সিদিনা অলপতে আমাৰ পথাৰত ধান-দোৱা চাবলৈ গৈছিলোঁ। দেখিলোঁ, সাতজনী দাউনীয়ে বুকুত মেখেলাৰ মেঠনি মাৰি আৰু ৰিহাখন ক'কালত বান্ধি ধান দাব লাগিছে। সিহ'তৰ ভিতৰতে এজনী দাউনী ১৮/১৯ বছৰীয়া

ভেকেৰী ছোৱালী। তাইৰ হাত দুটা লোহোৰা-লোহোৰ। তাই মেখেলাখন উজাই পিন্ধা বাবে আঠুলৈকে ভৰিৰ যিডোখৰ ওলাই পৰিছিল, সেই ডোখৰ দেখিলেই বুজিব পাৰি যে তাই এজনী ডাকলী তিৰোতা। তাইৰ আঙ্গুলিবোৰ যেন একো সেৰা পাঁজিহে; তপিনা দুটা মঙহৰ ভৰত থৰথৰ কৰে কঁপিছে আৰু বৰলৰ নিচিনা সৰু কঁকালটিৰো বুকুৰ ভৰত সেই অৱস্থা হৈছে। মইনো তোমাক কি কম বান্ধ, বেচেৰীৰ গাল দুখনি যেন দুটি পকা আমোলন টেঙা হে, আৰু কপালখনি যে জাতি-চন্দন পিহা নিমজ পটাখনিহে। খোপাটো মূৰটোৰে সৈতে জোখত কিজানি সমানেই হব, আৰু চকু দুটা মাৰাত্মক বিধৰ। ৰ'দত বপুৰীৰ মুখখন পকি পৰি, কি কম, সেন্দুৰীয়া আমটি যেন হৈছিল দেখিলেই আঃ"—

কথাষাৰ তেওঁ শেহ নোকৰোঁতেই মই মাত লগাই এই বুলি শেহ কৰিলোঁ, 'দেখিলেই ঢোৰা কাউৰীটো হৈ উৰি গৈ খুটিয়াই দিবৰ মন যায়।' তেওঁৰ কথাষাৰৰ মই কৰা পাদপূৰণটো তেওঁ "নাপছন্দ" কৰি কবলৈ ধৰিলে—

"ধেমালি নকৰিবা বান্ধ, এইবিলাক ধেমালিৰ কথা নহয়। যাওক সেই কথা। মোৰ ফালে তাই কেৰাহিকৈ মাথোন এবাৰ চাইছিল। সেই বাবে আমাৰ দুয়োৰো চাৰি চকুৰ মিলন ঘটিল। বান্ধ, তোমাৰ আগত মই মিছা নকওঁ, পকা চলা মৰিচটোত হঠাৎ কামোৰ মাৰি দিলে যেনেকৈ মুখখন কাণে সৈতে জন্-জনাই যায়, সেইদৰে সেই দৃষ্টিত মোৰ গা গোটেইটো জনজনাই গল। আৰু গাৰ নোমবোৰ শিয়ঁৰি উঠিল। বতাহত পতাকা চট্চটাই উৰি কঁপা দৰে মোৰ মনটো কঁপিবলৈ ধৰিলে। তথাপি তেতিয়াও মোৰ মনৰ ঘাই শিপাডাল একে-বাৰেই উভাল খোৱা নাছিল। কিন্তু এনেতে হঠাৎ এটা ঘটনা ঘটি তাক শেষ কৰিলে। সেই ঘটনাটো এই। মই দাউনীহঁতে ধান দোৱা চাই থাকোতেই হঠাৎ কৰবাৰ পৰা এটা গলধন ধৰা ম'হে আন এটা গলধনীয়া ম'হক খুচিবলৈ ঢাপলি মেলি টেঁটাই খেদি লৈ অহা দেখিলোঁ। চাওঁতে চাওঁতে ম'হ দুটা দাউনীহঁতৰ কাষ পালেহি। দাউনীহঁত ভয়ত দিহাদিহি পলাল! মই লৰ মাৰি গৈ আলিৰ কাষৰ এজোপা গছত উঠিলোঁ গৈ। কিন্তু দেখি আচৰিত মানিলোঁ, যে ওপৰত উল্লেখ কৰা ডাউনীজনী লগৰীয়ানীহঁতৰ সৈতে পলোৱা দূৰৈত থাওক, তাই হাতৰ কাঁচীখন দাঙিলৈ ঢাপলি মেলি খেদি অহা ম'হ দুটাৰ ফালে অকলৈ চোঁচা ললে। ব্যাপাৰটো দেখি গছৰ ওপৰতে মোৰ হাত-ভৰিবোৰ ঠক্-ঠক্ কৰে কঁপিবলৈ ধৰিলে। কিন্তু সাহৰ কি ভয়ানক বল, যুঁজাৰো ম'হ দুটাই ভূতৰ ওপৰত দানহ ওলোৱা দেখি ভয় খাই এফলীয়া কাটি দুয়ো দুফালে আঁতৰি গুচি গল, আৰু সিহঁতৰ খং আৰু যুঁজৰ প্ৰবৃত্তিও পানী চলা জুই যেন হৈ তেতিয়াই নুমাই গল।

ইয়াৰ পিচত মই গছৰ পৰা নামি মাটিত ঠিয় হলোঁ; কিন্তু মোৰ মূৰটো অলপ আচন্দ্ৰাই কৰা যেন, মনটো এফেৰা মান অথিৰ-অবিৰ হোৱা যেন আৰু হাত-ভৰিবোৰ যৎকিঞ্চিৎ থৰক্-বৰক কৰা যেন পালোঁ। অৱশ্যে তোমাক কোৱা আৱশ্যক যে এইবাৰ ভয়ত নহয়; এটা অপৰূপ ভাবে মোৰ মনত ঠাই লৈহে মোক এনে কৰিছিল। গতি বিষম বুজি মই তাত আৰু নাথাকি লাহে লাহে ঘৰলৈ গুচি আহিলোঁ। ঘৰ পায়েই মই তিনি চলু পানী মোৰ মূৰত থপিয়াই দি অলপ থিৰ হলোঁ। কি হলে কি হব? মোৰ গাত জ্বৰ উঠিল। অৱশ্যে সেই জ্বৰ আমাৰ চিনাকি সস্তা জ্বৰ নহয়, সি আপুৰুগীয়া আটকীয়া জ্বৰ। খোলাখুলিকৈ কৈ দিয়াই ভাল যে, মোৰ গাত প্ৰেম-জ্বৰৰ লক্ষণবোৰে সম্পূৰ্ণ-ৰূপে দেখা দিলে। সেইবিলাক বৰ্ণনা কৰি মিছাতে, বান্ধ, মই তোমাৰ সময় নষ্ট নকৰোঁ। কথাতে কয় "কাৰ জ্বৰত কোনে পিয়ে পানী, কাৰ ভগিনী মৈলে কাৰ হয় হানি।" মোৰ জ্বৰৰ ফলাফল মইহে অকলৈ ভোগ কৰিব পাওঁ, লোকক তাৰ ভাগী কৰিবলৈ যাব নাপাওঁ। মুঠতে তোমাক ইয়াকে কওঁ, যে দিনদেকৰ নিমিত্তে আহাৰ নিদ্ৰাৰ সৈতে মোৰ সম্বন্ধ গুচিল। গাৰ পৰা সেই প্ৰেম-জ্বৰ নে ডোম জ্বৰটো মই কোনোমতে খেদাব নোৱাৰা হলোঁ, থাকি থাকি সি উক দি উঠে। অনেক ভাবি চিন্তি চোকা দৰবৰ দিহা কৰাটোকেই উচিত যেন বিবেচনা কৰিলোঁ; নতুবা ভয় হল, পাছে সি জ্বৰ গৈ কেনেবাকৈ জীৰ্ণ জ্বৰত পৰিণত হয় গৈ। মোৰ মনত পৰিল, লঙ্কাখন পুৰি অঁতাইয়ো হনুমন্তৰ নেজৰ জুই নুনুমোৱা হলত হনুমন্তই ভয় খাই বিবুধি হৈ কি কৰিম বুলি সীতা আইক বুধি সোধাত, সীতাই কলে, "কিয় হনুমন্ত বিবুধি হোৱা? নেজৰ অগনি মুখে নুমুৱা।" মইও এতিয়া এই অদ্ভুত জ্বৰৰ অদ্ভুত অগণিৰ পোৰ-ণিত বিবুধি হৈ পৰি মনক বুধি সুধিলোঁ। মনেও সীতাৰ দৰে কলে 'নেজৰ অগণি মুখে নুমুৱা,' অৰ্থাৎ তুমি সেই ছোৱালীজনীকে বিয়া কৰোৱা। 'বাঃ ৰে মন! বেছ বুদ্ধিতো! মোৰ মনত ইমান পৰ খেলোৱা নাছিল কিয়।' এই বুলি মই মোৰ মনক তাৰিফ্ কৰি বুধি শুনি সেই দিনাৰ সেই ধান দাউনী মহিষ-মৰ্দ্দিনী ছোৱালীজনীৰ ভূ-ভা লবলৈ এজনক ৰিপুৱা ধৰিলোঁ। বাতৰি পালোঁ, ছোৱালীজনী আবিয়ৈ, কিন্তু জাতত আহোমনী! কি সৰ্বনাশ। মই শুদিৰৰ ঘৰৰ লৰা। আমাৰ দুয়োৰো মাজত জাতৰ খাৰৈটো ইমান বহল, যে সহজে জঁপিয়াই তাক পাৰ হব নোৱাৰি। কিন্তু ভাবিলোঁ, হনুমন্তই ভাৰতবৰ্ষ আৰু লঙ্কাৰ মাজত বহল প্ৰণালীটো জঁপিয়াই পাৰ হবলৈ সাহ নকৰাহেঁতেন পাৰ হব নোৱাৰিবলেহেঁতেন আৰু সীতাৰ উদ্ধাৰো নহলহেঁতেন। এতিয়াও যদি মই এই জাতৰ বহল খাৰৈটো সাহ কৰি যথাশক্তি জপিয়াই পাৰ হব নোৱাৰো, তেন্তে মোৰ সেই মনোমোহিনী ধান-দাউনীৰো উদ্ধাৰ অসম্ভৱ।

এইদৰে ভাবি মোৰ মনত মহা তোলপাৰ লাগি পৰিল। লৰুকুৰাব সকাম কি, মুঠতে খুলি কলেই হব, যে সেই মুহূৰ্ত্তৰে পৰা মোৰ জাতৰে সৈতে প্ৰেমৰ তয়া ময়া বণ লাগিল। শেহত জাত হাৰিল, প্ৰেম জিকিল। প্ৰেমে মোৰ কাণত ফুচ্ফুচাই কলে, যে আপুনি মনত একো খুকুৰি নাৰাখিব, আগুৰাই যাওক, আগুৰাই যাওক; স্বৰূপতে কবলৈ গলে মোৰ জাত কুল একো নাই, মই প্ৰেম, মই পৰমহংস। জাতকুলৰ কোনো মই 'এলেকা' নাৰাখোঁ। মই প্ৰেম, মই স্বাধীন, কাৰো ঘৰত মই কৰ নোশোধাওঁ।' সেই কথা শুনি মই উত্তৰ দিলোঁ, বেছ কথা "যব মিঞা বিবী ৰাজী। তব্ ক্যা কৰে চহৰকা কাজী।" মই বিয়া কৰাম। প্ৰেমে "চপ্লিমেণ্ট" (Supplement) পৰিশিষ্ট স্বৰূপে মোক আৰু এই কেষাৰ কথা কলে যে 'ডাঙৰ মানুহ, সৰু মানুহ, ওখ কুল নীহ কুল চহকী আৰু ভিকহু, মানুহে বা সমাজে দিয়া এইবোৰ চকোৰাৰ বেৰ মই মানিবলৈ বাধ্য নহওঁ। সকলোকে একেজনা ঈশ্বৰে স্ৰজন কৰিছে, সকলো তেওঁৰ চকুত সমান আৰু আমি সকলোবোৰ ভাই ককাই।' মই ভাবিলোঁ, বাস্তবিক পক্ষত এই কাৰ্য্য কৰি মই মোৰ নৈতিক বলৰহে চিনাকি দিম। সমাজে মোক এঘৰীয়া কৰে যদি কৰিব, মই সজ বুলি যি কাম বুজিছোঁ সেই কাম কৰিমেই। এই দৰে ভাবি মই ছোৱালীৰ বাপেকৰ ওচৰলৈ বিয়াৰ প্ৰস্তাৱ পঠিয়াই দিলোঁ। সিহঁত দুখীয়া সৰু মানুহ, মই চহকী ডাঙৰ মানুহ, প্ৰস্তাৱটো শুনি বাপেকে ভয় খাই উত্তৰ দিলে, 'ডাঙৰীয়া বোপাই আমি দুখীয়া মানুহৰ সৈতে ধেমালি কৰিছে কেলৈ? আমি দেখোন তেখেতৰ ওচৰত কোনো অপৰাধ কৰা মনত নপৰে।' এই উত্তৰ পাই মই আকৌ ভালকৈ সিহঁতে পতিয়ন কৰিব পৰাকৈ কৈ পঠিয়ালোঁ যে 'মই তেওঁলোকৰ সৈতে ধেমালি কৰা নাই, মই সঁচাকৈহে তেওঁৰ জীয়েকক খুজি-বাঢ়ি বিয়া কৰাব খুজিছোঁ।' মোৰ কথা এইবাৰ সঁচা যেন পাই ছোৱালীৰ বাপেকে উৰুলীকৃত হৈ সেই প্ৰস্তাৱত সন্মত হৈ উত্তৰ দি পঠিয়ালে। ডাঙৰ মানুহ জোৱাই পাব, জীয়েক ডাঙৰ মানুহৰ ঘৈণী হব, সুখে থাকিব, লগতে সিহঁতৰো অৱস্থা আৰু মান বাঢ়িব, ইয়াতকৈ আৰু গৌৰৱৰ কথা সিহঁতৰ কি হব পাৰে ?

"মই কিন্তু মোৰ বঙ্গহ পৰিয়াল মিতিৰ কুটুম কাকো এই কথাৰ শুংসূত্ৰ দিয়া নাছিলোঁ, কাৰণ এই কথা তেওঁলোকৰ আগত প্ৰকাশ কৰা মানে বৰলৰ বাহত জুই লগাই দিয়া। কাৰ্য্য সাধন হৈ গলে তেহেলৈ যি হয় হব, কিন্তু হোৱাৰ আগেয়ে তাত বিঘিনি জন্মাবলৈ লোকক চেলু দিয়াটো উচিত নহয়। তলে তলে মই মোৰ ভাবী শহুৰৰ ঘৰলৈ অহা যোৱা কৰিবলৈ ধৰিলোঁ। মই নতুন প্ৰণালীত শিক্ষিত ডেকা, আগৰ দিনীয়া পুৰণি মামৰে খোৱা প্ৰণালী

আৰু লাজ কাটি কৰি থৈ, ছোৱালীৰে সৈতে দেখা শুনা কৰি কথা বাৰ্ত্তা কৈ ভালকৈ চিনাকি হলোঁ। অৰ্থাৎ ইংৰাজী ভাষাত "কৰ্টচিপ" (Courtship) বোলে, তাকে কৰিবলৈ ধৰিলোঁ। মোৰ ব্যৱহাৰত সিহঁত আপ্যায়িত হৈ হাতেৰে স্বৰ্গ চুকি পালে।

"কৰ্টচিপ" চলি থাকোঁতে পৰশুই দেওবাৰে 'বিনা মেঘে বজ্ৰাঘাত' হল। কথাই কথাই তাই মোক মৰম লগাই এবাৰ শুধিলে, হেৰি ! 'কিয়নো মোৰ ওপৰত আপোনাৰ ইমানটো মৰম সোমাল কওকচোন ?' মই সেই মহঁৰ ঘটনাৰ উল্লেখ কৰিলোঁ। মোৰ সেই কথা শুনি তাইৰ মুখখন কেহেৰাজ বটা যেন হৈ কলা পৰি গল ! সেই কথা শুনি হঠাৎ কিয় তাই সেইদৰে বৰণ সলালে বুজিব নোৱাৰিলোঁ। সেইদিনা তাৰ কাৰণ জানিবলৈ মই কোনো চেষ্টা নকৰি ঘৰলৈ গুচি আহিলোঁ। কিন্তু পিছত পাকে-প্ৰকাৰে উৰাদিহ লৈ জানিব পাৰিলোঁ যে মই গুৰিতে ভুল কৰিছোঁ। মহঁৰ ঘটনাত সাহ দেখুৱা সেই সুন্দৰী ছোৱালীজনী এইজনী নহয়। এইজনী তাইৰে লগৰীয়া সাতজনী দাউনীৰ ভিতৰৰ আন এজনী ছোৱালী। যিজন মানুহক বিপুৱা ধৰি সেই ছোৱালীৰ ভূ লবলৈ আৰু বিয়াৰ প্ৰস্তাৱ কৰি পঠিয়াইছিলোঁ, সেইজন মানুহে ভুল কৰি আচলজনী ছোৱালীৰ বাপেকৰ আগত সেই প্ৰস্তাৱ নকৰি এইজনীৰ বাপেকৰ আগত কৰিলে। কিন্তু এতিয়া ঘটনাটো অনেক আগবাঢ়িল আৰু গুৰুতৰ হৈ উঠিল ! মোৰ প্ৰথম দৰ্শনত জন্মা প্ৰেমৰ গছজোপাৰ গুৰি একেবাৰেই উভালি পৰি সি কাটি হৈ পৰিল ! মই কৰো কি এতিয়া ? মোক তুমি এটা বুদ্ধি দিয়া !"

কথাবিলাক বান্ধৱৰ, কিন্তু গোঁফকোছা মোৰ নিজৰ, সেইদেখি তেওঁৰ কথাৰ ওৰ পৰিলত মই মোৰ গোঁফত তাও দি গহীনকৈ উত্তৰ দিলোঁ— "নোৱাৰোঁ দিব।" মোৰ উত্তৰ শুনি বান্ধৱৰাই চকু ঢুলঢুলীয়াকৈ মোৰ ওচৰৰ পৰা গুচি গল।

---

## মিষ্টৰ ফিংসন

এদিনৰ এবেগতীয়া ঘটনা এটি আজি কওঁ। হাওৰালৈ আহিবলৈ বুলি এদিন ইষ্ট ইণ্ডিয়া ৰেলৰ মধুপুৰ ষ্টেচনত ডাক গাড়ীত উঠিলোঁ। য়ুৰোপীয় সাজেৰে মোৰ আপাদমস্তক পৰিশোভিত। গতিকে, আন খোটালিকেইটা মানুহেৰে ঠাক খাই থকা দেখি, "য়ুৰোপীয়বিলাকলৈ সুকীয়াকৈ ৰখা হৈছে" এই বুলি বাৰত জাননী আৰি দিয়া এখোটালিত নিৰ্ভয়ে নিসঙ্কোচে উঠি পৰিলোঁ। যদিও নিৰ্ভয়ে নিসঙ্কোচে মই তাত উঠিলোঁ, তথাপি ঢোৰা কাউৰীয়ে ম'ৰাৰ পাখি পিন্ধি ম'ৰাৰ লগত ছালি ধৰি নাচিবলৈ যোৱা যেন মে মোৰ মনত নালাগিছিল এনে নহয়। যাওক, কাৰণ সেইটো আন এটা বাটৰ কথা। সেই খোটালিটো ফিৰিঙ্গীনন্দন দুজনে শোভা কৰি আছিল। তেওঁলোকে মোকো কোনোবা "ফিৰিঙ্গী-নন্দন মোৰ বান্ধৱ এ" ভাবি আপত্তি নকৰি সাৰ্মৰি ললে যেন পালোঁ। কিন্তু স্বদেশী বিদেশী কাপোৰৰ চুৰিয়া পিন্ধা বাঙ্গালী বা ভাৰতবৰ্ষীয় আন কোনো যাত্ৰী মানুহ সেই খোটালীত ঠোকা দুৰৈত থাওক, তাৰ কাষলৈ আহিলেই সেই যুগল মূৰ্ত্তিয়ে, ফেটী সাপে খুঁটিবলৈ ফোচ কৰি উঠাদি ফোচ কৰি উঠিছিল। ফিৰিঙ্গী-নন্দন দুজনৰ গাৰ বৰণ মোৰ গাৰ বৰণতকৈ কেইবা পোছও কলা বুলি আমাক দেখোঁতা সকলে নকৈ নোৱাৰিলেহেঁতেন। তেওঁলোকৰ নাক-মুখ ইত্যাদিৰ গঢ় আমাৰ পথাৰত হাল বাওতা বিহুৱা হালোৱাৰ নাক মুখৰ গঢ়তকৈও, নাইবা আমাৰ ঘোৰাশালত ঘোৰাৰ আলধৰা খুদমন চহিচৰ খৰা নাক আৰু বহল বদনতকৈও যে আপচু তাত কোনো সন্দেহ নাই; কিন্তু হলে কি হব, তথাপি তেওঁলোক সিংহৰ 'ছৱা' তেহেলৈ শিয়ালীৰ গৰ্ভতেই জাত হওক। তেওঁলোকৰ মুখৰ পৰা ওলোৱা ইংৰাজী ভাষা, আমাৰ মাছ যোগানিয়াৰ শ্ৰীলেহেতীয়াৰ মুখৰ পৰা ওলোৱা অসমীয়া ভাষাৰ সৈতে একে শাৰীতে বুলি ধৰিলেও ভুল নহয়। আমাৰ লেহেতীয়াই তাৰ কথাষাৰে পতি যেনেকৈ কিবা এটা অবাইচ এঠা নলগালে কথাৰ জোৰা মিলাব নোৱাৰে; তেওঁলোকেও সেইদৰে তেওঁলোকৰ কথাষাৰেপতি "ব্লডি" শব্দটোৰে নেঠালে কথাৰ জোৰা ৰেঙাই থাকে। লেহেতীয়াৰে সৈতে তেওঁলোকৰ অলপ অমিল দেখা যায় মাথোন এইখিনিতে যে,

সি কথায় কথায় গুৰু গোঁসাইৰ নাম ধৰি শপত নাখায়, কিন্তু এওঁলোকে এচিয়া য়ুৰোপ আমেৰিকাত গুৰু গোঁসাইৰ যত শপত আছে, আটাইবোৰ কথায় কথায় তুলি উবুৰিয়াই নাইবা ঢকা ডিঙৰীয়া লগাই খায়। এইবিলাক যি নহওক, মই গাড়ীত সোমালতে তেওঁলোকে মোৰ সৈতে ভদ্ৰভাৱে কথা কবলৈ ধৰিলে, আৰু দেশী মানুহৰ ওপৰত তেওঁলোকৰ মন্তব্যবিলাক মোৰ আগত নিশঙ্কচিত্তে ফৰ্কৰ কৰে প্ৰকাশ কৰিবলৈ ধৰিলে। মই বেচেৰাই নিৰুপায় হৈ মুৰ জোকাৰি কোনো মতে "ইয়েচ," "ন" কৈ গা সাৰি সিহঁতৰ লগত অস্থায়ীৰূপে জীণ যাবৰ চেষ্টা কৰি সেই ভয়ঙ্কৰ 'সাধু সঙ্গত' আহি আসান্সোল ষ্টেচন পালোহি। আসান্সোলে দুইকো জৰাসন্ধৰ নিচিনাকৈ ফালি দুফাল কৰিলে, অৰ্থাৎ আসান্সোল ষ্টেচনত তেওঁলোকৰ মাজত বিচ্ছেদ ঘটিল; তাতে এজন গাড়ীৰ পৰা নামি পৰিল। যিজন গাড়ীত মোৰে সৈতে বল, তেওঁ এই ভৱ-সংসাৰৰ এচুকত মিষ্টৰ ফিপ্সন নামে খ্যাত। ফিপ্সন হাওবাযাত্ৰী, গতিকে মই হাওৰা নোপোৱালৈকে তেওঁ মোৰ এৰাব নোৱাৰা সঙ্গী। সেইদেখি আকৰীৰে সৈতেই গৃহবাস কৰিবৰ লগীয়াত পৰাৰ দৰে তেওঁৰে সৈতে সম্ভাৱ কৰি, অৰ্থাৎ মানস সৰোবৰত চৰা ৰাজহংসৰ নিচিনাকৈ নীৰৰ পৰা ক্ষীৰ উলিয়াই লৈ, অৰ্থাৎ মন্দৰ ভিতৰৰ পৰা ভাল উলিয়াই লৈ বেগাবেগিকৈ মোৰ অৱস্থাৰ উন্নতি কৰিবলৈ বাধ্য হলোঁ। প্ৰথমতে একেষাৰ দুআষাৰ, তাৰ পিচত ভালেমান কথা থপিয়াথপিকৈ তেওঁৰে সৈতে পাতি লৈ তেওঁৰ বুকুৰ দুৱাৰ মুখত মই প্ৰৱেশৰ নিমিত্তে ঠিয় হলোঁ, আৰু তেওঁ উদাৰ ভাবে ততালিকে তাৰ দাং খুলি দিলে, মই তেওঁৰ হিয়াৰ ভিতৰ সোমালোঁ। তেওঁৰ হিয়াৰ ভিতৰত সোমাই লৈ মই বুজিলোঁ যে, তেওঁৰ ওপৰত মই পোনতে পাতি লোৱা মতটো অলপ ঘুণে খোৱা। তেওঁ জাতিভাই ফিৰিঙ্গীৰ লগত পৰি যদিও ফিৰিঙ্গী স্বভাৱৰ ভালে-মান চানেকি দেখুৱাইছিল, কিন্তু আচলতে তেওঁৰ হৃদয়ত অভদ্ৰতা আৰু অসভ্যতাৰ ঠাই বৰ নাই বুলিলেই হয়। অৱশ্যে আসান্সোলত নামি যোৱা তেওঁৰ বন্ধুজনৰ বিষয়ে এই দৰে কব নোৱাৰোঁ এইটো ধুৰূপ। সেইজনৰ গণ্ডপীয়া বৰ কথা, কুলক্ষণীয়া গড়-গতিয়ে মোৰ মনত যথেষ্ট তিতা লগাই থৈ গৈছিল। সঙ্গদোষ বৰ দোষ। কু সঙ্গৰ অভাৱত স্বভাৱৰ পৰিবৰ্ত্তন ঘটাৰ বাবেই হওক, নাইবা, স্বভাৱতে তেওঁতকৈ এওঁ সৰল আৰু উদাৰ মনৰ বাবেই হওক, লাহে লাহে এওঁৰ কথা বাৰ্ত্তাত এওঁক মোৰ ভাল লাগি আহিল। তেওঁ কৰ মানুহ কলৈ যায় কি কাম কৰে ইত্যাদি কথা শুধিলোঁ; আৰু উত্তৰত দেখিলোঁ, এওঁ লাহেকৈ মোৰ আগত তেওঁৰ হিয়াখন উবুৰিয়াই দিলে। তেওঁ নিজৰ জীৱন ইতিহাসৰ গুৰিৰ এপাত মুকলি কৰি মোৰ আগত ধৰিলে, আৰু মই তাক পঢ়ি পেলালোঁ। ইংৰাজী ভাষাত কোৱা তেওঁৰ কথা কেইষাৰৰ সাৰ-মৰ্ম্ম তলত অসমীয়াকৈ দিলোঁ—

"মোৰ বান্ধ! মোৰ জীৱনৰ কাহিনী দোৰ্ঘোৰ এন্ধাবৰ দ গাঁতৰ ভিতৰত লুকুৱা। মই নিজেই তাৰ উৱাদিহ একো নাপাওঁ। মই শুনিছোঁ মই হেনো ফিম্সন নামেৰে আসামৰ চাহ বাগিচাৰ ইংৰাজ এজনৰ লৰা। মোৰ আই হেনো এজনী অসমীয়া পোহাৰী। পোহাৰী কাক বোলে আপুনি কিজানি নাজানে। আসামত ঘৰে ঘৰে বস্তু বেচোঁতা জাতৰ তিৰোতাক বুজায়। মোৰ আইক মিষ্টৰ ফিম্সনে তেওঁৰ মেম কৰি ৰাখিছিল, বেইতা ঘৈণীয়েক নহয়। আইৰ গৰ্ভত ফিম্সনৰ দুজনী ছোৱালী আৰু এটা লৰা জন্ম হল। সেই লৰাটোৱেই এতিয়া আপোনাৰ আগত নিজৰ মৰ্ম্মান্তিক দুখৰ কাহিনী কব লাগিছে। আমাক সৰুতে বোপায়ে আসামৰ পৰা দেশান্তৰী কৰিলে। আমাৰ জ্ঞান জন্মা কালতে তেওঁ আমাক আসামৰ পৰা আনি কলিকতাত স্কুল এটাত আমাৰ পঢ়াৰ আৰু খোৱা-পিন্ধাৰ খৰচ দি থৈ দিলেহি। বোপায়ে সেই যে আমাক পঠিয়ালে, সেই দিনৰ পৰা আজিলৈকে আমি দুৰ্ভগীয়া কেইটাই আমাৰ আই বোপাইৰ মুখ দেখিবলৈ পোৱা নাই। আমাক কলিকতাত থোৱাৰ কিছুমান বছৰৰ পিচত মিষ্টৰ ফিম্সনে আসামৰ চাহ বাগিচাৰ কাম এৰি আৰু লগে লগে হতভগীয়া আইকো এৰি বিলাতলৈ গুচি গল হেনো, আৰু উভতি নাহিল। বিলাতত হেনো তেওঁ নকৈ বিয়া কৰাই দহজনৰ ভিতৰত এজন হৈ বসতি কৰিছে। অৱশ্যে তেওঁ বিলাতত ক'ত আছে, আমি আজিলৈকে সমুলি নাজানোঁ; আৰু আগ-লৈকো যে তাৰ কিবা সম্ভেদ পাম এনে আগন্তুক নাই। যাতে এইবোৰ বাতৰিৰ কোনো উৱাদিহ নাপাওঁ বৰং তাৰ তেওঁ কটকটীয়া দিহা কৰি গৈছে। যিবোৰৰ মুখৰ পৰা সেই বাতৰি ওলাবৰ সম্ভৱ, সেইবোৰৰ মুখত তেওঁ ভালকৈ ধনৰ সোপা দি থৈ গৈছে। আজি দুই তিনি বছৰ ধৰি মই আমাৰ আঁতিগুৰি, আইৰ নাম আৰু থকা ঠাই, বোপাইৰ বিলাতৰ ঠিকনা ইত্যাদি উলিয়াবলৈ চেষ্টা কৰি ফুৰিছোঁ, কিন্তু তাক উলিয়াব পৰা নাই আৰু পাৰিম যে তাৰো আশা নাই। বোপাইৰ নাম যে ফিম্সন আছিল সেইটোতে এতিয়া মোৰ সন্দেহ হৈছেগৈ। এতিয়া বুজিছোঁ তেওঁ ফাঁকি দি নাম সলাই আমাক কলিকতাত থৈছিল। পাপীষ্ঠই নিজৰ সন্তান সন্ততিক যে এইদৰে পৰিত্যাগ কৰিলেই আমাক আমাৰ আইৰ পৰাও বঞ্চিত কৰিলে। আই পোহাৰীয়েই হওক বা দন্দুৰীয়েই হওক দেশীয়েই হওক বা বিলাতীয়েই হওক, দুখীয়া হোজা তেওঁক ঠগ কৰি, জনমলৈ ধ্বংস কৰি, পাষণ্ডই বাটৰ মগনিয়াৰ কৰিবৰ তাৰ কোনো অধিকাৰ নাছিল। মই কত ঠাইত কত বিচাৰিছোঁ, কত ফুৰিছোঁ, তথাপি মোৰ দুৰ্ভগীয়া আইৰ কোনো ভূ-ভা উলিয়াব পৰা নাই। —হে পৰমেশ্বৰ! হে অগতিৰ গতি! মই মোৰ আইক কত দেখিবলৈ পাম? মোৰ মোৰ দুখুনী আইক মোক এবাৰ দেখুৱাই দিয়া হে ঈশ্বৰ! তেওঁক পালে তেওঁৰ কোলাত মই এবাৰ মূৰ সুমাই

তেওঁক শান্বনা দি, খাবলৈ মুখত ভাত এমুঠি, পিন্ধিবলৈ কাপোৰ এখন দি মই মোৰ জীৱন সাৰ্থক কৰোঁ!— * * *

বিলাতৰ পৰা এই শ্ৰেণীৰ পাপীষ্ঠ পশু প্ৰকৃতিৰ কোনো কোনো লোক আহি নিজৰ পাশৱ-বৃত্তি চৰিতাৰ্থ কৰিবৰ নিমিত্তে দুখীয়া হোজা দেশী মানুহক লোভ দেখুৱাই চিৰকাললৈ ধ্বংস কৰি, স্বাৰ্থপৰতাৰ বশৱৰ্ত্তী হৈ ভীৰু কাপুৰুষ ভাৱে, ভাৰতত ঘটা ধন এপেৰাকৈ পেৰাত ভৰাই লৈ উভতি গৈ নিজৰ দেশত ভাল মানুহ বোলাই ভাল মানুহৰ শাৰীত সোমাই নিজৰ ঘিণ লগা পপীয়া জীৱন কটায়। ঈশ্বৰৰ ভয়ঙ্কৰ বজ্ৰ ইহঁতৰ মুৰত নপৰে কিয় ? চয়তানৰ ভীষণ নৰকত ইহঁতৰ ঠাই নহয় কিয় ? হে মাইকেল ! হে গেব্ৰিয়েল! তোমালোকৰ হাতত মোৰ দুখুনী হতভাগিনী আইক গতালোঁ; তোমালোকে তেওঁক ৰক্ষা কৰাঁ। উস! * * * *

হে মোৰ ঈশ্বৰ! মোৰ জন্মদাতা পাপীক যদি কোনোবাই মোক দেখুৱাই দিব পাৰে, সি থকা ঠাইৰ সঠিক বাৰ্তাৰ যদি মোক কোনোৱে আনি দিব পাৰে, তেন্তে মই তোমাৰ ওচৰত বাইবোল হাতত লৈ শপত খাই কৈছোঁ, মই নিজ হাতে, মোৰ এই দুৰ্ব্বল হাতেৰে তাৰ পপীয়া জীৱনৰ ওৰ পেলাই, মোৰ দুখীয়া আইৰ, অনাথা আইৰ, আৰু আমি তিনিটা অনাথ প্ৰাণীৰ প্ৰতিশোধ লৈ তাৰ তপত তেজেৰে ইংলণ্ডৰ মাটি ৰঙা কৰিম! আপুনি সিদিনা বাৰ্তাৰ কাকতত বিলাতৰ হুইট্‌লি আৰু ৰেইলবৰ ঘটনাটো নিশ্চয় পঢ়িছে। মই সেই ৰেইলৰতকৈয়ো আৰু কঠোৰ ভাবে মোৰ হুইট্‌লিক শাস্তি দিবলৈ সাজু আছো।"

এই বুলি বেচেৰা ফিপ্সনে চকুৰ পানী টুকিবলৈ ধৰিলে! ইয়াৰ পিচত বাকী ডোখৰ বাটত "অ মোৰ দুখুনী আই! তুমি কত আছাঁ ?" এই কথাৰ বাহিৰে তেওঁৰ মুখত আৰু আন কোনো কথা নুশুনিলো। অলপ পিছতে গাড়ী আহি বৰ্দ্ধমান ষ্টেচন পালত, মিষ্টাৰ ফিপ্সনে দেখোন হঠাৎ উঠি মোৰ হাত জোকাৰি গুড্‌বাই বুলি নামি গুচি গল। মই শুধিলোঁ, আপুনি হাওৰালৈ নাযায় নে ?" তেওঁ উত্তৰ দিলে, "নাযাওঁ।"

---

## ভুৰুকী বৌ

এদিন এজনে তলত লেখা ঘটনাটো মোৰ আগত কৈছিল। তেওঁৰ মুখৰ পৰা মই যেনে শুনিলোঁ হুবহু তেনেকৈ তলত লিখিলোঁ।

"অসমীয়া মানুহ কানীয়া, এই বদনামটো অসমীয়াৰ গাত যাবে মন যায় সিয়ে দিয়ে। কিন্তু বদনাম দিওঁতা সকলে জনা উচিত যে বঙ্গদেশৰ বঙ্গালীও সেইপাকে নিচেই উজ্জ্বতিত পৰি মৰা নহয়। প্ৰভেদৰ ভিতৰত আমাৰ অসমীয়া কানীয়াই তাৰ চেঙেলীয়া বয়সতে কানিত মুখ দিয়ে, বঙ্গালী 'আফিং খোৱে' হলে সাৰ ফুটা বয়সীয়া অৱস্হাতহে সেই আপুৰুগীয়া বস্তু ফেৰাৰে সৈতে চিনাকি হয়। আৰু আসামত আজিকালি ঘাইকৈ তল খাপৰ আৰু গাৱলীয়া মানুহহে কানি প্ৰভু জগন্নাথৰ ওচৰত আঠু লয়, কিন্তু বঙ্গ-দেশত হলে ঘাইকৈ ডাঙৰ আৰু মজলীয়া খাপৰ ভদ্ৰলোকসকলে, তাকৰীয়া-কৈহে তল খাপৰ মানুহে সেই গুৰ ঘৰত শৰণ লয়। আচল কথা কানি-অধি-কাৰ-প্ৰভুৰ পদশিলা দুই দেশতে আছে; এখনত চৰণৰ চিনটো দকৈ আনখনত চুৰ্চুৰীয়াকৈ বহিছে মাথোন। চল্লিশ পাৰ হলেই ভালেমান বঙ্গালী বাবুৰ কানিৰ ভোক লগা দেখা যায়। বঙ্গদেশত বহুকাল বাস কৰি আদখিনি বঙ্গালীৰ পাৰ্কতি পোৱাময়ো চল্লিশ বছৰৰ মহলাত সম্ভ্ৰমৰ সৈতে উঠি এজন বঙ্গালী শকুনি মোমাইৰ বুধি শুনি কানিৰ পাশতি হাতত ললোঁ। কিন্তু সুখৰ বিষয়, মোৰ নিজৰ বুধিটো যুধিষ্ঠিৰৰ ভাগিনতকৈ অলপ বেছি আছিল গুণে খেলত এপদ দুপদকৈ মোৰ নিজা লামলকটু বই-বস্তু দুই চাইটা হাৰোতেই মই সাৱধান হৈ পাশতি কেইডাল শকুনি মোমাইৰ মুখলৈ মাৰি দি উঠি পৰিলোঁ। খেলত বহি থকা কালডোখৰত মোৰ কোন কেইটা অপকাৰ উপকাৰ হৈছিল তাক তোমাৰ আগত কওঁ শুনা। আগেয়ে মই বেছি বাচাল আছিলোঁ, এতিয়া মই নিমাতী হলোঁ। আগেয়ে মোৰ দৃষ্টি বহিৰ্মুখ আছিল, এতিয়া সি অন্ত-ৰ্মুখ হল। আগেয়ে মই চেলচেলীয়া পাতল আছিলোঁ, এতিয়া মই গধুৰ গহীন আৰু ধীৰ হলোঁ। আগেয়ে মোৰ কথাৰ চোটত মানুহে তথামধা দেখিছিল, এতিয়া লোকে মোৰ মুখৰ ওপৰতে মাতি গলেও, 'এঃ কোনেনো আকৌ ইয়াৰ কথাত মুখ বজায়' বুলি এলাহত একো নামাতি বহি শুনি ..............।

আগেয়ে মই চট্‌ফট্‌-কৰে হাতৰ কাম তিন-টিলিকতে কৰি শেষ কৰিছিলোঁ, এতিয়া মই ওৰে দিনটোত এটা সৰু কাম সমাধা কৰিবলৈ আহৰি উলিয়াব নোৱাৰি ব্যস্ত হৈ ৰ লাগি বহি থাকোঁ। আগৰ মোৰ হাঁহি মাতৰ ভৰা সোতত ডকাই খলকনি লগাই আছিল, এতিয়া তাত শুকান চাপৰি পৰি তাৰ ওপৰত নল খাগৰি গজিল। ইয়াৰ ওপৰত আৰু এটা স্বভাৱে মোৰ গাত বাহ ললে। লোকে যিহকে কওক, তেওঁৰ কথাত মই "কণ্ট্ৰাদিক্‌ট" অৰ্থাৎ প্ৰতিবাদ কৰিবলৈ এৰিলোঁ। লোকৰ কথাৰ প্ৰতিবাদ কৰাটো এতিয়া মোৰ মনত সময়ৰ অনাৱশ্যকীয় অপব্যৱহাৰ যেন লাগিবলৈ ধৰিলে। মোৰ মনত হল, যে এই দীঘে বানিয়ে দীঘল বহল পৃথিবীত কত মানুহে সঁচাই মিছাই কত কথা কৈছে, কণী ভগা ঘৰ-শালিকাই চেকচেকাই থকাদি কত চেক্‌চেকাই আছে, সেইবোৰৰ প্ৰতিবাদ কৰি থাকিবলৈ গৈ মোৰ বহুমূলীয়া সময় ফেৰা নষ্ট কৰাতকৈ বৰং সেইখিনি সময়ত চকু মুদি বা মেলি বিশ্বব্ৰহ্মাণ্ডৰ সাৰ কানি সৃষ্টি কৰ্ত্তাজনৰ অপাৰ মহিমা অনুভৱ কৰি থাকিলে কাম দেখে। এই মত অনুসৰি চলি শেহত মই এনেকুৱা হলোঁ যে লোকে কোনো কথা কলে তাক নহয় বুলিবকে নোৱাৰা হলোঁ; মুৰ দুপিয়াই বা মুখেৰে হয় বা হুঁ বুলি মই গা সৰাত পৰিলোঁ। এই অদ্ভূত অৱস্থাৰ বাবে মই অনেক ঠাইত ঠেকা খাইছিলোঁ, তাৰে ঘাই এটাৰ বিষয়ে আজি মই তোমাক কওঁ বুলি আহিছো।"

"কলিকতাত মোৰ চিনাকি বঙ্গালী বন্ধুৰ লেখ,সৰহ নহয়; এক, দুই, তিনি কুট (।)। তাৰে এজনৰ নাম বিজয় চন্দ্ৰ ৰায়। তেওঁ জীয়েকৰ বিয়া পাতিলে আৰু তালৈ তেওঁৰ অনেক কুটুম্ব বন্ধু বান্ধৱে সৈতে মোকো নিমন্ত্ৰণ কৰিলে। বিয়াৰ সভাত বহি আছো; দৰা-কন্যা সপ্তপদী গমন কৰিছে; এই সময়তে দুজন চাৰিজন মানুহৰ সৈতে মোৰ অলপ-অচৰপ আলাপ পৰিচয় ঘটিল। এইদৰে চিনাকি হোৱা মানুহৰ ভিতৰত এজনে মোৰ সৈতে আলাপ কৰিবলৈ অলপ সৰহকৈ আগ্ৰহ প্ৰকাশ কৰা দেখিলোঁ। একেই ময় ভয়াতুৰ মানুহ, তাতে এই গতি; মই চঁক খাই গলোঁ। সেই মানুহজনৰ নাম শশীভূষণ মল্লিক। বিজয় বাবুৱে এখেত অমুক বৰুৱা বুলি তেওঁৰ ফাললৈ মোক আগবঢ়াই দিবলৈহে পালে, শশী বাবুৱে টপৰাই মাত লগালে—'আমি বৰুৱাদেৰ খুব জানি; বিশেষ-ৰূপে জানি; আমাকে কিছুই বলতে হবেনা। এঁৰা কায়স্থ, বড়লোক, আসাম দেশেৰ জমিদাৰ। এঁৰ দাদাৰ সঙ্গে বোধ হচ্ছে আমি এক ক্লাসে প্ৰেসিডেন্সি কলেজে পড়েছিলুম। তাঁৰ নামটা আমাৰ স্মৰণ হচ্ছে না, কি বড়ুয়া। তিনি অতি সজ্জন লোক ছিলেন; ক্লাসে কাৰো সঙ্গে একটি কথাও বলতেন না, চুপ কোৰে এক কোণে বোসে থাকতেন। আমৰা সব বকাটে ছেলে তাঁকে ভাল মানুষ পেয়ে খুব ক্ষেপাতুম। আনন্দ বড়ুয়া এদেৰই ফেমিলিৰ।'

"শশীবাবুৱে এনে সব্ সব্ কৰে এই কথা কেইষাৰ কৈ গল, যে মই যদিও দেখিছিলোঁ যে তেওঁৰ দুটা এটা কথাৰ বাহিৰে সৰহখিনি কথা মোৰ গাত নাখাটে, তথাপি তেওঁৰ কথাৰ প্ৰতিবাদ কৰিবৰ মোৰ ইচ্ছা বা সাহ নহল: কাৰণ কালি মহাপ্ৰভুৰ কৃপাত সেই স্বভাৱে সৈতে ভালেমান দিন মোৰ এৰাএৰি ঘটিল। তাৰ উপৰি তেওঁ কথাবিলাক ইমান ডাঠকৈ কৈ গৈছিল যে মই নহয় বুলিলে বেচেৰা লাজত পৰি ক্ষুণ্ণ হব বুলি মোৰ শংকা হল। সি যি হওক. আৰু সৰহকৈ গোলমালত নপৰিবলৈ, মই তেওঁৰ হাতৰ পৰা সাৰোঁ কেতিয়া সাৰোঁ দেখিলো। এনেতে কন্যাঘৰীয়া মানুহে আমাৰ ফালে চাই মাত লগালে, 'জলপান খাবলৈ গা তোলক?' ভাবিলোঁ, ৰক্ষা পৰিলোঁ, এই দুজনৰ হাতৰ পৰা এতিয়া সাৰিব পাৰিম; কিন্তু 'অদৃষ্টৰ ফল, কে খণ্ডাবে বল?' ময়ো উঠিলোঁ, আৰু শশীবাবুৱেও মাত লগালে,— 'বড়ুয়া মশায়, চলুন, কায়স্থদেৰ ঘৰ এই-দিকে, কাছাকাছি একসঙ্গে বসা যাবে এখন।' এশটা মুকলি চকুৰ আগতে মোক বলেৰে কায়স্থ পাতি শশীবাবুৱে তেওঁৰ কাষৰত বহুৱালে, মোৰ কিন্তু প্ৰতি-বাদ স্বৰূপে একেষাৰ কথা কবৰ সাহ নহল। শশীবাবু নিয়তিয়ে মোক যেনিয়েই টানি নিছে মই তেনিয়েই যাব লাগিছোঁ, তাত প্ৰতিবন্ধকতাচৰণ কৰিবৰ সাধ্য মোৰ হোৱা নাই। বিজয়বাবুৱে মোক কিন্তু সদায় বামুণ বুলি জানিছিল; আজি শশীবাবুৰ বক্তৃতা শুনি তেওঁৰ মনত সন্দেহেই হল নেকি কব নোৱাৰোঁ, মই কায়স্থৰ শাৰীত বহা দেখি তেওঁ অলপ আচৰিত হৈ মোৰ ফালে চালে, কিন্তু একো নামাতিলে। আমাৰ খোৱা হৈ যোৱাৰ পিচত মই ঘৰলৈ আহিবলৈ কাৰবাৰ কৰিছোঁ, এনেতে শশীবাবুৱে মোৰ কাষ চাপি আহি মোৰ কাণে কাণে ফুচ্‌ফুচাই শুধিলে, 'বড়ুয়া মশায়, আপনাৰ এখানে থাকা হয় কোথায়?' মই উত্তৰ দিলোঁ, '৫৩ নং বাঞ্ছাৰাম অক্ৰুৰৰ গলি।' তেওঁ কলে 'এতো আমাৰ বাড়ীৰ কাছেই, ভাল হলো, ৰোজ দেখা শুনা হবে এখন।' মই অগত্যা ভদ্ৰতা ৰক্ষা কৰিবৰ নিমিত্তে কলোঁ, 'নিশ্চয়, নিশ্চয়, বৰ সুখৰ কথা। আপোনাৰ ভৰিৰ ধূলি মোৰ ঘৰত পৰিলে মোৰ ঘৰ পবিত্ৰ হব।' তেওঁ উত্তৰ দিলে, 'বিলক্ষণ।'

"ইয়াৰ পিচত এদিন ৰাতিপুৱা আঠমান বজাত সোঁশৰীৰে শশীবাবু আহি মোৰ বহাত উপস্থিত। তেওঁক দেখি যে মোৰ মনত আহুকালৰ ভাৱটো উপজিছিল, মই কি কম; কিন্তু সেইটো কোনো মতে মই ঢাকি, আস্তব্যস্তকৈ তেওঁক বহুৱালোঁ, তামোল ধপাত খাবলৈ দিলোঁ, আৰু ৰুটি চাহ খুৱাই আলহী শুধিলোঁ। সঁচা কথা কবলৈ গলে, বাস্তৱিক পক্ষত, তেওঁ উপযাচি ইমানকৈ মোৰে সৈতে ভাব কৰাটো মোৰ সমূলী ভাল নালাগিছিল। কিন্তু কি কৰিম. অদৃষ্টই মোক নাকী ধৰি যেনিয়েই মন যায় তেনিয়েই টানি নিব লাগিছে আৰু

মই যাব লাগিছোঁ।নানা কথা আৰু আলাপৰ পিচত তেওঁ মোক শুধিলে, 'আপনাৰ পৰিবাৰ এইখানে না দেশে?' মই কি কম একো ভাবি নাপাই উত্তৰ দিলো 'দেশত।' তেওঁ কলে 'এখানে আনান, এখানে আনান; একলা কেন কষ্ট পাচ্ছেন!' মই মিহিকৈ মাত লগালোঁ, 'এবা অনাব লাগিব।' অৱশ্যে মই বঙ্গলা ভাষাতেই এই উত্তৰ দিছিলোঁ; মাথোন আপোনাৰ আগতহে তাক অসমীয়াকৈ কৈছোঁ। সেই দিনৰ সেই ছোৱা সেই খিনিতে শেষ হল। মই ভাবিলোঁ, কলা ডাৱৰ ইমানতে উৰি গল, আৰু বতৰ ফৰকাল হল।' কিন্তু অ' হৰি! ইয়াৰ পিচত দেখোন ৰৰটোপীয়া বৰষুণ! তিনি দিনৰ পিচত, শশীবাবু আকৌ মোৰ ঘৰত ওলালহি। তেওঁক দেখি মোৰ চুলিৰ আগে ধাতু যোৱা যেন লাগিল, আৰু গাত জ্বৰ উঠিল। কিন্তু কি কৰা যায়! চাহপানী ধপাত আদিৰে আকৌ তেওঁক আগৰ দৰে সোধ-পোছ কৰিলোঁ। এইবিধ লঘু আহাৰৰ পিচত, তেওঁ আগৰ দিনৰ সেই কথা গুৰুতৰকৈ আকৌ আউটি উলিয়ালে; আৰু মোৰ মুখ শুকাই টোটোৰা পৰি গল। 'দেখুন আমি আমাৰ পৰিবাৰকে সেদিন বাড়ী গিয়ে বলেছিলুম যে বড়ুয়া মশায়ও শীঘ্ৰেই এখানে তাৰ পৰিবাৰ নিয়ে আসছেন। খপৰটা শুনে গিন্নীৰ তো ভাৰী আহ্লাদ, বল্লেন বেশতো শীগ্গিৰ আনতে বলো; তাহলে আমাদেৰ বেড়াতে যাবাৰ একটা জায়গা হবে। গিন্নী জিজ্ঞেস কৰলেন, বড়ুয়া মশায়েৰ ছেলেপিলে কয়টি? আমি কিন্তু কথাটাৰ জবাব দিতে পাৰলুম না বোলে, গিন্নী আমাৰ উপৰ মস্ত অম্বী কৰলেন। বল্লেন, তোমাদেৰ বন্ধুত্বটা বেশ যাহোক, ছেলেপিলেৰ কথাই জিজ্ঞেস কৰতে ভুলে যাও!"

"কথাই বিষম ফালে ঢাল লোৱা দেখি মই সেই কথাৰ সমিধান নিদি দেশৰ হুলস্থুলৰ বিষয়ে কথা উলিয়াই তাৰ ওপৰত ঢাকোন দিলোঁ। মোৰ বুধিটো যে একেবাৰেই নাখাটিল এনে নহয়; কিন্তু শশীবাবুৰ একৈয়া জ্বৰ, সেই বিষয়ে নানা কথা-বাৰ্ত্তাৰ পিছত, তেওঁৰ মুখত, আকৌ সেই আগৰ বোল ওলাল। মইও সতৰ্ক হৈ আছিলোঁ; গতিকে, ততালিকে আকৌ অতিচাৰী দলৰ (Extremist) বৰমুৰীয়া পালবাবুৰ কথাৰ সাফৰটো মেলি দিলোঁ। বাবুৰ নাম নকলো জানিবা ফেটীসাপৰ নেগুৰতহে খচকা মাৰি দিলোঁ। পালৰ পোৰ নাম শুনিয়েই শশীবাবুৰে মোৰ ছোৱা পাহৰি সেই ছোৱাত ধৰিলে। শশীবাবুৰ গাত সেই ফেৰা বিন্ধা মই আগৰে পৰা লক্ষ্য কৰি থৈছিলোঁ; গতিকে, মোৰ বিষয়ে ওলোৱা কথাৰ জোলটো সেই সুৰুঙাত পেলাই দি বোৱাই বাহিৰলৈ উলিয়াই দিবলৈ আগৰে পৰা আলচি থৈছিলোঁ আৰু দিলোঁও; আৰু সেই বাটেদিয়েই পালৰ পোৰ কথাৰ জোল ভিতৰলৈ সুমাই আনিলোঁ। ৰঙা কাপোৰ

দেখিলে ভতৰা বলিয়া হোৱাদি পালৰ কথা ওলালে শশীবাবু বলিয়া হয়। সি যি হওক, মেলত নথকা পালৰ ওপৰত এছোৰা ভালকৈ তেওঁ গৰ্জি লৈ সেই-দিনৰ নিমিত্তে মোৰ ঘৰৰ পৰা তপত হৈ উঠলি ওলাই বাহিৰত পৰিল।

সাদিনমানৰ মূৰত আকৌ এদিন গধূলি মোৰ বহাত শশীবাবুৰ শুভা-গমন হল। সেই দিনা তেওঁৰ ভাত ৰান্ধনি বামুণটোৰ হাতত দি এথাল সন্দেশ আৰু মতিচুৰৰ লাড়ু মোলৈ তেওঁ লৈ আহিছিল।আহিয়েই কলে,—'বড়ুয়া মশায়, গিন্নী স্বহস্তে এইগুলো খাবাৰ তৈৰী কৰে তোমাৰ জন্য পাঠিয়ে দিয়েছেন।' মই কলোঁ, অশেষ ধন্যবাদ। মোৰ কৃতজ্ঞতা তেওঁক জনাব।"

"শশীবাবু। 'দেখ, তোমাদেৰ ইংৰেজীয়ানা গুলো ছাড়তে হচ্ছে। এতো 'ফৰ্ম্মেলিটি' কেন? আমি তোমাকে তুমি বলে 'এড্ৰেচ' কৰেছি, তোমাৰও আমকে তুমি বলা উচিত। কিন্তু ভাই, আমি যে খাবাৰগুলো ভাৰ বয়ে এতো পৰিশ্ৰম কৰে আনলুম আমাকে থেংকচ্ থেংকচ্ কিছুইতো একটা দিলে না।' মই উত্তৰ দিলোঁ 'আপনাকো দিছোঁ, দুইজনেই বাঁটি লওক।"

"শশী।— আবাৰ আপনি? ৰোগ সান্নিক দেখছি! দেখ ভাই বড়ুয়া মশায়, আমাৰ পৰিবাৰ সত্যি সত্যি ভাৰী ব্যস্ত হয়ে উঠেছেন তোমাৰ পৰি-বাৰকে দেখবাৰ জন্য। শীগ্গিৰ আনাও। নাহলে বাপু আমাৰ আৰ সোয়াস্তি থাকছে না। তাকে আজ আৰ একখানা চিঠি লিখে দাও আসতে। লিখবে তো?"

"মই নিৰুপায় হৈ উত্তৰ দিলোঁ, দিম লেখি।"

শশী।— আমাদেৰ বিষয়ও তাঁকে লিখো। আৰ বলো, তোমাৰ একটি গৰীব বন্ধু যুটেছে, সে আৰ তাঁৰ স্ত্ৰী তাকে শত সহস্ৰ নমস্কাৰ জানাচ্ছে, আৰ তাঁৰা তোমাৰ অপেক্ষাই পথ পানে চেয়ে আছে। দেখ্ বড়ুয়া, তুমি আমাৰ চেয়ে বয়সে বড়, তোমাকে বাৰ বাৰ বড়ুয়া মশায় আৰ বলা চলে না। তোমাকে দাদা বলবো, আৰ তাঁকে বৌদিদি বলবো। বৌদিদিৰ নামটা কি দাদা?"

"মই কি উত্তৰ দিম ভাবি নাপাই বিমোৰত পৰি নামাতি ৰলোঁ। তেওঁ মোৰ উত্তৰ নাপাই আকৌ শুধিলে—'বলনা ভাই বলতে লজ্জাকি? তোমাৰ লজ্জা দেখে মৰে যায় আৰ কি! মেয়ে মানুষেৰও বেশি।"

"মই ভাবিবলৈ নহল, চিন্তিবলৈ নহল, দুষ্টা সৰস্বতীৰ উচতনিত হবলা, মিছাকৈয়ে সাজি কৈ দিলোঁ— 'ভুবুকী।' তেওঁ টপৰকৰে কথাষাৰ মোৰ মুখতে ধৰি কলে, 'ভুকী? বেশ নামটিতো। দেখ দাদা, তুমি যখন বাড়ীতে চিঠি-পত্ৰ লিখবে ভুকী বৌঠাকুৰুণকে আমাৰ প্ৰণাম দিও।' মই দিম বুলি কৈ কোনেমতে গা সাৰি সেই দিনৰ নিমিত্তে ৰক্ষা পৰিলোঁ।

ইয়াৰ পিচত শশীবাবু প্ৰায়েই মোৰ বহালৈ আহি 'ভুকীঁ বৌঠাকুৰুণৰ' 'ভুকীঁ বৌদিদিৰ' বাতৰি শোধে, আৰু আমাৰ ঘৰৰ নানা খবৰ শুধি মোক ব্যতি-ব্যস্ত কৰে। মই তেওঁৰ এইবিধ দৌৰাত্মাৰ হাত কোনো মতে এৰাব নোৱাৰি 'ত্ৰাহি মধুসূদন' কৰিবলৈ ধৰিলোঁ।

ইমানতে ভাঙ্গি কোৱাৰ সকাম পৰিছে, কিয় মই শশীবাবুৰ আদৰ চেনেহ আৰু বন্ধুত্বক দৌৰাত্ম্য বুলি ভাবিছিলোঁ। সঁচা কথা কবলৈ গলে, শশীবাবু যে এজন বৰ সাদৰী, সৰল আৰু পৰোপকাৰী মানুহ তাৰ ভুল নাই; আৰু সেইটো মই যে নুবুজিছিলোঁ এনেও নহয়। তেওঁৰ সৰল মনক নিৰ্ম্মল বন্ধুতাৰ প্ৰবল ভাবে ব্যগ্ৰ কৰি তুলিছিল; কাৰণ তেওঁৰ পৰ্কিতিয়েই তেনে। তেওঁৰ আদৰ-সাদৰক নেওচি তেওঁক আপদ যেন দেখাটো যে মোৰ পক্ষে সজ কাম হৈছিল এনে নহয়। কিন্তু মই কৰোঁ কি? যাওঁ কলৈ? অদৃষ্টৰ পাকচক্ৰত পৰি ঘূৰি মই পেপুৱা লাগিলোঁ। প্ৰথম কথা মই বৰলা মানুহ; বিয়াৰে সৈতে মোৰ সতিনীৰ আঁহ বুলিলেই হয়। মই বিয়া কৰোৱা বুলি শশীবাবুৱে জবৰ্দ্দস্তি কৰি ধৰিলে! সেই বিষয়ে মোক ইমান বিলাক কথা কৈ কাবু কৰি পেলালে যে মই লৰচৰ কৰিব নোৱাৰা হলোঁ। লোকৰ কথাত নহয় বোলা স্বভাৱে মোক কিছুদিনৰ আগৰে পৰাই এৰি থৈছিল বুলি কৈ আহিছোঁ। লোকৰ কথাত "কণ্ট্ৰাদিকট্" কৰা সহজটো মোৰ গাৰ পৰা আঁতৰ হোৱা বিষয়ত যে কানিৰ কোনো হাত নাই খামাখা এনে বুলিবও নোৱাৰোঁ। দ্বিতীয়তঃ, মই ভাবিলোঁ যে শশীবাবুৰ কথাত হুঁ-হাঁ কৈ শলাগি গলেই তাৰ ওৰ সোনকালে পৰিব আৰু মই ক্ষন্তেকতে পাখি কটালি জৰ্জ্জৰীয়া দি উৰিম বা উঠিম; কিন্তু নহয় বুলিলে, তেওঁ কুৰুকি কুৰুকি আৰু অনেক কথা শুধি মোক আমনি কৰি মাৰিব। কোনে জানিব যে মোৰ হিচাপৰ ফল ওলোটা হৈ ওলাব। তৃতীয়তঃ, আৰু এটা ভয়ে মোক কোবাই চৰিয়াই শশীবাবুৰ কথা মনাই লৈছিল। বঙ্গদেশত বঙ্গালীৰ মাজত আবিয়ৈ বয়সীয়াল মানুহ নাই বুলিলেই হয়; আৰু হাজাৰৰ ভিতৰত এটা দুটা থাকিলেও সি 'হংস মধ্যে বকো যথা' হয়। বঙ্গালীয়ে মনত একৰকম ধাৰণাই কৰিব নোৱাৰে যে সৰহ বয়সলৈকে বিয়া নকৰোৱাকৈ কোনো মানুহ ভালে থাকিব পাৰে। তেনে মানুহক তেওঁলোকে চোভাৰ চকুৰে চায়; আৰু সেইজন সম্পৰ্কে নানা দুৰ্ভাবনাই তেওঁলোকৰ মনত উখল-মাখল লগায়। সৰহ নকওঁ, তেনেকুৱা মানুহক নিভাঁজ বুলি তেওঁলোকে পতিয়াব নোৱাৰে। এইবোৰ কাৰণত মই শশীবাবুৰ কথা শলাগি হোঁ হোঁ কৈ গৈ, ৮০ নম্বৰৰ সূতা উঘাত পাক খোৱাদি পাক খাই পৰিলোঁ। মই শিবফুটা বামুণৰ ঘৰৰ লৰা, অথচ শশীবাবুৱে মোক কায়স্থ বুলি ধৰি ললে। মোৰ উপাধিও বৰুৱা যেতিয়া, তেওঁৰ হিচাপ মতে ময়ো কায়স্থ। মই ভাবিলোঁ, তেওঁক এবলকা উত্তৰ দি তেওঁক তেওঁৰ ভুল বুজাবলৈ যোৱাতকৈ

তেওঁৰ কথাটো শলাগি থোৱাই উজু; আৰু বিশেষতঃ তেওঁৰ সৈতে মোৰ ক্ষন্তেকলৈ দেখা, ইয়াৰ পিচত কোন গছৰ পখী কলৈ উৰি যায় কোনে কাৰ ভু লয়? কিন্তু মোৰ গাললৈ টোৱাই অহা দৈবৰ সোঁ হাতটোত খামোচ মাৰি ধৰি মই নিশ্চিন্ত হৈছিলোঁ, কিন্তু লেবেৰা হাতটোও যে সোঁ হাতৰ নিচিনাকৈ সমানে চলে, সেইটো মই নাজানিছিলোঁ। গতিকে মোৰ গালৰ এই দুৰ্গতি। চতুৰ্থত, তেওঁ মোৰ ককায়ে সৈতে কোনো কালে প্ৰেচিডেন্সি কলেজত পঢ়া নাই। অৱশ্যে তেওঁৰ নিচিনা মানুহে যে মিছাকৈ সেই আষাৰ কথা কলে এনে নহয়; তেওঁ নিশ্চয় কোনো অসমীয়া লৰাৰ সৈতে সেই কলেজত পঢ়িছিল আৰু সেই অসমীয়াজনৰ নামৰ পিচত বৰুৱা উপাধি নিশ্চয় লাগি আছিল। কিন্তু শশী-বাবুৰে এতিয়া যে ভুল কৰিছে সেইটোও নিশ্চয়, কাৰণ প্ৰকৃতপক্ষে কোনোকালে মোৰ কোনো ককাই নাছিল; আৰু মই মোৰ বোপাইৰ মাথোন একেটা পো। আনন্দৰাম বৰুৱা বঙ্গদেশত নামজ্বলা পুৰুষ আছিল; গতিকে বঙ্গালীয়ে কোনো অসমীয়া মানুহৰ নামত বৰুৱা উপাধি দেখিলেই ভুলকৈ তেওঁৰে সৈতে একে-ডাল দোলেৰে সেইজনক সাঙোৰে।

"ইত্যাদি কাৰণত মই শশীবাবুক বাঘ দেখাদি দেখিছিলোঁ। তেওঁৰ ব্যৱহাৰ মোৰ প্ৰতি সৰল আছিল, আৰু কোনো বেয়া মতলবত তেওঁ যে ওপৰ-পৰা হৈ মোৰে সৈতে বন্ধুতা পাতিছিল এনে নহয়। তেওঁ ওখ শাৰীৰ ভাল মানুহ এইটো মই ন দি কব পাৰোঁ। কিন্তু হলে কি হব, তেওঁৰ ভুল কথাৰ গুৰিতে মই প্ৰতিবাদ নকৰি বা নহয় বুলি চকৰীৰ দৰে লেতাটো বান্ধি সোমালোঁ; আৰু এতিয়া কথা আহি ইমান গুৰুতৰত পৰিল যে, কেনেবাকৈ মই ধৰা পৰিম, এই ভয় আৰু লাজে মোক খুলি খুলি খাই মাৰিবলৈ ধৰিলে। মই নিৰুপায় হৈ ভাবি ভাবি শেহত এটা উপায় ঠিক কৰিলোঁ।

"এদিন পুৱাই মোৰ লগুৱাটোৰ মুখে শশীবাবুলৈ বাতৰি কৈ পঠি-য়ালোঁ, যে বিজুলী ডাকত ঘৰৰ পৰা বাতৰি আহিছে যে মোৰ পৰিবাৰ জহ-নীত পৰি মৰিল। ইয়াৰ দহ মিনিটমানৰ পিচতে শশীবাবুৰে চকুলো টুকি হায়! হায়! কৈ মোৰ ওচৰ ওলালহি। মইও বৰ বেজাৰ দেখুৱাই চকুৰ লো টোকাৰ ছলেৰে মোৰ চকু দুটা মোহাৰি ৰঙা কৰিলোঁ আৰু মাজে মাজে উস! উস! কৰি তেওঁৰ শোকৰ সমিধান দিবলৈ ধৰিলোঁ। বেচেৰা শশীবাবু! তেওঁ অনেক বেজাৰ কৰিলে, অনেক কান্দিলে, আৰু মোক অনেক শান্তনা দিবৰ চেষ্টা কৰিলে। তেওঁৰ ঘৈণীয়েকেও বৰ বেজাৰ কৰি মোলৈ জনাই পঠিয়ালে! শশীবাবুৰে তেওঁৰ আন বন্ধু বান্ধৱৰ আগতো মোৰ এই দাৰুণ শোকৰ বাতৰি কৈ কেইবা দিনলৈকে বেজাৰ প্ৰকাশ কৰিছিল। এদিন মোৰ চিনাকি

কোনো এজন অসমীয়া মানুহৰ সৈতে দৈবাৎ শশীবাবুৰ দেখা হোৱাত শশী-বাবুৰে মোৰ এই বিপদৰ কথা তেওঁক কৈ বেজাৰ কৰিছিল। সেই অসমীয়া মানুহজনে মোক সদায় বিয়াৰ মুখ নেদেখা ববলা বুলি জানিছিল দেখি, শশীবাবুৰ সেই মুৰ নাইকীয়া অথচ মুৰ কামোৰণিৰ নিচিনা কথা শুনি আচৰিত হৈ সেই কথা অসম্ভৱ বুলি শশীবাবুক কোৱাত শশীবাবুৰে প্ৰতি-বাদ কৰোঁতাক উপলুঙা কৰি ফুতে উৰাই দিলে। অসমীয়াজনে গধূলি মোৰ ঘৰলৈ আহি সেই কথা মোক কোৱাত মই গহীনকৈ উত্তৰ দিলোঁ 'সেই বাবু-জনৰ অলপ মুৰৰ গোলমাল আছে; তেওঁ যিহকে পায় তাকে কয়।' উপস্থিত আপদৰ পৰা কাণে কাণ-মাৰিহে কোনোমতে সম্প্ৰতি উদ্ধাৰ হৈ ভৱিষ্যত আপ-দৰ হাত সাৰিবলৈ, শেহত মই স্থান ত্যাগ কৰি শশী-গ্ৰহৰ হাত সৰাই শ্ৰেয়ঃ ভাবিলোঁ। এদিন শশীবাবুক বিশ্বাসে কলো যে, মোৰ মন বৰ বেয়া হৈছে; দিনচেৰেক ফুৰি আহিবৰ নিমিত্তে মই ব্ৰহ্মদেশলৈ যাব খুজিছোঁ, তেওঁ কি বোলে ? ফুৰিবলৈ গলে, মোৰ মনৰ শোক পাতলিব ভাবি তেওঁ কলে 'বেশ কথা, যাও, দিন কয়েকেৰ জন্য একটু বেড়িয়ে এসো, তাতে শৰীৰ মন দুই ভাল থাকবে। কিন্তু ভাই যেখানেই যাও, গৰীব বন্ধুকে ভুলোনা; কেমন থাক চিঠি লিখো। তোমাকে প্ৰাণেৰ সিহত ভাল বেসেছি, সেটা মনে থাকে যেন।' মইও শশীবাবুৰ সুৰেৰেই দুই চাৰি আষাৰ মনৰ আবেগ দেখুৱাই কথা কৈ মান দেশলৈ যাবলৈ বুলি জাহাজত উঠিলোঁ। কিন্তু কবলৈ লাজ লাগিছে, যে মই সেই দিনাৰ পৰা মোৰ বিষয়ে এটা আখৰ বা কোনো বাৰ্তাৰ শশীবাবুলৈ দিয়া নাই। মই নানা দেশ-দেশান্তৰ ঘূৰি ফুৰিছোঁ, কিন্তু শশীবাবুৰ গোন্ধ থকা ঠাইৰ চাৰি ধাপৰ কাষলৈকে নাযাওঁ! শশীবাবু যেনে ভাল মানুহ, আৰু উদাৰ আৰু সৰল অন্তঃকৰণৰ লোক, তেওঁৰে সৈতে মোৰ এনে ব্যৱহাৰ কৰাটো বৰ অন্যায়, এইটো মই ভালকৈ বুজিছোঁ। কিন্তু মই কৰো কি ? অদৃষ্টই মোক জৰীৰে মেৰিয়াই লাটুম ঘূৰোৱাদি ঘূৰাব লাগিছে। মই কেনেবাকৈ তেওঁৰ আগত ধৰা পৰিলে চিৰকাললৈ অমানুহ হম, আৰু লাজত মৰি যাব লাগিব। কিন্তু এই ঘটনাৰ পৰা মোৰ এটা পৰম উপকাৰ হল; মই আৰু লোকৰ সকলো কথাতে হয় দিবলৈ এৰিলোঁ; আৰু মিছাৰ প্ৰতিবাদ কৰিবলৈ সাহ গোটালোঁ। ইয়াৰ উপৰিও মই এটা ডাঙৰ কাম কৰিলোঁ; সেইটো শুনিবা নে?" মই শুনিম বুলি কওঁত তেওঁ কলে, "সেইটো এই—নিমুৰা চোৰৰ নিচিনা কানিক,হতচিৰী যোৱা কানিক, চুকতে থাকি বুকতে কামোৰ মৰা কানিক, গোঁসাইৰ শপত খাই একেবেলিয়েই এৰিলোঁ।" মই উত্তৰ দিলোঁ "সজ কৰিলা।"

# মাধৈমালতি

কাৰনো মনত খেলাব, যে আমাৰ পকাডৰীয়া ঋষিৰ নিচিনা গহীন গম্ভীৰ মুনচুপ নীলাম্বৰ শৰ্ম্মা ডাঙৰীয়া চেঙেলীয়া বয়সত, পচোৱা বতাহৰ আগে আগে উৰি ফুৰা ওভতগোৰে নচা আছিল ? তেওঁৰ আজিকালি প্ৰশান্ত নিবাত নিষ্কম্প তৰুৰ নিচিনা মূৰ্ত্তি দেখিলে কোন মাইকীৰ পোৱে কব পাৰে, যে তেওঁ কেঁচা বয়সত দুষ্টালিৰ ঢৌৰ ওপৰত খৰ মাৰি ফুৰা অঘাইটং আছিল ? তেওঁ নিজৰ কাহিনী নিজে অনুগ্ৰহকৈ বৰ্ণনা নকৰাহেঁতেন কাৰো "আপুটিয়েকৰ" সাধ্য নাই যে, তেওঁৰ আজিকালিৰ গাৰ চেচা ছালৰ তলত লুকাই থকা, সেই আগৰ কালৰ চেঙা তপত উদণ্ড ডেকা-লৰাটোক ধৰা পেলায়।

জাৰকালি এদিন জুহালৰ ওচৰত বহি তেওঁৰে সৈতে জুই পুৱায় থাকোঁতে, জুইৰ তাপ পাই তেওঁৰ মনৰ সাঁফৰটোৰ লা গলি গলত তেওঁৰ শিশুলীলাৰ দুটা এটা ঘটনা মোৰ ওচৰত উদং হৈ পৰিল। তলত লিখা লীলাটি সেইদিনাৰ সেই কাৰ্য্যৰ ফল আৰু তেওঁৰ নিজৰ ভাষাতে তাক দিলোঁ—

"সি আজি বহুদিনৰ কথা। তেতিয়া এই পৃথিবী ষোল সোতৰ বছৰ বয়সীয়া ডেকেৰী, গছ-গছনি ডেকা, চৰাই চিৰিকতি কথকী, গৰু-মহ ঢপলীয়াই ফুৰা, মতা বগিয়াল, তিৰুতা ৰাংঢালী, লৰা জাঁপত বৰৰ এঠাৰ ঢোপ, ছোৱালী বিয়া-সবাহৰ নামত জাউৰিয়ে জাউৰিয়ে বাৰিষাৰ বৰষুণ; গৃহস্থৰ ঘৰ আমোদ উৎসৱেৰে চপ্‌চপীয়া, বন্ধু বান্ধৱৰ মন ফৰকাল ভাৱেৰে নিকপটীয়া।"

মুনচুপ ডাঙৰীয়াৰ বৰ্ণনাৰ গঢ়টো দেখি মই আচৰিত হোৱা যেন পাই তেওঁ মাত লগালে।

"তুমি আচৰিত হবৰ কাৰণ একো নাই; কিয়নো মোৰ মনত তেতিয়া যেনে লাগিছিল তেনেকৈ বৰ্ণাইছোঁ। মোৰ নতুন মনৰ উলাহত গোটেইখন পৃথিবীয়েই সেই কালত নতুন যেন লাগিছিল।"

"আমাৰ ঘৰৰ ওচৰতে মাধৱ তৰণিৰ ঘৰ আছিল। তেওঁৰ গুৰিগছ

খোন্দোলা, গঁঠীয়া, টেমুনা আৰু ফটা। তেওঁৰ বাপেক বিক্ৰমপুৰৰ বঙ্গাল আৰু মাক অসমীয়া। অৱশ্যে দুই দেশৰ দুই জাত সংগ্ৰহ কৰি মিলাই অতীতত সি একেটা হৈ কোন জাতত পৰিছিল গৈ সেইটো মোৰ বুজ নাছিল। কিন্তু লোকে বাপেকৰ জাতকুল অৰ্থাৎ তেলীয়া আৰু মাকৰ জাত পানী কেওঁট বুলি কৈছিল। কিন্তু লোকৰ কথা সঁচাই হওক বা মিছাই হওক সেই তেল পানী মিহলি হৈ কি হৈছিল তাৰ উৱাদিহ মই সমুলী নাৰাখিছিলোঁ। আসামত তেওঁলোকৰ বসতিৰ বয়স কম-বেছি দেৰ কুৰি বছৰ হৈছিল। বাপেক মৰি যোৱাৰ পিছত মাধৱেও অসমীয়া কলিতানী ছোৱালী এজনী বিয়া কৰাই আৰু আউনিআটী সত্ৰত শৰণ লৈ নাম-কথা শুনি চাৰি পোৱা অসমীয়াৰ শাৰীত উঠিছিল। বিয়াই সবাহে মাধৱ তৰাণিৰ ঘৈণীয়েকে আমোলানীহঁতৰ সৈতে শাৰীপাতি বহিছিল আৰু সমানে মলা চৰু বিচাৰিছিল আৰু সেই “দাবীত” আপত্তি কৰিলে তৰাণিয়নীয়েও সমানে মুখ জোকাৰি সেই আমোলানী-হঁতক দুই চাৰি কথা শুনাই তৰাণি হেৰুৱাই দিবলৈকো নাপাহৰিছিল। আৰু নুশুনাবই বা কিয় ? আমোলানীহঁতৰ গিৰিয়েকহঁত তৰাণিয়নীৰ গিৰিয়েক তৰাণিৰ ধৰুৱা নহয় নে ? ধন ধাৰে লাগিল বুলি-লেই, ধাৰত পেন্-পেন্ আমোলা ডাঙৰীয়াসকল টকাত দুপয়চাৰ পৰা এক অনালৈকে বাঢ়িত তৰাণিয়নীৰ ‘আমাৰ ডাঙৰীয়া’ মাধৱ তৰাণিৰ পৰা ধন ধাৰে আনিবলগীয়াত নপৰেনে? সেই দেখিয়েই মাধৱ তৰাণিৰ ঘৈণীয়েক লখিমী তৰাণিয়নীয়ে দুপৰীয়া তামোলৰ বঁটা আগত লৈ চল পালেই, টেকেলানী গায়ননী আৰু দীঘলানী বাইহঁতৰ আগত নকৈ নেৰে যে, ‘গপ্-মাৰতী আমোলানীহঁতৰ চুলিৰ আগ আটাই কেইকোছা আমুকীৰ হাতত।’ এইখিনিতে আৰু এষাৰ কবলৈ বাকী আছে যে মাধৱৰ ঘৈণীয়েকে বৰজাপী ধৰা মানুহ লগত নোহোৱাকৈ এখোজো নাকাঢ়িছিল, তেহেলৈ তেওঁৰ ঘৰৰ সমুখৰ আলিটোৰ সিপাৰে থকা কাবো ঘৰলৈ তেওঁ যাবলগীয়াই হওক, বা দূৰৈলৈ যাবলগীয়াই হওক।

“তৰাণিয়ে ঈশ্বৰৰ ইচ্ছাত তিনিজনী ছোৱালী আৰু এটা লৰাৰ বাপেক হৈ ঘৈণীয়েকৰ হাতত, অলপ বা ডাঙৰ দোষতে ‘আজি মাৰটীয়েবে’ বুলি, সেই লৰা-ছোৱালীমখাৰ পিঠিত ঢকিয়াবলৈ অধিকাৰ প্ৰদান কৰিলে। কালক্ৰমত তৰাণিৰ লৰা-ছোৱালী কেইটা ডাঙৰ দীঘল হল, আৰু ছোৱালী তিনিউজনী বিয়া দি উলিয়াই দিবৰ কাল পালেহি। তেওঁৰ তিনিউজনী ছোৱালী গাঢ়িত আৰু শুৱনি আছিল। সিহঁতক আজিকালি কোনো অসমীয়া ডেকা কবিয়ে লগ পোৱাহেঁতেন, সিহঁতৰ ৰূপ তেওঁৰ কবিতাৰ কিতাপত এছোৱা এইদৰে নিশ্চয় বৰ্ণনা নকৰি নোৱাৰিলেহেঁতেন—

গাটো সোণ বৰণীয়া ওঠ কোৱাভাতুৰীয়া,
দালিম-গুটীয়া সৰু দাঁত।
লোহৰালোহেৰ হাত খৰচি নথকা মাত,
খামুচীয়া ককালৰ জাত॥

খৰম জুৰীয়া ভৰি, কলা চুলি থাকে পৰি,
মেলি দিয়ে আঠুৰ তলত।
আমৰা-গুটীয়া চকু, চেলাউঁৰি বেকা মাকো,
কেকোজেকো নিতম্ব-ভৰত ॥

"তৰ্বাণিৰ মনত বৰ আশা, তেওঁ যেন অসমীয়া ভাল মানুহৰ ঘৰৰ আমোলা তিনিটা লৰা গজ্‌গজীয়াকৈ তেওঁৰ তিনিটা জোৱাঁই কৰি লবলৈ পায়। এই ওখ আশা পূৰণ কৰিবৰ সপক্ষে তৰণীৰ গাঁঠিত ধন, ভঁৰালত ধান, বাৰীত তামোল পাণ, গছত আম কঠাল, গোহালিত গৰু আৰু খলিত খীৰতী ম'হ আছিল। আৰু এইবোৰৰ উপৰুৱাকৈ কপালৰ বল আৰু বুদ্ধিৰ সম্বল থাকিলেই কাৰ্য্য সিদ্ধিৰ বাটত বিঘিনি নাথাকে। তেওঁ আউনীআটিত শৰণ লবৰে পৰা তেওঁৰ আচাৰ ব্যৱহাৰ অসমীয়া নৈষ্ঠিক হিন্দুতকৈও একাঠী চৰিছিল; তেনে-স্থলত এনে সুবতাহ বৈ থাকোঁতেও, তেওঁ যদি পাল তৰি তেওঁৰ মনৰ আশা তৰী ভালকৈ এছোৱা উজাই লৈ যাব নোৱাৰে তেন্তে দায় কণা গোঁসাইৰ গাতহে, তেওঁৰ গাত নহয়।

"তৰ্বাণিয়ে জীয়েক-কুনকী হাতীৰে ভাল মানুহৰ লৰা-মখনা ধৰিবলৈ কত ফান্দ পাতিছিল, কিন্তু পৰা নাছিল। তেওঁৰে নিচিনা এধাকেচেলুৱা জাতৰ কাববাক তেওঁ জোঁৱাই কৰিবলৈ বিচাৰিলে পোৱাত বৰ আটক নাছিল, কিন্তু তেনেবোৰত আকো তেওঁৰ মন নাখাইছিল। তেওঁ গুৰুঘৰত মাত-কথা শুনি অসমীয়াৰো অসমীয়া, ভকতীয়াৰো ভকতীয়া হৈছিল। সৰহ নকওঁ, তেওঁ কোনো নিভাঁজ অসমীয়াৰে আচাৰ ব্যৱহাৰত অলপ অচৰপ লৰক-ফৰক দেখি-লেই ঠাট্টা নকৰি নোৰিছিল। —'আগৰ মধুপুৰীয়াই খৰি ধুই খাইছিল, এতিয়াৰ মধুপুৰীয়াই ভৰি ধুইও নাখায়' এই ফকৰা চল পালেই তেওঁ মাতিছিল।

"মাধৱে এজন ডাঙৰ উকিলৰ তৰ্বাণ হৈ কাছাৰিত দৰ্খাস্ত লেখি, গুচ-বীয়া পদকীয়াৰ গোচৰৰ 'তদ্বিৰ' কৰি উদাৰভাৱে দুপইচা উপাৰ্জন কৰিছিল; কিন্তু খৰচৰ বেলিকা তেওঁ সেই উদাৰ ভাৰক চকোৱাৰ আৰত থৈ, আলহী সুধিবলৈ অনুদাৰ ভাৰক বাহিৰলৈ উলিয়াই দিছিল। আৰ্জ্জৰৰ সময়ত তেওঁৰ হাতৰ মুঠি মেল খাইছিল, তলুৱা খোবোং হৈ পৰিছিল, কিন্তু খৰচ কৰিবৰ সময়ত তেওঁৰ আঙ্গুলিৰ মাজৰ সুৰুঙাবোৰ মৰি পানী নসৰকা হৈছিল।

এনেস্থলত তেওঁ যে ৰূপবান সাঁচি চহকী মানুহৰ শাৰীলৈ নাযাব তাৰ আটক কি? তেওঁৰ ধানৰ ভঁৰাল গুটিধান গছী ধানেৰে ভৰা, গোহালি খীৰতী গাইৰে, আৰু বান্ধনিঘৰৰ মুধৰ পৰা জোবাদি বঢ়াই উলিৰা ছালি খীৰতী ছাগলীৰে ভৰা আছিল। কিন্তু হলে কি হব, তেওঁ ইমান কট্‌কিনা কিৰ্পিণ আছিল যে কাকো এডাল কুটা, এটোপা গাখীৰ, এচিকটা বস্তু দিব নোৱাৰিছিল। বাৰীৰ কল পাকি যায়, বাদুলীয়ে খায়, কাউৰীয়ে খায়, আৰু বাকী থকাবোৰ তেওঁ বজাৰত বেচিবলৈ পঠিয়াই দিয়ে; আম কঠাল আদিৰ বেলিকাও তেওঁ সেই নীজৰ মতেই চলে। কিন্তু তেওঁ নিজ হাতে তুলি তাৰ এটা এডোখৰ কাকো দিব নোৱাৰিছিল। পৰক দি থৈ খাবলৈ তেওঁৰ সোৰঁৰণিত বিধাতাই একেবাৰেই লেখিবলৈ পাহৰিছিল। এদিন এটা কেহেটা ঘটনাৰ কথা তোমাক কওঁ শুনা।

"মোৰ তিনি বছৰীয়া সৰু ভাইটো অনেক দিন জ্বৰত ভুগি শুকাই খেৰশনীডাল যেন হৈছিল! মুঠিয়ে মুঠিয়ে ধন ভাঙ্গি লাড়ুৰে লাড়ুৰে দৰৱ খুৱাই দেউতা হাইৰাণ হৈছে, তথাপি তাৰ নৰীয়া ভাল নহয়। এদিন বেজ-বৰুৱাই এটা দৰৱ দি কলে, 'এই বিধ দৰৱেই মোৰ শেষ ব্যৱস্থা, এই দৰৱত যদি ভাল নহয়, তেন্তে মই আৰু একো কৰিব নোৱাৰিম।' ছাগলীৰ গাখীৰৰ অনুপানেৰে তেওঁ ৰোগীক সেই দৰৱ খুৱাবলৈ কলে। দুৰ্ভাগ্যৰ গুণে আমাৰ ঘৰত ছাগলী পোহা দস্তুৰ নাছিল, আৰু তৰণিৰ ঘৰৰ বাহিৰে ওচৰ-চুবুৰীয়া আন কাৰো ঘৰত ছাগলীৰ গাখীৰ নাছিল। তৰণিৰ গতি গোত্ৰ আমাৰ ভালকৈ জনা আছিল দেখি সেই ফাললৈ নুচৈ কি আন ঠাইত ছাগলীৰ গাখীৰ বিচাৰিবলৈ ধৰিবলোঁ। কিন্তু খনতে বিচাৰি চলথ কৰিবলোঁ, তথাপি কৃতকাৰ্য্য হব নোৱাৰিবলোঁ। আমি নিৰুপায় হৈ শেহত অগত্যা তৰণিৰ ওচৰত ছাগলীৰ গাখীৰৰ অৰ্থে আবেদন কৰিবলোঁ। কিন্তু কিৰ্পিণ যক্ষই এটোপা গাখীৰকে দিবলৈ মান্তি নহল। দেউতা আৰু আই বিবুধি, কোনোমতে ছাগলীৰ গাখীৰৰ দিহা হৈ নুঠে। কিন্তু খটাসুৰ মোৰ মনত এটা বুধি ওলাল। আইক মই মনে মনে কলোঁ, 'আই তুমি চিন্তা নকৰিবা, মই ছাগলীৰ গাখীৰ আনিম; কিন্তু দেউতাই যেন এই বিষয়ে একো গম নাপায়।' আয়ে মোৰ কথা শুনি যদিও পেটে পেটে সন্তোষ পালে, তথাপি মোক সাৱধান নকৰি নাথাকিল, যে মই যেন আকৌ ছাগলীৰ গাখীৰৰ নিমিত্তে কাৰো সৈতে একো গোলমাল নলগাওঁ। মই আইক নিৰ্ভয় দি কলোঁ, কাৰো সৈতে একো নালাগে, তুমি চিন্তা নকৰিবা।'

"সন্ধ্যা লাগি ভাগি ৰাতি আঠমান বাজিছে। তৰণিৰ বৰজনী জীয়েক মাধৈমালতীয়ে আখলত সোমাই চৰুৰ তলত জাল লগাইছে। তৰণিয়ে

বাহিৰৰ চোতালত বহি গুণগুণাই হাজাৰীঘোষাৰ পদ একো ফাঁকি বিসুৰীয়াকৈ গাইছে। ঘৈণীয়েকে বৰ ঘৰৰ শোৱাপাটীত লবা শুৱাব চেলুতে নিজেও এঘুমটি মাৰি লৈছে। এনেতে মই হাতত কঁঠাল-কুঁহীয়া বাটি এটা লৈ, ভৰিৰ গোৰোৱাক মাটিৰ পৰা আঁতৰত ৰাখি আঙ্গুলিৰ আগত ভৰ দি, হাতত সাৱে ভৰিত সাৱে গৈ, চুৰকৈ ছাগলীৰ গাখীৰ খীৱাই আনিবলৈ বুলি মাধৰ তৰাণিৰ ছাগলীৰ ঘৰত সোমালোঁ। তৰাণিৰ ছাগলীৰ ঘৰটো বান্ধনি ঘৰৰ মুধৰ পৰা ছালি এখন বঢ়াই কৰা। বান্ধনি-ঘৰৰ মুধৰ বাৰখনেই তাৰো এফালৰ বাৰ। মই খীৰতী ছাগলী এজনীৰ ওচৰত লাহেকৈ বহি, গাখীৰ খীৱোৱাৰ পাতনি স্বৰূপে তাইৰ বাঁটত খুন্দা ধৰিছোঁ। এইখিনিতে কোৱা আৱশ্যক যে মোৰ কাৰ্য্যটোক একেবাৰেই চুৰিৰ শাৰীৰ পৰা এখোপ ওপৰলৈ তুলিবৰ মনেৰে মই পইচা চাইটা লৈ গৈছিলোঁ, আৰু তাক গাখীৰৰ বেচ স্বৰূপে সেই ছাগলীজনীৰ ওচৰতে থৈ দিলোঁ। অৱশ্যে চাৰি চটা ইটা দি চাপৰ শোৱা-ছালপীৰাখনৰ চাৰি খুৰা ওখ কৰাদি এই চাইটা পইচাৰে মই মোৰ কাৰ্য্যটোক ওখ কৰিবলৈ গৈ কিমান দূৰ কৃতকাৰ্য্য হৈছিলোঁ, আপুনি বুজিছে ; মই তাৰ বিষয়ে একো নকওঁ।

"ইকৰাৰ বাৰখন যদিও গোবৰ-মাটিৰে লেপা, তথাপি সি বছৰ চেৰেকৰ পুৰণি বাবে ঠায়ে ঠায়ে তাৰ লেপ খহি সুৰুঙা ওলোৱা হৈ গৈছিল। সেইদেখি জলঙাইদি, ছাগলীৰ ছালিৰ পৰা আখলৰ ভিতৰলৈ মোৰ দৃষ্টি সহজে সৰকি গৈছিল। ইয়াৰ উপৰিও তাত জুইৰ পোহৰ, আৰু মই থকা ছালিৰ ভিতৰত এন্ধাৰ, গতিকে সেই বিষয়ত ৰান্ধনি-ঘৰীয়াতকৈ ছাগলী-ঘৰীয়াৰ সুবিধা বিস্তৰ।

"ছাগলীজনীৰ ওহাৰখন হাতৰ মুঠিৰে খুন্দিয়াই লৈ মই বাটিটো বাওঁহাতে তুলি লৈছোঁ, আৰু সোঁ হাতেৰে বাঁট এটাত ধৰি এচোচা কি দোচোচা মাৰিছোঁহে, এনেতে আখলৰ খোটালিৰ উত্তৰ ফালৰ বাৰত তিনিটা টোকৰ পৰা শুনিলোঁ। টোকৰ শুনি মই দুগ্ধদোহন কাৰ্য্য স্থগিত ৰাখি, তাৰ মানেটো উলিয়াবৰ নিমিত্তে চকু কাণ ঠিয় কৰি, আৰু সৰ্ব্বাঙ্গ শৰীৰটোক মনৰ ভাপেৰে ভালকৈ উষুৱা এখন ডাঙৰ কাণ কৰি পেলালোঁ। মই এইদৰে চোপা দি আছোঁ, ছোৱালীজনীয়ে টোকৰ কেইটা শুনি চৰিয়াত চুৰা হাত ধুই, লাহেকৈ উঠি আখলৰ পৰা ওলাই পাছ ফালৰ চোতাল পালেগৈ। দৈৱ দুৰ্ব্বিপাকত, ঠিক এনে সময়তে 'বৰ আইটী অ! বৰ আইটী অ!' বুলি তৰাণি ৰান্ধনি ঘৰৰ ফালে আহক। কিন্তু বৰ আইটীৰ উত্তৰ নাপাই তেওঁ আখলৰ ভিতৰলৈ সোমাই গল। গৈ দেখিলে, ভাত-চৰুৰ তলত জুই জুলি আছে, অথচ বৰ আইটী তাত নাই। মোৰ দুৰ্দ্দশাৰ ফেৰত তাব

পিছত তেওঁ আখলৰ খোটালিৰ পৰা ওলাই আহি ছাগলীঘৰৰ কাষ পালেহি। তেওঁ সেই ফাললৈ আহিলতে, মোৰ ওপৰত অনধিকাৰ প্ৰৱেশ আৰু চুৰিৰ অভিযোগ দিবৰ মনেই নে কি, সেই ঘৰৰ 'বাসীন্দা' আন এজনী ছাগলী হঠাৎ দুপ্‌দুপাই উঠিল। কিয় ছাগলীজনীয়ে দুপ্‌দুপাইছে বুলি তৰুণি ছাগলীৰ ঘৰত সোমাল। আৰু 'ক'ৰ পিছত 'খ' অহাদি মই ধৰা পৰিলোঁ! মোক দেখিয়েই তৰুণিয়ে 'চোৰ ঔ!' বুলি বিং মাৰি দিলে, আৰু চোচা মাৰি আহি খপ্‌কৰে মোৰ হাতত ধৰিলে। তাৰ পিছত মোক টানি বাহিৰলৈ আনি ঘৈণীয়েকক লৰি চাকিটো লৈ আহিবলৈ মাতিলে। চাকি হাতত লৈ ঘৈণীয়েক লৰি আহিল; লৰালৰিৰ বেগত তেওঁৰ গাৰ ৰিহাখনৰ আদখিনিয়ে মাটি সাৰি আনিলে, আৰু মেঘমুক্ত শশধৰৰ নিচিনা মই চাকিৰ পোহৰত প্ৰকাশিত হৈ পৰিলোঁ। তৰুণিয়ে মোক দেখি চিনি পায়েই হাঁঃ! হাঁঃ! হাঁঃ! কৈ যে বিকট হাঁহিটো হাঁহিলে, তাক মই কি কম! জয়ৰ উলাহেৰে তেওঁ মাত লগালে,— 'বোলোঁ এইবোৰ কেনে কথা? ভাল মানুহৰ ঘৰৰ লৰা হৈ চোৰৰ পকিৰ্তি কিয়? দেখা-শুনাকৈ খুজি-বাঢ়ি বিয়া-বাৰু কৰাই নিলেই দেখোন হয়, চোৰাংকৈ চলিবৰ সকাম কি? মই এতিয়াই ধৰি থানালৈ পঠিয়াই দিলে কাৰ্য্য সাং! তোমাৰ দেউতা ডাঙ্গৰীয়াৰে সৈতে আমাৰ ঘৰ মানুহৰ বন্ধুতা যাউতীযুগীয়া; সেইদেখি অৱশ্যে মই তেনেকুৱা লোক-হাঁহিয়াতৰ কাম নকৰোঁ নিশ্চয়। কিন্তু পোন পটিয়ে চলিব লাগিব; বেকা বাটে চলিব নিদিওঁ।' তৰুণিৰ এই কথা কেইষাৰ শুনি তেওঁ কি ভাবি কি কৈছে, সেইটো মোৰ মনত বিজুলী মৰা দি মাৰিলে; আৰু মই ঘটনাটোৰে কেনি পাক লৈছে বুজি পেলাই বৰ লাজ পালোঁ। মই যে তেওঁৰ ছাগলীৰ গাখীৰ চুৰ কৰিবলৈ আহিছিলোঁ, সেইটো তেওঁ নুবুজি নাভাবি, তেওঁৰ জীয়েকৰ সৈতে গুপ্ত প্ৰণয়ৰ বেহা কৰিবলৈ আহিছিলোঁ, সেইটোহে বুজিলে আৰু ভাবিলে। মই তেওঁৰ কথাৰ গঢ়ত এইটোও ভালকৈ বুজিলোঁ যে তেওঁ মুখেৰে মোৰ ওপৰত খং দেখুৱালেও পেটে এই ভাবি সন্তোষ লভিছে যে ভাল মানুহৰ ঘৰৰ লৰা এটা অতদিনৰ মূৰত তেওঁ বৰশীত লগাবলৈ পালে, আৰু সম্ভৱতঃ মোক জোঁৱাই কৰিবলৈ পাব। এই কথা মনত খেলালতে, লাজে অপমানে মোক খুন্দি আনিলে। কিন্তু মই কি উত্তৰ দিম, দোধোৰ-মোধোৰ পৰি ভাবি থাকোঁতেই দেখিলোঁ, বাপেকৰ পিঠিৰ ফালে তেওঁৰ জীয়েক মাধৈমালতী আহি থিয় দিছে আৰু মোৰ মুখৰ ফালে তাই অতি সকৰুণ ভাবে চাই বাপেকে দেখিবলৈ নোপোৱাকৈ এনেকৈ ঠাৰ দিছে যে মই যেন বাপেকৰ কথাৰ কোনো প্ৰতিবাদ নকৰোঁ। মই ততালিকে ছোৱালীজনীৰ মনোভাৱ বুজি হাতত পোৱা, তাইৰ ইচ্ছাৰ

বাটকে ধৰিবলোঁ। বিশেষ, মই কৰিবলৈ অহা কাৰ্য্যটিও যে কিবা ওপৰ খাপৰ আছিল এনে নহয়; বৰং তাতকৈ তৰণিয়ে ভবাটো জগৰেই মোৰ মনত অলপ গৌৰৱৰ যেন লাগিল। সেইদেখি মোৰ গাত পৰা জগৰকে সাৰটি ধৰি গাত পাতি লৈ মাত লগালোঁ,— 'মোৰ দোষ ক্ষমা কৰক; এই কথা আন কাকো নকৈ আপুনি মনে মনে থাকক, পোন বাটেও কাৰ্য্য অসম্ভৱ নহয়!' মোৰ কথা শুনি তৰণি মোৰ হাতটো এৰি দি কলে 'বাৰু যোৱা' এই বাৰলৈ এৰি দিলোঁ, আৰু এনে কাম নকৰিবা।' কিন্তু তৰণিয়ে কথাষাৰ কোৱাৰ গঢ়ত বুজিলোঁ যে মই এই জগৰ দিনো কৰিলে তেওঁ আৰু সন্তোষ পাব।

"এই কথাৰ পিছত মই তৰণিৰ ঘৰৰ পৰা ওলাই দুৱাৰমুখ পাৰ হৈছোঁ মাথোন, এনেতে তেওঁ আকৌ মাত লগালে," বোপা শুনি যোৱাঁ! বৰ আইটী অ! সেই পগোৰা এৱা গাখীৰ যে আছিল, তাৰে এবাটি বোপাক দে, খাই যাওক!" মই 'আজিলৈ থাওক, কাইলৈ আহি খাম' বুলি কৈ লৰালৰিকৈ গুচি গলোঁ।

"পিছদিনা তৰণিৰ জীয়েক মাধৈমালতীয়ে তলত দিয়া চিঠিখন লেখি সৰু ভায়েকটোৰ হাতত গোপনে মোলৈ পঠিয়াই দিলে।—

'ককাইদেউ,

আপুনি মোৰ শত সহস্ৰ সেৱা জানিব। আপুনি কালি মোক যিটো বিপদৰ পৰা ৰাখিলে, জীয়াই থাকো মানে মই আপোনাৰ ধাৰ সুজিব নোৱাৰোঁ। আজি মই আপোনাৰ আগত মোৰ মন খুলি সকলো কথা কম; আশাকৰো আপুনি মোৰ দুখত সহানুভূতি কৰিব। মই আখলৰ পৰা ওলাই যাৰ মুখ চাবলৈ আৰু যাৰ মৌ সনা মাত শুনিবলৈ গৈছিলোঁ, তেওঁ মোৰ প্ৰাণতকৈও অধিক। মই তেওঁৰ চৰণৰ দাসী। তেওঁত মই মোৰ মন প্ৰাণ যথা সৰ্ব্বস্ব সমৰ্পণ কৰিছোঁ। ঈশ্বৰে কৰিলে আচিৰতে মই তেওঁক পাম। কিন্তু দেউতাই তেওঁৰ নামকে শুনিব নোৱাৰে। কিয় জানে নে? তেওঁ দুখীয়া; তেওঁ আমাৰে নিচিনা এধাকেচেলুৱা; তেওঁ ডাকঘৰত ডেৰকুৰি ৰূপ দৰমহাত কেৰেণীৰ কাম কৰে। মোৰ দেউতাক জোঁৱাই কৰিবলৈ মুনচুপ সদৰামিনৰ ঘৰৰ লৰা লাগে, নহলে তেওঁৰ মন নুঠে। কিন্তু তেওঁৰ আশা যে আকাশ কুসুম সেইটো তেওঁৰ বুজিবৰ শকতি নাই। তেওঁ সমাজত নিজৰ ঠাই কত বুজিব নোৱাৰে। তেওঁৰ ভয়ত মই লুকাই চুৰকৈ এইদৰে চলিব লগীয়াত পৰিছোঁ। কিন্তু এই বাটৰ ওৰ বেগতে পৰিব; মোৰ বস্তু মই সোনকালে পাম। অৱশ্যে মোৰ কাৰ্য্যত দেউতাই শোক পাব; আৰু মোক অকৃতজ্ঞ বুলিব। কিন্তু মই নিৰুপায়। সি যি হওক ঈশ্বৰৰ ইচ্ছাত যিটো হয়, তাক কোনেও খণ্ডাব নোৱাৰে। আপুনি

নিজৰ গাত দায় লৈ কালি যেনেকৈ মোক সৰুৱালে, সেইটো আপোনাৰ বহল মনৰ আৰু পৰোপকাৰী অন্তঃকৰণৰ চিন। ঈশ্বৰে আপোনাৰ ভাল কৰক, তেওঁৰ অভয় চৰণত মোৰ এই প্ৰাৰ্থনা। আপুনি মোৰ এইবোৰ কথা নিজৰ পেটত ৰাখিব, কাকো নকব। মই আপোনাক বিশ্বাস কৰিব পাৰোঁ জানি বিশ্বাস কৰিলোঁ। সৰুৰে পৰা দেখা শুনা হৈ আমি ডাঙৰ দীঘল হৈছোঁহঁক; আপোনাৰ ওখ মনৰ বিষয়ে মই আগৰে পৰা ভালকৈ জানোঁ।

'কালি' আপুনি কিয় আমাৰ ঘৰলৈ আহিছিল, সেইটো মোৰ বুজিবলৈ বাকী নাই। দেউতাৰ মন বৰ ঠেক। তেওঁৰ সৰু মনৰ কাৰ্য্যত আমি সদায় লাজ পাওহঁক। কিন্তু কি কৰোঁ। অৱশ্যে এটা কথা পাহৰিব নালাগে যে এপুৰুষতে কোনো মানুহৰ মন একেবাৰেই ডাঙৰ হব নোৱাৰে; আৰু হলেও সি এশটাৰ ভিতৰত এটাৰহে। সেইবোৰ কথা আজি কৈ লাভ কি। মই ছাগলীৰ গাখীৰ দিনো দুইবেলা দেউতাই গম নোপোৱাকৈ আমাৰ ন-গয়াঁনী বাইৰ হাতত আপোনালৈ পঠিয়াই দিম। আপুনি গাখীৰৰ বেচ বুলি থৈ যোৱা পইচা চাইটা আৰু গাখীৰ লৈ যাবলৈ অনা বাটিটোও, মই পত্ৰবাহক মোৰ সৰু ভাইটোৰ হাতত পঠিয়ালোঁ। ইতি

আপোনাৰ ভনীয়েক
শ্ৰীমতী মাধৈমালতী

"এই চিঠিখন পাই মই কি কৰিম কি নকৰিম, একোকে ঠিক কৰিব নোৱাৰিলোঁ। কিন্তু মাধৈমালতীয়ে মোৰ ওপৰত বিশ্বাস স্থাপন কৰি যিবোৰ কথা তাই লেখিছে, সেইবোৰ বিশ্বাস ভঙ্গুৰ কৰি কাকো নকওঁ, এইটো নিশ্চয় কৰিলোঁ।

"ইয়াৰ পিচত মাধৱ তৰণিয়ে মোক তেওঁৰ ঘৰত জলপান খাবলৈ মতাই পঠিয়াইছিল, কিন্তু মই এদিনো যোৱা নাছিলোঁ। আজি মূৰ কামোৰণি, কালি পেটৰ অসুখ, এনেবোৰ আসোঁৱাহ উলিয়াই মই সেই নিমন্ত্ৰণবোৰৰ পৰা গা সাৰি আছিলোঁ।

"ওপৰত কোৱা সেই ৰাতিৰ ঘটনা ঘটিবৰ পৰা পঞ্চম দিনাৰ ৰাতিপুৱাই মাধৱ তৰণি ফোপাই-জোপাই হাতত চিঠি এখন লৈ মোৰ দেউতাৰ ওচৰ ওলাই কলেহি, 'ডাঙৰীয়া! মোৰ সৰ্ব্বনাশ ঘটিল! মোৰ বৰজনী ছোৱালীক গল ৰাতি ডাকঘৰৰ বাবু এটাই পলুৱাই লৈ গল! মই কি কৰোঁ, কলৈ যাওঁ, বুধি এটা দিয়ক ডাঙৰীয়া!'

"দেউতাই তৰণিক বিশ্বাস দি কলে, 'তুমি ব্যস্ত নহবা, ছোৱালী ওলাব। যি হৈছে হৈছে, এতিয়া তাইক বিচাৰি-খোচাৰি আনিব লাগিব। ঘৰত বয়সীয়া

ডাঙৰ ছোৱালী বিয়া নিদিয়াকৈ ৰাখি থলেই এনেবোৰ বিপদ হয়। ডাকঘৰৰ বাবুয়ে নিলে বুলি তুমি কেনেকৈ জানিলা ?' তৰণিয়ে উত্তৰ দিলে— এইখন চিঠি চাওক।' দেউতাই চিঠখন হাতত লৈ পঢ়িলে—

'দেউতা,

"তুমি যি ভাবি যি কৰিবলৈ গৈছা সি সিদ্ধি নহয়। ভাল মানুহৰ নিৰ্দ্দোষী লৰাক তুমি সাঙুৰিব নোৱাৰা। মই সদায় যাক মনতে পতি বৰণ কৰি আহিছোঁ, তেওঁৰ লগলৈ মই এতিয়া যাবলৈ ওলালোঁ। দুখীয়া সনাতন হে, যাক তুমি দেখিবকে নোৱাৰা, মোৰ স্বামী। এই কথাৰ অন্যথা কোনেও কৰিব নোৱাৰে। তুমি যদি কেতিয়াবা মোৰ দোষ মৰ্ষণ কৰিব পৰা, তেতিয়া মোৰে সৈতে দেখা হব, নতুবা এয়ে মোৰ শেষ বিদায় বুলি লবা।

তোমাৰ জগৰীয়া জীয়েক
শ্ৰীমাধৈমালতী।"

— — — —

## জাতিৰামৰ জাত

মধুৰাম নেওগে এই আখ্যানটো সিদিনা মোৰ আগত কৈছিল। মই তেওঁৰ মুখৰ পৰা "যথা শ্রুতং তথা লিখিতং লিখকে নাস্তি দূষণম্।"

"কটা, কটা, হাবুঙীয়া বামুণৰ ঘৰৰ লৰা, তাৰ-জাত! হাবুঙীয়া বামুণৰ উৎপত্তিৰ খবৰ মোৰ আঙ্গুলিৰ মূৰত, তাৰ জাত। সিদিনা বঙ্গালপটীত সি মতিবাবু উকিলৰ ঘৰত বঙ্গালৰ হোকাতে টোৰোক্ টোৰোক্ ধপাত মাৰি আছে, মই নিজ চকুৰেই দেখি অহা কথা, তাৰ জাত! মুদীপটীৰ ওচ্মান বেপাৰীৰ হিচাবৰ 'খাতাত' ভালকৈ বিচাৰিলে আজিও তাৰ নামে কালিয়নে বিস্কুট কিনাৰ হিচাপ ওলাব কিজানি, তাৰ জাত! চাহাবাবুৰ মদৰ দোকানৰ হিচাপৰ কিতাপতো কিজানি বিচাৰিলে তাৰ নামে, ধাৰে মদ কিনি খোৱাৰ বেচ আজিও পৰি থকা পোৱা যাব, তাৰ জাত! কিবা বোলেনে হেৰিয়াৰ জাত! তাৰ নিজৰ গা বোকাৰে টেক্‌টেকীয়া অথচ সি লোকৰ গালৈ পানী চটিয়ায়, মোৰ লৰাটোৰ জাত গল কুল গল বুলি সি বদনাম কৈ ফুৰে।"

'মীনধৰ উকিলে ওপৰত কোৱাৰ দৰে গৰ্জ্জি থাকোঁতেই মই (মধুৰাম নেওগ) তেওঁৰ কাষত ওলালোঁগৈ।। মই যোৱাৰ আগৰে পৰা তেওঁৰ কাষতে বহি "এৰা এৰা" "হয় হয়" "ঠিক কৈছে" কৈ মূৰ দুপিয়াই, বিয়াহ গোৱা ওজাৰ পালীয়ে ওজাৰ পদৰ পোষকতা কৰি তাল ধৰি থকাদি কেশৱৰাম তৰ্ণিয়ে তেওঁৰ গোজৰ্ণিৰ পোষকতা কৰি তাল ধৰিব লাগিছে। মোক দেখি উকিল ডাঙ্গৰীয়াই চলিত আদৰ সম্ভাষণ বা আন কোনো কথা নকৈ বৰং মোৰো মুৰৰ ভাপটো তেওঁৰ মুৰৰ ভাপেৰে সৈতে সমান কৰি লবৰ মনেৰেই হবলা আৰু টানকৈ আকৌ এজাউৰি গুজাৰি ললে। উকিল ডাঙ্গৰীয়াৰ গোজৰ্ণিৰ সুৰুঙা বিচাৰি উলিয়াই লৈ, মই মিহিকৈ মাত লগালোঁ। "কি হল? আজি কাৰ ওপৰতনো ইমানটো খং কৰিছে? কোনে নো আপোনাৰ লৰাৰ জাত গল বুলি কলে?"

উকিল—"কোনে কলে? আৰু কোনে কব; যাৰ নিজৰ আগ-গুৰিৰ ঠিকনা নাই, যাৰ পৰৰ নিন্দা, পৰৰ চৰ্চ্চা, লোকৰ বাদ কুবাদৰ আলচ কৰি

থাকোতেই পৰমেশ্বৰে সম্ব্যৱহাৰ কৰিবলৈ দিয়া দিন কেইটা অনাহকত অসম্ব্যৱহাৰত যায় সেই গোধীয়ায়েই নিজৰ গোধা ভৰিখন উলবনিৰ মাজত লুকাই থৈ লোকক গোধা বুলি হাস্য কৰিছে।" মই শুধিলো, কোন নো সেইজন উলুৱা মহাপুৰুষ, নামটো শুনাই যাওক চোন?"

উকিল।—"নাম কবলৈ মই ভয় কৰা মানুহ নহওঁ। পৰৰ বদনাম ৰটি ফুৰা মোৰ কোনো পুৰুষৰ সহজ নাই আৰু ৰটি চোৰৰ দৰে লুকঢুক কৰাও মোৰ স্বভাৱ নহয়। নামটো শুনিব খুজিছা শুনা, সেই হতচিৰী হোৱা জাতিৰাম শৰ্ম্মা ওৰফে কছাৰীত ফৌজদাৰী চিৰস্তাদাৰৰ কামটো পাই ন-কৈ হোৱা জাতিৰাম বৰুৱা। সি খনতে কৈ ফুৰিছে, বোলে, মোৰ বৰ বোপাই কলিকতাত পঢ়িবলৈ গৈ বঙ্গালী বামুণৰ হাতে ভাত খাই আহিছে, আৰু সন্ধ্যা নকৰে, সেইদেখি তাৰ জাত নাই। আৰু সেইদৰে কৈ ফুৰি, সদৰামিনৰ জীয়েকে সৈতে পাতিব খোজা মোৰ লৰাৰ বিয়াখন সি ভাঙিবলৈ কাৰবাৰ কৰিছে।"

'ফুট ছাইৰ মাজৰ পৰা উলিৱা পোৰা তপত আলুগুটিটো অলপ চেচা হবলৈ দিহে তাৰ ছাল বখলিয়াই মুখত সুমুৱা উচিত, নতুৱা সি জিভা পুৰিব ; ইয়াকে ভাবি, খণ্ডৰ তপত ভাপটো ওলাই গৈ উকিলক চেচা হবলৈ অলপ সময় দি, কিছুমান পৰ টলকা মাৰি থাকি মাত লগালোঁ। ডাঙৰীয়া! মই বুজিব পাৰিছোঁ, আপোনাৰ খঙৰ মানেটো। আপোনাৰ খং উঠিব পায়। আপোনাৰ বৰ লৰাটিয়ে কলিকতাত পঢ়িবলৈ বুলি থাকি, তাত অৱশ্যে অপাৰগ পক্ষত বঙ্গালী ৰান্ধনি বামুণৰ হাতে ভাত খাইছিল। সেইটো কোনো ব্ৰহ্মবধ বা গোবধৰ শাৰীৰ পাতক নহয়, আৰু স্বৰূপতে কবলৈ গলে সি কোনো পাতকেই নহয়। তাকে গপাই গপাই বৰটো কৰি আমাৰ 'নমো নমো পাৰিজাত, কুকুৰে ছুলে বাহী গাত' জাতিৰাম ফৌজদাৰী চিৰস্তাদাৰে আপোনাৰ পুতেকৰ জাত গল বুলি কৈ ফুৰিছে। কিয় যে এই ক্ষুদ্ৰ পাতকত আপোনাৰ লৰাৰ, জাতিৰাম বৰুৱাৰ শাস্ত্ৰমতে, জাত গল তাক জাতিৰাম বৰুৱাইহে জানে। মিছা কথা কলে, ভণ্ডামি কৰিলে, ফাকি-জুকি দি পৰক দাঁড় খালে, ভেঁটী খালে, আনকি অগম্যাগমন কৰিলেও, চিৰস্তাদাৰৰ শাৰীৰ লোকৰ জাত যোৱা দেখা নাযায় ; কিন্তু বিদ্যাৰ্থী লৰাই বিদ্যা শিকিবলৈ গৈ বিদেশত বিদেশী বামুণৰ হাতে ভাত এমুঠি খাই লেখা-পঢ়া শিকিলেহে হেনো তাৰ জাতটো যায়। চকৰিৰ চুৰাত তেল দি লোৱা আৰু চকৰীৰ বেৰত বৰৰ আঠাৰে মেৰ লগাই লোৱা গাড়ীৰ দৰে চিৰস্তাদাৰ কোম্পানীৰ জাত কেৰ্-নেকেৰোৱাকৈ সুসৰ্দ্দৰ কৰে তিনিউ প্ৰসঙ্গত আহে আৰু যায়, কোনেও তাৰ গম নাপায়। কিন্তু আনৰ জাতৰ চকৰিৰ তলত

দৈবাৎ ভগা শিলগুটি এটা পৰিলেই তেওঁলোকৰ মতে জাতে খুন্দা খাই শবদ কৰি ভাগি চুৰ্মৈ হয়। ডাঙ্গৰীয়া! মানুহ যদি নিস্কৰ্ম্মা হল, আৰু তাৰ ওপৰত তাৰ স্বভাবটো যদি চকুপোৰা হল, তেন্তে এই শাৰীৰ চৰ্চ্চাই, ফুটুকা গছত যখিনীয়ে বাহ লোৱা দি তাৰ গাত বাহ লয়। কিন্তু এটা কথা আজি মই ডাঙ্গৰীয়াক কওঁ, মোৰ দায় দোষ মৰাযিব। আমাৰ দেশৰ বাৰ অনা মানুহৰ গাত এই দোষটো প্ৰবল। আৰু সেই নিমিত্তেই আমাৰ দেশখনে উদ্‌গতি কৰিব পৰা নাই। ডাঙ্গৰীয়াই জানে মই খোলা কথাৰ মানুহ, আনৰ কথাকে নকওঁ, ডাঙ্গৰীয়াইও চল পালে লোকৰ জাত কুল গোধ খুচৰিবলৈ নেৰে। এতিয়া ডাঙ্গৰীয়াই গা পাইছেহি· দেখি ডাঙ্গৰীয়াই, লুইতৰ দৰে বঠাৰ কোব নিজৰ গাত কিমান দূৰলৈ বহিছে বুজিব পাৰিছে। পৰৰ নিন্দা কুবাদ বিচাৰি ফুৰাজনক শাস্ত্ৰই খহু বিচাৰি ফুৰা মাখি নাম দিছে। অৱশ্যে মৌ মাখি নহয়, গেবেকানিত ওপজা আৰু গেবেকানিত প্ৰতিপালিত হৈ ডাঙৰ দীঘল হোৱা সাধাৰণ মাখিহে। পৰৰ দোষ বিচৰাসকল সদায় নিজৰ দোষৰ ফালে চকু মুদা হয়; লোকৰ দোষ খুচৰি ফুৰোঁতেই তেওঁলোকৰ গোটেই সময় যায়, নিজৰ ফালে চকু দিবলৈ তেওঁলোকৰ আহৰি নহয়। এই বিধ মানুহৰ চকুত লোকৰ দোষ ডাঙৰটো হৈ পৰে ; কিন্তু নিজৰ দোষ নপৰে, আৰু কোনোবা কাচিৎ ছঁয়া-ময়াকৈ পৰিলেও 'বালি পৰিছ যদি পমি যা, কুটা পৰিছ যদি উৰি যা' হয়। আৰু জাত! কবলৈ গলে, উকিল ডাঙ্গৰীয়া! ভালেমান কথা মুখৰ পৰা ওলায়। বোলে 'হাড় নাইকিয়া জিভা। মাতে কিবা কিবা॥' মোৰ মুখখন জপাব নোৱাৰোঁ দেখিয়েই, ডাঙ্গৰীয়া, মোৰ এই দুৰ্দ্দশা! কিয়? বঙ্গালী কেইটা অশুচি, অসমীয়া কেইটাহে শুচি? অপৰাধ? বঙ্গালীৰ ভিতৰত জাত কুল থকা ধৰ্ম্মিষ্ঠ মানুহ নাই; ফাপৰে ধৰা ছাল-ছিগা অসমীয়া কেইটাৰ হে সেই বিষয়ত অকলসৰীয়া অধিকাৰ? নমো নমো পাৰিজাত অসমীয়া কেইটাৰ বাহী গাত কুকুৰে ছুলেই তেওঁলোক বিধুতী হয়! এনেখন বিশ্বাসৰ খেৰ-কুটা গোটাই বাহ একোটা সাজি লৈ, আমাৰ অসমীয়াই জাতৰ ঘোলা কণি একোটা তাতে পাৰি উমনি দি সদায় বহি আছে! তেওঁলোকৰ বাহ থকা গছৰ গুৰিডাল সময়-লুইতৰ গৰা-খহনীয়াত যে লাহে লাহে খহি যাব লাগিছে, তেওঁলোকৰ উমানেই হোৱা নাই। ডাঙ্গৰীয়া এটি কথা শোধোঁ, তাৰ উত্তৰটো মোক দয়া কৰি দিয়কচোন? আপোনালোকে নিজক আৰ্য্য বুলি দেখোঁন তিনিউ প্ৰসঙ্গত বৰকৈ গপাই ফুৰে, আৰু নিজক টিংখোপৰ ওপৰত তুলি থৈ দি দয়াৰ চকুৰে তলৰ ফালে লোকলৈ চায়। আৰ্য্য মানে কি তালৈ এবাৰ মন কৰি চাইছেনে? আৰ্য্য মানে হালোৱা নহয় নে ? আপোনালোকৰ পণ্ডিতসকলেই দেখোন কয়, ঋ বা অৰ্ ধাতুৰ পৰা আৰ্য্য, তাৰ মানে হাল বোৱা। হাল বাই খেতি কৰি জীৱিকা নিৰ্ব্বাহ

কৰা বিলাকৰে আগেয়ে আৰ্য্য বুলিছিল। আৰ্য্যসকলে তেওঁলোকৰ প্ৰতিদ্বন্দী প্ৰতিবাসী খেতি-বাতি কৰি খাব নজনা আৰু মাছ পহু মাৰি খাই উদঙীয়া হৈ ফুৰা জাতৰ মানুহৰ পৰা নিজক বেলেগ বুজাবলৈ আৰ্য্য অৰ্থাৎ হাল বাই খোৱা হালোৱা বুলি চিনাকি দিছিল। আজিকালি আপোনাসকলৰ শিৰৰ মুকুট আৰ্য্য কেইজনে হাল বায় নে নাবায়? শিৰৰ মুকুট কাক বুলিছোঁ অৱশ্যে বুজিছে। বামুণ কেইজনকে শিৰৰ মুকুট বোলা গৈছে। বামুণে হাল বালে দেখোন তেওঁলোকৰ আজিকালি জাত যায়। যি আৰ্য্য আৰ্য্য কৈ ডেডাউৰিয়াই আপোনালোকে গগণ ফালিছে, সেই আৰ্য্যৰ নিজা ব্যৱসায় হাল বাবলৈ গলে দেখোন আপোনালোকৰ জাতৰ কণ-কঠীয়া সোপাই মৰে! চমুকৈ কবলৈ গলে আপোনাসকল সঁচাকৈ আৰ্য্য হবলৈ গলে আপোনালোকৰ জাত যায়, আৰু অনাৰ্য্য হৈ থাকিলে অৰ্থাৎ পৰৰ দাসত্ব কৰিবলৈ গলে, বৈশ্যৰ ব্যৱসায় বেহা-বেপাৰ কৰিলে, নাইবা অনাৰ্য্যৰ ব্যৱসায় বা ব্যসন অৰ্থাৎ চিকাৰ কৰি চৰাই পহু আদি মাৰি ফুৰিলে জাত নাযায়। আজিকালি আপোনালোক ওলোটা পাকে চলিলে আপোনালোকৰ জাতি ৰক্ষা পৰে আৰু পোন পাকে চলিলে আপোনালোকৰ জাতি পতন হয়। আপোনালোকৰ উপৰি পুৰুষসকলে যত ভৰিৰে বাট বুলিছিল, আজিকালি তেওঁলোকৰ সতি-সন্ততি আপোনালোকে দেখোন তাত মূৰেৰে বাট নুবুলিলে সৰ্ব্বনাশ সমুত্পন্ন হয়। এইটো কিন্তু এটা বৰ ডাঙৰ সাঁথৰ। এই সাঁথৰৰ মৰ্ম্মটো মোক বুজাই দিয়কচোন! হে আৰ্য্যশ্ৰেষ্ঠ ব্ৰাহ্মণ উকিল ডাঙৰীয়া! অৰ্থাৎ বৰ হালোৱা! মোক এইটো বুজাই দিয়কচোন, আপোনালোকৰ জাতটোৱে কোনখন বেদৰ মতে চলিব লাগিছে? আপোনালোকৰ জাতৰ নাড়ীডাল কোনখন সুশ্ৰুত বা কোনখন চড়ক সংহিতাৰ নিয়ম মানি লৰে মোক কওকচোন? 'অংকস্য বামা গতি' বুলি কয়, আপোনা-লোকৰো জাত কুল আদিৰ তেনেকুৱা বামা গতি নে কি? আগৰ আপোনাসকলৰ হালোৱা পিতৃপুৰুষসকলৰ দুহিতা আইদেউহঁতৰ বাব আছিল গাখীৰ খীৱোৱা; উলৰ মোজা বোৱা, ছবি অঁকা, গান বাজনা কৰা বা নাটক 'নভেল' পঢ়া নহয়। তেওঁলোকৰ কাম ঘাইকৈ গাখীৰ খীৱোৱা আছিল দেখি তেওঁ-লোকক দুহিতা বুলিছিল। দুহ্ ধাতুৰ অৰ্থ যে গাখীৰ খীৱোৱা সেইটো লেখা পঢ়া শিকাসকলে জানে। আপোনাসকলৰ হালোৱা পিতৃপুৰুষবিলাকৰ গৰুৱেই ধন গৰুৱেই সৰ্ব্বস্ব আছিল। তাৰ বাহিৰে হালোৱাৰ আন কিবা বহুমূলীয়া ধন-সম্পত্তি থাকিবৰ বা আশা কৰিব পাৰি কেনেকৈ? কিবা কিবা বস্তু কিনাৰ বেচ দিব লাগিলে অথবা কোনো জগৰৰ বাবে দণ্ড দিব অৰ্থাৎ জৰিমনা ভৰিব লাগিলে তেওঁলোকে ধেনু অৰ্থাৎ গৰু দিছিল; আৰু আজিলৈকে তাৰ চিন, আপোনালোকৰ পৰাচিতত এধেনু পৰাচিত দু ধেনু পৰাচিত কথা ৰৈ গৈছে।

আজিকালি একুৰি ডেৰকুৰি টকীয়া মৰগ গাই এজনী সেই পৰাচিতৰ দক্ষিণা বা বেচ স্বৰূপে নিদি, ফাকি মাৰি বাব সৰা এধেনুৰ মূল্য এক অনা বা দু ধেনুৰ মূল্য দুই অনা দিবৰ ব্যৱস্থা হৈছে। ইংৰাজী ভাষাৰ Pecuniary অৰ্থাৎ ধন বুজোৱা শব্দটোও লেটিন ভাষাৰ Pecus অৰ্থাৎ গৰু-ম'হ আদিক বুজোৱা শব্দটোৰ পৰা ওলাইছে। ৰোমান লেটিন আৰু ইংলণ্ডৰ ইংৰাজ জাতিও তেও আপোনালোকৰ পূৰ্ব্বপুৰুষ আৰ্য্যৰে ফটা ফৈদ একোটাহে। এনেস্থলত আপোনালোকৰ জাতৰ জাত কি বুজিবই পৰা গৈছে। বৈদিক যুগৰ পিছত পৌৰাণিক যুগত জাতৰ সৃষ্টি বুলি সকলো দেশৰ পণ্ডিতে সিদ্ধান্ত কৰিছে। মহাভাৰতত আছে, প্ৰথমেই কোনো জাত নাছিল, পিছত লাহে লাহে কৰ্ম্ম অৰ্থাৎ নিজ নিজ ব্যৱসায় অনুসাৰে জাতৰ সৃষ্টি হল। যজ্ঞ যজ্ঞ হোম শাস্ত্ৰোলোচনা আৰু পুৰোহিতৰ কাম কৰোঁতাবিলাক ব্ৰাহ্মণ হল, বামুণৰ যজ্ঞাদিৰ বিঘিনি নিবাৰণৰ অৰ্থে আৰু শত্ৰুৰ পৰা দেশ আৰু ঘৰ-বাৰী ৰক্ষাৰ নিমিত্তে যুদ্ধ কৰিব লগীয়া বিলাক ক্ষত্ৰিয় হল; খেতি আৰু খেতিৰ পৰা উৎপন্ন হোৱা বস্তুৰ বেহা-বেপাৰ কৰোঁতাবিলাক বৈশ্য হল; আৰু দাসত্ব অৰ্থাৎ লগুৱাৰ কাম বা সেই শাৰীৰ আন চাকৰি কৰোঁতাবিলাক শূদ্ৰ হল। এই জাতি বিভাগৰ মানে বুজিব নোৱাৰা নহয়। যেয়ে যেনে কাম বা ব্যৱসায় কৰে আৰু বিশেষকৈ পুৰুষাণুক্ৰমে কৰে, তাৰে স্বভাৱ আৰু চলন ফুৰণৰ লাহে লাহে পৰিৱৰ্ত্তন হৈ সি সেই কামৰ সৈতে সামঞ্জস্য লাভ কৰে। জন্তু কাটি মঙহ বেচি জীৱিকা উপাৰ্জ্জন কৰোঁতাবোৰ স্বভাৱতে নিৰ্ম্মম নিষ্ঠুৰ নহৈ নাথাকে। গুৱালে গাখীৰ, ঘিউ, মাখন, লৱনুৰ ব্যৱসায় কৰি, আৰু পোৱালিৰ প্ৰতি গাইৰ মৰমৰ ভাব দিনে দিনে দেখি, তেনে কোমল আৰু মৰমিয়াল স্বভাৱ লাভ কৰে। ব্ৰজৰ কোমল আৰু মৰমিয়াল স্বভাৱৰ নন্দ যশোদা আৰু আন গোপ গোপীৰ উদাহৰণ দি এই কথাৰ প্ৰমাণ দিবলৈ যোৱাটো বাহুল্য মাথোন। বামুণে দিনে ৰাতিয়ে শাস্ত্ৰালোচনা ঈশ্বৰ চিন্তা আৰু ওখ ভাব বিলাকৰ আলোচনা আৰু আন্দোলন কৰি সাত্বিক স্বভাৱ পায়; ক্ষত্ৰিয়ই যুদ্ধত লিপ্ত থাকি ৰাজসিক স্বভাৱ লভে। মৰণলৈ ভয় নথকা, আপোনাৰ কথা অৰ্থাৎ প্ৰতিজ্ঞা প্ৰাণপনে ৰক্ষা কৰা, আৰু গাত শক্তি থকা গতিকে বেকা বাটেদি নগৈ পোনপটিয়ে সকলো কথাতে যোৱা, আশ্ৰিতক বিপদত ৰক্ষা কৰা আৰু তাৰ নিমিত্তে অকাতৰে প্ৰাণ পৰ্য্যন্ত দিবলৈ সাজু হোৱা আদি স্বভাৱ ক্ষত্ৰিয়ৰ ব্যৱসায় গুণত হয়। শৰণাগত কপোৰ প্ৰাণ ৰক্ষাৰ্থে শ্যেনক নিজৰ গাৰ মঙহ দিয়া শিবি ৰজাৰ উদাহৰণ দি এই কথা আপোনাক বুজাবলৈ যাবৰ সকাম নাই, কাৰণ আপুনি সেই কথা ভালকৈ জানে। বৈশ্য বা বণিয়াই বেহা বেপাৰ কৰি ন্যায় বা অন্যায় বাটেলৈ ৰবকৈ চকু নিদি মাথোন ঘটিবলৈ চোৱা অৱস্থাৰ পৰা

মাৰোৱাৰী কেঞা বা ইহুদীৰ স্বভাৱ পায়। শূদিৰে চিৰকাল দাসত্ব অৰ্থাৎ লগুৰালি কৰি খচকাত শুকোৱা আৰু নিয়ৰত ঠন ধৰা দুৰ্ব্বিৰ স্বভাৱ পায়। গীতাত কৈছে—

> "শমো দমস্তপঃ শৌচং ক্ষান্তিৰাৰ্জ্জবমেব চ ।
> জ্ঞানং বিজ্ঞানমাস্তিক্যং ব্ৰহ্মকৰ্ম্ম স্বভাৱজম্ ॥
> শৌৰ্য্যং তেজো ধৃতিৰ্দাক্ষ্যং যুদ্ধে চাপ্যপলায়নম্ ।
> দানমীশ্বৰভাবশ্চ ক্ষাত্ৰংধৰ্ম্ম স্বভাৱজম্ ॥
> কৃষি-গোৰক্ষ্য-বাণিজ্যং বৈশ্যকৰ্ম্ম স্বভাৱজম্ ।
> পৰিচৰ্য্যাত্মকং কৰ্ম্ম শূদ্ৰস্যাপি স্বভাৱজম্ ॥

অৰ্থাৎ সম, দম, তপ, শৌচ, ক্ষমা আৰু সৰলতা আৰু জ্ঞান, বিজ্ঞান আস্তিক্য অৰ্থাৎ ঈশ্বৰ বিশ্বাস ব্ৰাহ্মণবিলাকৰ স্বভাৱজাত কৰ্ম্ম। শৌৰ্য্য, তেজ, ধৃতি, দক্ষতা, দান, প্ৰভুত্ব আৰু যুদ্ধত নিৰ্ভিকতা ক্ষত্ৰিয়বিলাকৰ কৰ্ম্ম। কৃষি, গোপালন আৰু বাণিজ্য বৈশ্য বিলাকৰ কৰ্ম্ম। পৰিচৰ্য্যা শূদিৰবিলাকৰ স্বভাৱজাত কৰ্ম্ম। কিন্তু এতিয়া যেতিয়া বামুণে শূদিৰৰ আৰু বৈশ্যৰ ব্যৱসায়ত ধৰিছে; ভাতৰান্ধনি, গাড়োৱান, আনকি কুলিৰ কামৰে পৰা নানাবিধ গোলামী কামত লাগিছে; ক্ষত্ৰিয়ৰ ব্যৱসায়েই নাইকিয়া হল, আৰু ক্ষত্ৰিয়ৰ ব্যৱসায় গৈ বাহাদুৰ চিং, সুন্দৰ সিং থাপ্পা, আৰু ৰাজিদ খাঁৰ হাতত পৰিলগৈ, আমি আৰ্য্যবিলাকৰ জাতৰ চকটো কোন কেইটা উধানৰ ওপৰত ৰলগৈ কওঁক-চোন? কলিকতাত ন-সূত লগুণৰ ভাৰ বোৱা বামুণে ছাগলীৰ মঙহ বেচা আৰু জোতা বেচা দোকান কৰি পেট প্ৰবৰ্ত্তাই থকা দেখা যায়, ৰান্ধনি গাড়োৱান আদি কাম কৰি ভাত মোকোলোৱা বাপুদেউসকলৰ তো লেখেই নাই। আজি-কালি বামুণে ম্লেচৰ লগুৰালি কৰিও জাত নেহেৰুৱায়, অথচ তেওঁলোকে, বেদজ্ঞ তপোনিষ্ঠ বশিষ্ঠ ভৃগুৱে কঠোৰ তপস্যাৰে অৰ্জ্জন কৰা ব্ৰহ্মণ্যৰ ওপৰত দাবি কৰি বহি থাকে। এনেস্থলত হিন্দু সমাজৰ কেনে গতি হৈছে অনুমান কৰি লবই পাৰি। আমাৰ শৰীৰত আগৰ আৰ্য্যৰ আৰ্য্যত্ব, ঋষি মুনিসকলৰ ব্ৰহ্মণ্য আৰু পবিত্ৰতাৰ গোন্ধ-ভাপ বিচাৰি পাবলৈ একো নাই বুলিলেই হয়, তথাপি আমি বামুণবো আও বামুণ হৈ, নাহবতকৈও সুকাঠী হৈ, থম্‌থম্ কৰে বহি আছোঁ। মৰিলেও হেনো ধনঞ্জয় নামৰ বায়ুৱে গাব পৰা নেৰে; আমাৰ গাৰ পৰাও, আৰ্য্যত্ব ব্ৰহ্মণত্ব মৰিলেও, সেইদৰে ধনঞ্জয় বায়ুৱা জাত নাযায় দেখিছোঁ। জাতৰ শৰণ লৈ আমি আমাৰ লৰাক কলিকতালৈ পঢ়িবলৈ পঠিয়াব নোৱাৰোঁ, বিলাতত পঢ়িবলৈ পঠিয়াব নোৱাৰোঁ। আমাৰ অসমীয়াৰ অপৰূপ জাতৰ বাবেই, আসামৰ বাহিৰে বামুণ সজ্জন যেয়ে হওক, তেওঁৰে সৈতে খোলা-লোৱা কৰিব নোৱাৰোঁ। আমাৰ সি জাত নহল জানিবা ভালুকৰ সাঙ্গীহে

হ্ল, তাক আমি এৰিবও নোৱাৰোঁ ধৰিবও নোৱাৰোঁ। এই পৃথিবীৰ স্বাভাৱিক নিয়মত দেখা যায়, কোনো এবিধ জন্তু বা গছ বেয়া ঠাই বা বেয়া জলবায়ুত পৰিলে লাহে লাহে সি জাত এৰি অজাতৰীয়া হয়। দ্বাৰভাঙ্গাৰ লেংৰা আমৰ কলম, বোম্বাইৰ বোম্বে-আমৰ কলম, কাশীৰ মধুৰি আমৰ কলম, মজঃফৰপুৰৰ লিচিৰ কলম আনি আসামত ৰুলে, জলবায়ু মাটি আদি অৱস্থাৰ পৰিবৰ্ত্তনত সেইবোৰ অজাতৰীয়া হয়, মুজুৰা হয়, তাৰ ফলত পোকে ধৰে, আৰু তাত আগৰ সোৱাদ নাথাকে। দহ-বাৰ সেৰ গাখীৰ ওলোৱা নাগৰ গাই বা ভাগলপুৰী গাই পচিমৰ পৰা আনি আসামত ৰাখিলে, লাহে লাহে তাৰ গাখীৰ কমি গৈ এসেৰ আধাসেৰত পৰে, আৰু বছৰ চেৰেকৰ ভিতৰতে সেই গাইৰ পোৱালিৰ আধোগতি হৈ তিলৌতিপো হৈ পৰে। হিন্দুকুশ নাইবা ককেচচ্ পৰ্ব্বতৰ কাষৰ নাইবা বাল্টিক সাগৰৰ পাৰৰ একে জাতৰে আৰ্য্যবিলাক ঠাই আৰু অৱস্থাৰ সলনিত, দীঘল পঞ্জাবী, শকত-আবত ভোজপুৰীয়া, কলীয়া মান্দ্ৰাজী, পেটুৱা বঙ্গালী, আটিল অসমীয়া আৰু গাথলু পৰ্ব্বতীয়া হৈছে। জাতৰ পৰিবৰ্ত্তন যদি এইদৰে সকলোপিনে ঘটিল, তেন্তে মিছাকৈ ডাংকোপ মাৰি আমি পুৰণিকলীয়া উৰ্ঁলি যোৱা জাতত কট্কটীয়াকৈ খামোচ মাৰি থকাৰ মানে কি? আজিকালিৰ যি নিয়মৰ জাত, তাক মানুহে পতাহে, তাক মানুহে পতাহে ঈশ্বৰে স্ৰজা নহয়, এইটো ধুৰুপ; তেহেলৈ আপোনালোকে যিমানকে শাস্ত্ৰৰ পাত লুটিয়ালুটি কৰক। জাত সৃষ্টিৰ বিষয়ে মহাভাৰতে কি কৈছে, আগেয়ে কৈ আহিছোঁ। বৈদিক কালত জাত নাছিল, সকলোৱে স্বীকাৰ কৰিছে। পিছৰ কালতহে জাতৰ আবিৰ্ভাৱ। সেই কালত তেনে জাতৰ আৱশ্যক আছিল দেখি তাক তেনেকৈ পতা হৈছিল। আজিকালি তেনেকুৱা জাতৰ সকাম নাই দেখি তাক ভঙ্গা উচিত। মানুহৰ বা তেওঁৰ আগৰ দিনতে সজা জাতৰ ঘৰৰ তলত আমি এতিয়াও নিৰ্ভয়ে ফন্দি মাৰি শুই থাকিলে ভাগি পৰা ছালবোৰৰ হেঁচাত আমাৰ পৌৰাণিক প্ৰাণবায়ুটি উৰি পলাই যোৱাৰ খুব সম্ভৱ। মানুহে যিটো পাতে, মানুহেই নিজৰ বা সমাজৰ সুবিধা অসুবিধা বুজি সেইটো ভাঙ্গিব পাৰে আৰু ভাঙ্গে; আৰু ভাঙ্গিবই লাগিছে দিনে ৰাতিয়ে। যদি এই কথা সঁচা, তেন্তে জাত জাতকৈ ইমানটো "হাঙ্গামৰ" সকাম কি ?

'আৰ্য্যবিলাক যেতিয়া খাইবৰ গিৰিসঙ্কটেদি ভাৰতবৰ্ষ সোমাইছিলহি তেতিয়া তেওঁলোকে ভাৰতবৰ্ষৰ আদিবাসী অসভ্য মানুহৰ সৈতে তুমুল সংগ্ৰাম কৰি লাহে লাহে আগুৱাব লগাত পৰিছিল যে এইটো নিশ্চয়; আৰু সিন্ধু নৈৰ পাৰৰে পৰা ইফালে আগবাঢ়ি আহোঁতেও ভাৰতবাসী বৰ্ব্বৰবিলাকৰ সৈতে খনে খনে যুদ্ধ কৰিহে তেওঁলোক আহিব পাৰিছিল। তেনেস্হলত

তেওঁলোকে নিজৰ জাতৰ তিৰুতা লগত কিমান আনিছিল, সিও এটা ভাবিবৰ বিষয়। যুঁজাৰু মানুহে বিদেশত শত্ৰুৰে সৈতে যুঁজ কৰিবলৈ আহোঁতে পৰা-পক্ষত লৰা তিৰুতা লগত লৈ নাহে, থৈহে আহে। তেন্তেনো ভাৰতবৰ্ষত তেওঁলোকৰ ভালেমান বৰ্ব্বৰ আদিবাসী ভাৰতীয় মানুহৰ ছোৱালী, ঘৈণী কৰি লৈ গৃহবাস কৰি আৰ্য্যবংশ বৃদ্ধি কৰা নাই বুলি কোনে ন দি কব পাৰে? "স্ত্ৰীৰত্নং দুষ্কুলাদপি" সংগ্ৰহ কৰিলেও দোষে নোছোৱে বুলি কৈ হিন্দুশাস্ত্ৰই বাটটো উজু কৰি থৈছেই। অতি পুৰণি কালৰ কথাকে নকওঁ, বঙ্গদেশৰ ৰজা আদিশূৰে যেতিয়া কনৌজৰ পৰা বঙ্গদেশলৈ পঞ্চব্ৰাহ্মণ অনায়, সেই ব্ৰাহ্মণ কেইজন অকলসৰীয়া হৈ হে আহিছিল, লগত তেওঁলোকে নিজৰ দেশৰ পৰা লৰা তিৰুতা অনা নাছিল। বঙ্গদেশৰ হীন বামুণৰ ছোৱালী বিয়া কৰাইহে তেওঁলোকে প্ৰথমে গৃহবাস কৰিছিল। পিছত তেওঁলোকৰ সুখ সম্পদৰ কথা শুনিহে তেওঁলোকৰ আগৰ লৰা তিৰুতাবিলাক বঙ্গদেশলৈ আহে। বঙ্গদেশৰ ৰাঢ়ীয় আৰু বাৰেন্দ্ৰ এই দুই শ্ৰেণীৰ বামুণ এইদৰে হৈছে বুলি সকলোৱে জানে। আসামৰ বামুণ কলিতাও সেইদৰে কনৌজ, মিথিলা, বঙ্গদেশ আদি স্থানৰ পৰা অহাহে, এটাইবোৰ আসামৰ শিবফুটা নহয় তেহেলৈ তেওঁলোকে ভীমটোকা গপ মাৰি যিমানেই ফুৰক। তেওঁলোক কনৌজ প্ৰভৃতি দেশৰ পৰা দুৰ্গম আসামত তীৰ্থাদি কৰিবলৈ আহোঁতে 'পথে নাৰী বিবৰ্জ্জিতা' হৈহে আহিছিল, অবলা ঘৈণীয়েকহঁতক লগত নিশ্চয় লৈ অহা নাছিল। গতিকে, তেওঁলোকে কামৰূপীয়া আৰু আচাৰহীন আন আন হীন বামুণ শূদিৰৰ ছোৱালী বিয়া কৰাই গৃহবাস কৰিয়ে অসমীয়া ভো ভো বামুণ শূদিৰৰ লেখ বঢ়াইছিল, এইটো নুই কৰিলে নচলিব। তেন্তে নো আপোনাসকলে ইমানকৈ গপাই থকা জাতৰ চেকা গুচিল কেতিয়া, কেনেকৈ মোক বুজাই দিয়কচোন? যি বঙ্গালী আৰু হিন্দুস্থানীৰ আমি চাটকে নসওঁ, যাক আমি ছেই-ছেই কৰি ফুৰোঁ, যাৰ হাতে ভাত খালে আমাৰ লৰাৰ জাত 'জহন্নামে' যায়, সেই শ্ৰেণীৰ বঙ্গালী আৰু হিন্দুস্থানী আমাৰ ভিতৰৰ কতজনৰ পূৰ্ব্বপুৰুষ তাৰ ভূ ৰাখিছেনে নাই? যি পিতৃপুৰুষসকলৰ অৰ্থে আমি দিনো তৰ্পণ কৰিব লাগিছোঁ, ৯ পুৰুষৰ শৰাধ অতি সন্তৰ্পনে কৰিব লাগিছোঁ, সেই সকল কোন দেশৰ? নেপালৰ নে নবদ্বীপৰ, তাৰ সম্ভেদ ভালকৈ ৰাখিছেনে নাই? সেই দেখিহে কওঁ, আমাৰ আজিকালি অসমীয়া কেইটাৰ জাতৰ অপৰূপ ধাৰণা-টোৰ গুৰিডোখৰ পচি খাই গৈছে, ঢোকা ভেজা নিদিলে আৰু সি ঠিয় হৈ থাকিব নোৱাৰাত পৰিছোঁহি। আমি আগৰ আৰ্য্য ঋষিসকলৰ সতি-সন্ততি বুলি নিজক ধন্য মানো; আপোনাৰ গোত্ৰ বশিষ্ঠ, মোৰ গোত্ৰ যমদগ্নি, তেওঁৰ গোত্ৰ পৰাশৰ বুলি, অৰ্থাৎ সেই ঋষিসকলৰ বংশধৰ বুলি গপত আমাৰ

ভৰি মাটিত নপৰেই; কিন্তু সেই বৈদিক আৰু পৌৰাণিক যুগৰ ঋষিসকলৰ পান আহাৰ কি আছিল আমি গমি পিটিকি চাইছোঁনে? তেওঁলোকৰ আশ্রম, সত্র, যজ্ঞ, সামগান, তপোবন, সন্ধ্যা, গায়ত্রী আৰু ফল-মূল, ঘিউ, গাখীৰ আহাৰৰ কথা শুনিয়েই আমি সাত্বিক ভাবত নিমগণ হৈ গদ্‌গদ হওঁ, কিন্তু তেওঁলোকৰ সোমৰস পান আৰু বৰাবিহ মঙহ ভোজনৰ কথালৈ আমি পাহৰিও চকু নিদিওঁ।

'আৰু এটা কথা মই শোধোঁ,— আমি যে আৰ্য্য, আৰ্য্য ভাল বামুণ, ডাঙৰ জাত কৰি গণ্ডপ মাৰি থাকোঁহঁক, এতিয়াই ধৰক যদি কোনোবাই কোনো উপায়েৰে বা খেতৰ-সাইজ কৰি স্বৰ্গৰ পৰা আমাৰ পূৰ্ব্বপুৰুষসকলক নমাই আমাৰ আগত আনি দিয়েহি, তেন্তে কি হব? ধৰক, আমাৰ ৰাজহুৱা নামঘৰতে ৰাজহুৱা সভা পাতি তেওঁলোকক আমি সোধ-পোছ কৰিবৰ দিহা কৰিলোঁ। প্ৰথমতে তেওঁলোকক সেৱা কৰি তেওঁলোকৰ আগত আঠুলৈ আমি তেওঁলোকৰ নাতি-পুতি বুলি আমাৰ চিনাকি দিলোঁ। কিন্তু ভালকৈ ভাবি কওকচোন, আমাক তেওঁলোকৰ নাতি-পুতি বুলি তেওঁলোকে সৈ কাঢ়িবলৈ লাজ নেপাব নে? কাৰণ, তেওঁলোক হল ডাঙৰ দীঘল শকত বলী আৰু বগা, আৰু আমি তাৰে ওলোটা। তেওঁলোকে বুলিব, এই তিলৌতিপৌ চুটি চাপৰ বাওনা পয়ালগা কলাখন কৰ পৰা আহি আমাৰ আগত ওলাই আমাৰ নাতি-পুতি বুলি চিনাকি দিছে! মেমেৰা কলা এইখন কেতিয়াও আমাৰ সতি-সন্ততি নহয়; ইহঁত, আমি তাহানি মৰিয়াই কিলাই পৰ্ব্বতে পাষণ্ডে খেদি দিয়া সেই কলা অসুৰ, দস্যু, দাস বৰ্ব্বৰবোৰৰ সন্তানহে, আমাৰ নহয়। দ্বিতীয়তে, আমি তেওঁলোকৰ মাত একেষাৰকে বুজিব নোৱাৰোঁ আৰু তেওঁলোকেও আমাৰ মাত বুজিব নোৱাৰে। আমি নগাডফলাৰে সৈতে আঙ্গী-ভঙ্গী কৈ মনৰ ভাৱ সলনা-সলনি কৰাৰ দৰে তেওঁলোকেও আমাৰে সৈতে কথা-বাৰ্ত্তা কৰৰ চেষ্টা কৰিবৰ লাগিব, নতুবা কথা বিসঙ্গতি। তৃতীয়তে, তেওঁলোকৰ গাৰ সাজ কাপোৰ আমাৰ গাৰ সাজ কাপোৰেৰে সৈতে সমুলী নিমিলিব। চতুৰ্থতে, তেওঁলোকৰ সৈতে আমি খোৱা-লোৱাত যোগ দিব নোৱাৰিম; দিলে আমাৰ জাত যাব; কাৰণ তেওঁলোকে বিধুতিয়ে ভৰিত চৰ্ম্মপাদুকাৰে অৰ্থাৎ গৰু ছালৰ জোতাৰেই খাবলৈ বহি যাব। খাবলৈ মঙ্গহৰ আঞ্জা বিচাৰিব যাৰ নাম কলে আমি ভূমি ছুই কৰ্ণত হাত দিব লাগিব, আৰু পিবলৈ সোমৰস অৰ্থাৎ এবিধ লাওপানী বিচাৰিব যাৰ বাবে আমি তেওঁলোকৰ ওচৰৰ পৰা উঠি গৈ নৈত জোবোৰা মাৰি পৰাচিত নহলে নচলিব। অৰ্থাৎ আমাৰ সেই পিতৃ-পুৰুষসকল, যাৰ নাম লৈ গণ্ডপ মাৰি গঙ্গাটোপ একোটা হৈ আমি ওফন্দি ফুৰিছোঁ, আমাৰ পক্ষে অনাচৰণীয়; যাৰ নিশ্বা-

সত আৰু সহভোজনত আৰু স্পৰ্সনত আমাৰ জাত মৰি খাস্তাং হব! আমি যাৰ নাম লৈ, যাৰ যহত বৰ বামুণ, বৰ কায়স্থ, বৰ কলিতা, বৰ জাতৰ বুলি চলিব লাগিছোঁ, তেওঁলোকে অন্ততঃ এদিনলৈকে আমাৰ ঘৰত আলহী হব লাগিলে, আমি আমাৰ চৰু-হাড়ী পেলাই, কাপোৰ-কানি ধুই, গোবৰ পানী খাবলগীয়াত পৰিমহঁক, তাৰ পাছত গঙ্গাস্নান আৰু গোঁসাই প্ৰভুৰ ঘৰৰ দঁড় আমাৰ কপালত আছেই! আৰু তেওঁলোকেও আমাৰ গড়-গতি দেখি আমাক অসুৰ আৰু দস্যু বুলি নেওচা-কেওচা দি তৌতিয়াই গুচি যাব যে এইটোও ধুৰূপ।”

“মোৰ এই দীঘল আৰু গাজত লাগি যোৱা বক্তৃতা শুনি উকিল ডাঙ্গৰীয়াৰ মুখৰ মাত হৰিল; আৰু সিজনও নিমাত হৈ বল। কিছুপৰ উকিলে টভক মাৰি থাকি মাত লগালে, “আপুনি বৌদ্ধ কি খৃষ্টান কিবা এটা হৈছে, নতুবা এইবোৰ বামানয় শাস্ত্ৰৰ মত উলিয়াই বেদপন্থ ছন কৰি লোকৰ মন মুহিবলৈ যাব কিয় ? আপোনাৰ কথা আৰু যুক্তি শুনিলে পাপ হয়।”

“পাপ হয় যদি নালাগে শুনিব; জাতিৰামৰ জাতৰ হিচাপ-কিতাপৰ ‘নিকাচ’ কৰি পুণ্য কৰি থাওক” বুলি মই তাৰ পৰা উঠি গুচি আহিলোঁ।

———